
দ্বিতীয় বছৰ, সংখ্যা ২০

১৬-৩০ এপ্ৰিল, ২০২২

বিনামূলীয়া বিতৰণ

# নিউ ইণ্ডিয়া সমাচাৰ



## #সবকাপ্ৰয়াস

# ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰ সেতু

সমাজৰ অন্তিমজন ব্যক্তিলৈ উন্নয়নৰ ধাৰা বোৱাই নিয়াৰ প্ৰতিশ্ৰুতিৰে প্ৰতিবৰ্ষৰ দৰে এইবাৰো বাজেটৰ ঘোষণা, সিদ্ধান্ত আৰু সংকল্পৰ কাৰ্যকৰীকৰণৰ বাবে প্ৰধানমন্ত্ৰীয়ে অংশীদাৰৰ সৈতে বাৰ্তালাপত মিলিত হৈছে।



# “যেতিয়া প্ৰতিগৰাকী ভাৰতবাসী লোকেলৰ বাবে ভোকেল হৈ পৰে তেতিয়া লোকেলক গ্লোবেল হোৱাৰ ক্ষেত্ৰত দেৰি নহয়।”

দেশে ডাঙৰ পদক্ষেপ কেতিয়া গ্ৰহণ কৰে, যেতিয়া সপোনতকৈ সংকল্প বেছি শক্তিশালী হয়। যেতিয়া এই সংকল্প সিদ্ধিৰ বাবে দিনে-নিশাই নিষ্ঠাসহকাৰে প্ৰচেষ্টা (#প্ৰয়াস) গ্ৰহণ কৰা হয় তেতিয়া দেশে সফলতা প্ৰত্যক্ষ কৰে। শেহতীয়াকৈ দেশে ৰপ্তানিৰ দিশত অভিলেখ স্থাপন কৰাৰ কথাই হওক বা ক্ষুদ্ৰ ব্যৱসায়ীৰ সহায়ৰ বাবে প্ৰযুক্তিযুক্ত চৰকাৰী মঞ্চ স্থাপন কৰা, পানীৰ সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ, স্বচ্ছতা আৰু স্বাস্থ্যৰ লগতে আয়ুষৰ (পৰম্পৰাগত চিকিৎসা) ক্ৰমাগত বৰ্ধিত প্ৰভাৱ। এয়া হৈছে সেই নতুন ভাৰত যিখন ভাৰতবৰ্ষত শক্তিশালী সংকল্পবোৰ পূৰণ কৰিবলৈ কৰা প্ৰচেষ্টাই সফলতা লাভ কৰিবলৈ নিশ্চিতভাৱে সক্ষম হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাহেকীয়া ৰেডিঅ’ বাৰ্তালাপৰ কিয়দংশ আপোনালোকৰ বাবে আগবঢ়োৱা হ’লঃ

- **পানীৰ সংৰক্ষণঃ** আমি পানীৰ সংৰক্ষণ, পুনঃ ব্যৱহাৰ, বৰষুণৰ পানী সংৰক্ষণ আদি বিভিন্ন পন্থাৰে মূলত পানীৰ সুব্যৱস্থাপনা তথা ব্যৱহাৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে। মুপট্টমৰ শ্ৰী নাৰায়ণে গৰমৰ দিনবোৰত পশু-পক্ষীক মাটিৰ বাচনত পানী দি আহিছে, অৰুণ কৃষ্ণমূৰ্তিয়ে নিজৰ অঞ্চলটোৰ পুখুৰী তথা জলাশয়বোৰ চাফা কৰাৰ কামত ব্যস্ত আছে, মহাৰাষ্ট্ৰৰ ৰোহন কালেই চিৰি থকা পুৰণি কুঁৱাবোৰ পৰিস্কাৰ কৰাৰ ওপৰত গুৰুত্ব দিছে। আনহাতে পুৰীৰ ৰাহুল মহাৰাণাই দেওবাৰে দেওবাৰে পুৰীৰ তীৰ্থ স্থানবোৰত গৈ প্লাষ্টিক সংগ্ৰহ কৰি পৰিস্কাৰ কৰাৰ কাম কৰি আছে।
- **আয়ুসঃ** পৰম্পৰাগত চিকিৎসা ব্যৱস্থা আয়ুষৰ প্ৰভাৱ বিশ্বত নিতৌ বৃদ্ধি পাবলৈ ধৰিছে। এতিয়া আয়ুস উৎপাদন খণ্ড প্ৰায় ১.৪ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। আনহাতে উদ্ভাৱনৰ ক্ষেত্ৰত কপিৱা, নিৰোগ ষ্ট্ৰীট আৰু অত্ৰেয় ইন’ভেশ্বন ষ্টাৰ্টআপবোৰে নাম কৰিবলৈ সক্ষম হৈছে।
- **স্বাস্থ্যঃ** স্বাস্থ্যখণ্ডক লৈ সজাগতা সৃষ্টি কৰাৰ বাবে ৭ এপ্ৰিল তাৰিখে বিশ্ব স্বাস্থ্য দিৱস পালন কৰিব। বিগত সপ্তাহত কটাৰত আয়োজিত এখন যোগ সন্মিলনত ১১৪ দেশৰ প্ৰতিনিধিয়ে অংশ লৈ নতুন বিশ্ব ৰেকৰ্ড স্থাপন কৰিছে।
- **ৰপ্তানিত অভিলেখঃ** ভাৰতে অলপতে ৪০০ বিলিয়ন ডলাৰৰ ৰপ্তানিৰ সূচক অতিক্ৰম কৰি অভিলেখ ৰচনা কৰিছে। এয়া নিশ্চিতভাৱে ভাৰতৰ আত্মনিৰ্ভৰশীলতা আৰু সামৰ্থৰ পৰিচয়। এতিয়া দেশৰ সামগ্ৰী বিশ্বৰ সকলো স্থানতেই লাভ কৰিবলৈ সক্ষম হৈ পৰিছে। লাডাখৰ বিশ্বপ্ৰসিদ্ধ এপ্ৰিকোট ডুবাইত লাভ কৰিব, লগতে তামিলনাডুৰ পৰা পঠোৱা কলৰ চিপছো লাভ কৰিব। নতুন নতুন সামগ্ৰী দেশৰ কৃষিজাত উৎপাদন এতিয়া সকলোতে উপলব্ধ।
- **ক্ষুদ্ৰ ব্যৱসায় আৰু জেমঃ** জেম পৰ্টেলৰ চৰকাৰৰ লেনদেন বৃদ্ধি কৰাই নহয়, এই ব্যৱস্থাই সমগ্ৰ দেশত ক্ৰেতা-বিক্ৰেতাৰ চাহিদা বৃদ্ধি কৰিছে, ব্যৱসায় বৃদ্ধি কৰিছে। ২০২১-২২ বিত্তীয় বৰ্ষত ১ লাখ কোটি টকাৰ সামগ্ৰী কিনা-বেচা হৈছে।
- **স্বচ্ছতাঃ** স্বচ্ছতাৰ ওপৰত বিশেষ গুৰুত্ব দি আহক আমি সকলোৱে পানী যোদ্ধা হোৱাৰ সংকল্প লওঁ।
- **এক ভাৰত-শ্ৰেষ্ঠ ভাৰতঃ** গুজৰাটৰ পোৰবন্দৰত অনুষ্ঠিত মাধৱপুৰ মেলা এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ সমাগমস্থলী হয়। পশ্চিমৰ সৈতে পূবৰ সম্পৰ্ক দৰ্শোৱা এই মেলাত ভগৱান শ্ৰীকৃষ্ণৰ বিবাহ পূবৰ ৰাণী ৰুক্মিনীৰ লগত হোৱা কথাটো প্ৰদৰ্শন কৰা হয়।
- **কন্যা শিক্ষাঃ** মহাত্মা ফুলে আৰু সাৱিত্ৰীবাঈ ফুলেই বিদ্যালয় খুলি মহিলা শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। সমাজৰ প্ৰগতিৰ বাবে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছে।
- **পদ্ম সন্মানঃ** পদ্ম বঁটা অনুষ্ঠানত বাবা শিৱানন্দক নিশ্চয় দেখিছিল। ১২৬ বছৰীয়া ব্যক্তিগৰাকীৰ স্ফুৰ্তি দেখি মোৰ লগতে সকলো আচৰিত হৈ পৰিছিলোঁ। তেওঁক প্ৰণাম।

সম্পৰ্ণ মন কী বাত শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক।

# নিউ ইণ্ডিয়া সমাচাৰ

দ্বিতীয় বছৰ, সংখ্যা ২০ ১৬-৩০ এপ্ৰিল, ২০২২



**সম্পাদক**
**জয়দীপ ভাটনাগৰ,**
মুখ্য সঞ্চালক প্ৰধান,
প্ৰেছ ইনফ'ৰমেশ্বন ব্যুৰ'
নতুন দিল্লী

**জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক**
**সন্তোষ কুমাৰ**

**জ্যেষ্ঠ সহায়ক পৰামৰ্শদাতা সম্পাদক**
**বিভোৰ শৰ্মা**

**সহায়ক পৰামৰ্শদাতা সম্পাদক**
**চন্দন কুমাৰ চৌধুৰী**

**ভাষা সম্পাদকসকল**
শোণিত কুমাৰ গোস্বামী (অসমীয়া),
সুমিত কুমাৰ (ইংৰাজী),
অনিল পেটেল (গুজৰাটী),
নাদিম আহমেদ (উৰ্দু),
বিনয়া পি.এছ.(মালায়লম),
পৌলমী ৰক্ষিত(বাংলা)
হৰিহৰ পাণ্ডা (ওড়িয়া)

**জ্যেষ্ঠ ৰূপাংকনকৰ্তা**
**শ্যাম শংকৰ তিৱাৰী**
**ৰবীন্দ্ৰ কুমাৰ শৰ্মা**

**ৰূপাংকনকৰ্তা**
দিব্যা তলৱাৰ
অভয় গুপ্তা




**১৩ টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ এই লিংকলৈ যাওঁক-**

https://newindiasamachar.pib.gov.in/news.aspx

**নিউ ইণ্ডিয়া সমাচাৰৰ পুৰণি সংস্কৰণ পঢ়িবলৈ-**

https://newindiasamachar.pib.gov.in/archive.aspx

## ভিতৰৰ পৃষ্ঠাবোৰত...

## বাজেটত গতি, ৰাষ্ট্ৰৰ প্ৰগতি




**প্ৰচ্ছদ লেখা** বাজেট ৱেবিনাৰৰ মাধ্যমত ব্যক্তিগত খণ্ড আৰু অন্যান্য অংশীদাৰৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক অনুষ্ঠিত হৈছে যাতে চৰকাৰ নহয়, দেশৰ প্ৰতিজন নাগৰিকে বাজেটৰ লাভ পাব পাৰে। **১৬-১৯**

**ধ্বজ্জাবাহক আঁচনি খেল' ইণ্ডিয়াঃ**
**প্ৰতিভাবোৰে লাভ কৰিছে পৰিচয়, সুবিধা**



প্ৰতিভা আৰু সম্ভাৱনা সন্ধানৰ কাৰ্যসূচী খেল' ইণ্ডিয়াৰ ৬ বছৰ। **৩৮-৩৯**

**স্বাধীনতাৰ অমৃত মহোৎসৱ**
**ভাৰতৰ স্বাধীনতা আন্দোলনৰ বাবে যেতিয়া শতাধিক বীৰ সেনানীয়ে প্ৰাণ আহুতি দিছিল**



স্বাধীনতাৰ অমৃত মহোৎসৱ শিতানত এইবাৰ পঢ়ক মণিপুৰৰ খোংজোম আৰু ওড়িশ্যাৰ সেনানীৰ কথা... **৪১-৪৪**


**গ্ৰামাঞ্চলৰ জনপ্ৰতিনিধিৰ সংকল্পৰে সমৃদ্ধি**
পঞ্চায়তীৰাজ দিৱসত প্ৰধানমন্ত্ৰীয়ে দিয়া ভাষণৰ আধাৰত বিশেষ লেখা। **৪-৫**

**সংক্ষিপ্ত খবৰ। ৬-৭**

**মহিলা সবলীকৰণৰ ভেটি শক্তিশালী কৰা ব্যক্তি**
পঢ়ক ভাৰতৰত্ন ধণ্ডো কেশৱ কৰ্বেৰ কথা। **৮**

**'খাদ্য সুৰক্ষা' আৰু কেন্দ্ৰীয় কৰ্মচাৰীৰ কথা**
কেবিনেট সিদ্ধান্তবোৰ। **৯**

**ভাৰতীয় ঐতিহ্যবোৰ পুনৰাই দেশৰ হাতত**
অষ্ট্ৰেলিয়াৰ পৰা অহা ২২৮ অমূল্য ঐতিহ্য। **১০-১১**

**পৰীক্ষাবোৰ উৎসৱ হ'লে সেইবোৰ আনন্দময় হয়**
পৰীক্ষাৰ চৰ্চাত প্ৰধানমন্ত্ৰীয়ে দিলে পৰীক্ষাৰ মন্ত্ৰ। **১২-১৪**

**হিংসা আৰু অৰাজকতাৰ বিৰুদ্ধাচৰণ আমাৰ কৰ্তব্য**
শ্ৰীশ্ৰী হৰিচন্দ্ৰ ঠাকুৰৰ ২১১সংখ্যক জয়ন্তীত প্ৰধানমন্ত্ৰী। **১৫**

**প্ৰগতিৰ সংগী**
ভাৰত-জাপান চতুৰ্দশ শীৰ্ষ সন্মিলন। **৩০-৩১**

**সলনি হোৱা জীৱনবোৰ**
মধ্যপ্ৰদেশত ৫.২৫ লাভ হিতাধিকাৰীলৈ ঘৰ। **৩২-৩৩**

**নতুন ভাৰতৰ পদ্ম**
ৰাষ্ট্ৰপতিৰ দ্বাৰা পদ্ম পুৰস্কাৰ প্ৰদান। **৩৪-৩৫**

**কোভিড বিধি শিথিল**
কোভিডৰ বিৰুদ্ধে চলি থকা যুদ্ধখনৰ শেহতীয়া খবৰ। **৩৬-৩৭**

**গুৰুকুল পৰম্পৰাৰ কথা**
এছজিবিপি গুৰুকুলৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী। **৪০**



**প্ৰকাশক আৰু মুদ্ৰকঃ** সত্যেন্দ্ৰ প্ৰকাশ, মুখ্য সঞ্চালক প্ৰধান, বিঅ'চি (ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্বন। **মুদ্ৰণঃ** আৰাৱলী প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, ডাব্লিউ-৩০, অ'খলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, ফেজ-২, দিল্লীঃ ১১০০২০। **যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ** কোঠা নং-২৭৮, ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন, দ্বিতীয় মহলা, সূচনা ভৱন নতুন দিল্লীঃ ১১০০০৩। **মেইল-** response-nis@pib.gov.in। **RNI No. :** DELASS/2020/78827

# সম্পাদকীয় কলম...

**उद्यमेन हि सिध्यन्ति कार्याणि न मनोरथैः।**

**न हि सुप्तस्य सिंहस्य प्रविशन्ति मुखे मृगाः।**

অৰ্থাৎ উদ্যমৰ জৰিয়তেহে কাৰ্য সফল হয়, কেৱল মনৰ ইচ্ছাৰ বলত নহয়। যিদৰে শুই থকা সিংহৰ ওচৰলৈ হৰিণ নিজে নাহে তাৰ বাবে সিংহই পৰিশ্ৰম কৰিব লাগিব।

সাদৰ নমস্কাৰ।

সাধাৰণ বাজেটৰ কথাই হওক বা অন্য আঁচনিবোৰক কাৰ্যকৰী কৰাৰ কথাই হওক, সংকল্পবোৰ সাৰ্থক কৰাৰ বাবে পৰিশ্ৰম কৰাটোৱেই কেন্দ্ৰ চৰকাৰৰ নীতিবোৰৰ আধাৰ হয়। স্বাধীনতাৰ পাছৰ পৰা সংসদৰ মজিয়াত বাজেট উত্থাপন কৰা তথা এই সম্পৰ্কত বাজেট উত্থাপনৰ পূৰ্বে বিজ্ঞজনৰ সৈতে আলোচনা কৰাৰ পৰম্পৰা আছিল। কিন্তু যি সময়ত দেশে স্বৰ্ণময় কাল তথা স্বাধীনতাৰ এটা শতিকাৰ কথা আলোচনা কৰিছে তেনে সময়ত সংকল্পবোৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত কেৱল বাজেট পূৰ্বালোচনাই কথাবোৰ সম্ভৱ কৰি তুলিব নোৱাৰে। ইয়াৰ পৰিপ্ৰেক্ষিটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ স্বৰ্ণময় কালৰ স্বপ্ন সাৰ্থক কৰাৰ প্ৰচেষ্টাৰে এক নতুন পৰম্পৰা আৰম্ভ কৰিছে। এই পৰম্পৰা হৈছে বাজেটৰ পাছত হিতাধিকাৰীৰ সৈতে আলোচনা আৰু সমণ্বয়। বাজেট সংস্কাৰৰ সৈতে এই নতুন পৰম্পৰাই আশানুৰূপ ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। বিগত বৰ্ষৰ দৰে এইবৰ্ষতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাজেটৰ ঘোষণাবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বাজেট কাৰ্যকৰীকৰণৰ অংশীদাৰসকলৰ সৈতে বাজেট ঘোষণাৰ প্ৰথম ত্ৰিমাসিকত মিলিত হৈ অধিকাংশ ঘোষণা কাৰ্যক্ষেত্ৰত বাস্তৱায়িত কৰাৰ বাবে কাম আৰম্ভ কৰা হৈছে।

২০৪৭ চনৰ স্বৰ্ণময় ভাৰতৰ বাবে যিদৰে সাধাৰণ বাজেটক প্ৰতিবছৰে আগবঢ়াই নিয়া হৈছে ঠিক তেনেদৰে বাজেট অংশীদাৰৰ সৈতে হোৱা আলোচনাক বিস্তাৰিত কৰি প্ৰধানমন্ত্ৰীয়ে ২০২২-২৩ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটক প্ৰায় এক ডজন খণ্ডত বিভক্ত কৰি প্ৰায় ৪০ হাজাৰৰো অধিক হিতাধিকাৰীৰ সৈতে মন্থন কৰে। ইয়াৰ উদ্দেশ্য হৈছে সম্ভাৱনাবোৰৰ উচিত ব্যৱহাৰ কৰি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ মাজত বিকাশৰ ৰাষ্ট্ৰীয় সেতু নিৰ্মাণ কৰা। ইয়াৰ জৰিয়তে উদ্যোমী ভাৰতীয় ব্যৱসায়ীসকলে নিজৰ স্বদেশী উৎপাদিত সামগ্ৰীৰ ওপৰত গৰ্ব কৰিব পাৰে আৰু উপভোক্তাইও প্ৰেৰণা লাভ কৰক। সকলোৰে প্ৰচেষ্টাত (#সবকাপ্ৰয়াস) কিদৰে ৰাষ্ট্ৰৰ বিকাশৰ মহত্বপূৰ্ণ অংশ হৈ পৰিছে তাৰ ওপৰত বিশ্লেষণ কৰি এইবাৰৰ প্ৰচ্ছদ লেখা তৈয়াৰ কৰা হৈছে।

এই সংখ্যাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ শক্তিশালীকৰণ আৰু এই ক্ষেত্ৰত লোৱা হোৱা প্ৰচেষ্টাৰ ওপৰত বিশেষ লেখা, খেল' ইণ্ডিয়া আঁচনিৰ জৰিয়তে ক্ৰীড়া খণ্ডত বিপ্লৱ, বিশ্ব ঐতিহ্য দিৱস উপলক্ষে ভাৰতৰ পৰা বিশ্বৰ বিভিন্ন প্ৰান্তলৈ চুৰি হৈ যোৱা ঐতিহ্যবোৰ পুনৰাই দেশলৈ ঘূৰি অহাৰ গৌৰৱপূৰ্ণ লেখা আছে। ইয়াৰ লগতে ভাৰত ৰত্নৰে সন্মানিত ডাঃ ধণ্ডো কেশৱ কৰ্ভে, অমৃত মহোৎসৱ শিতানত বিপ্লৱ হোৱা ঠাইবোৰক স্মৰণ, ভাৰত-জাপান সম্পৰ্কৰ শক্তিশালীকৰণ আৰু লগতে অন্যান্য নিয়মীয়া শিতানবোৰ আছে। আপোনালোকে নিউ ইণ্ডিয়া সমাচাৰ পঢ়ি থাকক আৰু আমালৈ পৰামৰ্শবোৰ response-nis@pib.gov.in লৈ প্ৰেৰণ কৰক।

**অসমীয়া, ইংৰাজী, হিন্দীৰ লগতে অন্য ১০ টা ভাষাত নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ/ডাউনলোড কৰিবলৈঃ**

https://newindiasamachar.pib.gov.in/news.aspx

**(জয়দীপ ভাটনাগৰ)**

# পত্ৰালাপ...




## সকলো তথ্যৰ ভাণ্ডাৰ হৈছে "নিউ ইণ্ডিয়া সমাচাৰ"

পানীয়েই আমাৰ জীৱনৰ আধাৰ হয় আৰু এই কথাটোক সুবিস্তাৰৰে বিশ্লেষণ কৰি নিউ ইণ্ডিয়া সমাচাৰৰ ১৬-৩১ মাৰ্চৰ সংস্কৰণৰ প্ৰচ্ছদ লেখাই উচিত তথ্য আগবঢ়াইছে। এই বিষয়ত কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ বিশেষ লেখাও প্ৰশংসনীয়। ইন্টাৰনেশ্ব'নেল হেপ্পিনেছ ডে'ৰ সন্দৰ্ভত অনেক মুখলৈ হাঁহি অহা, প্ৰযুক্তিগত বস্ত্ৰ উদ্যোগৰ খণ্ডত আত্মনিৰ্ভৰশীলতাৰ আৰম্ভণি, জলবায়ু ন্যায় হৈছে পৰিৱেশ সংৰক্ষণৰ বিকল্প, মহাদেৱী বৰ্মাৰ জীৱন পৰিচয় উল্লেখনীয় আছিল। এই পষেকীয়া আলোচনী প্ৰকৃতাৰ্থত তথ্যৰ ভাণ্ডাৰ।

**চৌধুৰী শক্তি সিং**
**shaktisinghadv@gmail.com**

## শুদ্ধ খবৰ থকা আলোচনী হৈছে "নিউ ইণ্ডিয়া সমাচাৰ"

কেন্দ্ৰ চৰকাৰৰ সৈতে জড়িত হৈ থকা তথ্যবোৰৰ বিষয়ে জানিবলৈ আকৰ্ষণীয় আৰু সৰল আলোচনী হৈছে নিউ ইণ্ডিয়া সমাচাৰ। এয়া হৈছে সেইবোৰ তথ্য যিবোৰ কোনো এক সময়ত সকলোৰে প্ৰয়োজনত আহে। বিভিন্ন খণ্ডৰ ইমানখিনি তথ্য এটা ঠাইতে পোৱাৰ ব্যৱস্থা হোৱাৰ বাবে নিউ ইণ্ডিয়া সমাচাৰ এখন ভাল আলোচনীৰূপে বিবেচিত হৈ পৰিছে। আমি এই আলোচনীৰ জৰিয়তে সকলো তথ্য লাভ কৰোঁ বাবে এয়া ভাল লাগে।

**শৈলেন্দ্ৰ কুমাৰ চোনি।**

## আলোচনীখন অত্যন্ত আকৰ্ষণীয় আৰু উপযোগী

নিউ ইণ্ডিয়া সমাচাৰৰ ১৬-৩১ মাৰ্চ সংখ্যাত পানীৰ সুব্যৱস্থাপনা সন্দৰ্ভত পঢ়িলোঁ। আপোনালোকৰ দ্বাৰা প্ৰকাশিত এই আলোচনী যথেষ্ট সৰল হোৱাৰ লগতে তথ্য সমৃদ্ধ হৈছে। ইয়াৰ জৰিয়তে প্ৰতিটো বৰ্গৰ পাঠকশ্ৰেণী উপকৃত হ'ব পাৰিছে। এনেই চাবলৈ গ'লে ইয়াৰ প্ৰতিটো সংখ্যা নিজৰ মাজতেই পূৰ্ণ কিন্তু এই সংখ্যাটোৰ ছায়াবাদৰ মীৰা-মহাদেৱী বৰ্মা শীৰ্ষক লেখাটো পঢ়ি আপ্লুত হৈ পৰিছোঁ। মহাদেৱী বৰ্মা আজিৰ মহিলাসকলৰ বাবে প্ৰেৰণা হয়। মহাদেৱী বৰ্মাৰ জীৱন গাঁথাই সকলোকে অনুপ্ৰাণিত কৰিবলৈ সক্ষম।

**সঞ্জয় কালা**
**sanjay_kala7s@rediffmail.com**

## সুন্দৰ প্ৰচ্ছদ আলোকচিত্ৰ তথা নিবন্ধ

এই সংখ্যাটোত মই মূলত প্ৰচ্ছদ পৃষ্ঠাত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পানী দি থকা ফটোখন ভাল লাগিছে। এই সংখ্যাত ছায়াবাদৰ মীৰা শীৰ্ষক মহাদেৱী বৰ্মাৰ জীৱন সন্দৰ্ভত লেখাটো যথেষ্ট আকৰ্ষণীয় হৈছে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীৰ দ্বাৰা নদী সংযোগীকৰণৰ আঁচনি সন্দৰ্ভত জানিবলৈ পাইছোঁ। আপোনালোকৰ সম্পূৰ্ণ দলটোক ধন্যবাদ জনাইছোঁ।

**শ্ৰীগোপাল শ্ৰীবাস্তৱ**
**shrigopal6@gmail.com**

## নাৰীৰ শক্তিৰ ওপৰত আধাৰিত সংখ্যাটো আকৰ্ষণীয় আছিল

প্ৰতিখন দেশৰ দুখন পাখি থাকে। এখন হৈছে নাৰী আৰু আনখন হৈছে পুৰুষ। কোনো এখন দেশৰ উন্নয়ন কেৱল এখন পাখিৰ চালনাৰ দ্বাৰা সম্ভৱ নহয়। মহিলাসকল বিকাশৰ মুখ্য আধাৰ হয়। তেওঁ পৰিয়াল, সমাজ আৰু দেশৰ প্ৰগতিত মুখ্য ভূমিকা পালন কৰে। নিউ ইণ্ডিয়া সমাচাৰৰ ১-১৫ মাৰ্চ, ২০২২ৰ মহিলা বিষয়ক সংখ্যাটো আকৰ্ষণীয় হৈছে। এই সংখ্যাৰ বাবে নিউ ইণ্ডিয়া সমাচাৰৰ সমূহ সদস্যক ধন্যবাদ জনাইছে।

**বীৰেন্দ্ৰ বিশ্বকৰ্মা।**
**virendrakbpl@gmail.com**

**যোগাযোগৰ ঠিকনা আৰু ই-মেইলঃ** কোঠা নং-২৭৮, ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড ক'মিউনিকেশ্বন, দ্বিতীয় মহলা, সূচনা ভৱন নতুন দিল্লীঃ ১১০০০৩। **মেইল-** response-nis@pib.gov.in

# "গ্ৰাম্য জনপ্ৰতিনিধিৰ সংকল্পৰে সম্ভৱ হৈ পৰিব সমৃদ্ধি"



**নৰেন্দ্ৰ মোদী**
**প্ৰধানমন্ত্ৰী**

সংসদীয় গণতন্ত্ৰত লোকসভাৰ গুৰুত্ব যিমান, গ্ৰাম পঞ্চায়তৰো সিমানেই গুৰুত্ব আছে। যদিহে লোকসভাই দেশৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে তেন্তে গ্ৰাম পঞ্চায়তে গ্ৰামাঞ্চলৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে। ৰাষ্ট্ৰপিতি মহাত্মা গান্ধীয়ে কৈছিল, "গাঁৱত স্বচ্ছতা, গাঁৱত শিক্ষা, গাঁৱত আৰোগ্য, গাঁও অসম্পৃশ্যতাৰ পৰা মুক্তি, গাঁৱত কৰ্মসংস্থাপন, স্বাৱলম্বীতাৰ মূল আধাৰ হৈছে গাঁও।" বিগত কেইটামান বছৰৰ ভিতৰত অন্তোদয়াৰ সিদ্ধান্তবোৰ সাৰ্থক কৰি শেষৰজন ব্যক্তিলৈ আঁচনিবোৰৰ লৈ যোৱাৰ কামবোৰে পঞ্চায়তবোৰত শক্তিশালী কৰি তুলিছে। পঞ্চায়তী ৰাজ দিৱস ২৪ এপ্ৰিল তাৰিখে পালন কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৱধাৰা প্ৰকাশ কৰা হৈছে...

> "গ্ৰাম পঞ্চায়ত আমাৰ গণতন্ত্ৰৰ উমৈহতীয়া শক্তি। আমাৰ ইয়াত কোৱা হৈছে, 'সংঘমূলম মহাবলম্'। অৰ্থাৎ বৃহৎ শক্তিৰ কেন্দ্ৰবিন্দু উমৈহতীয়া শক্তিত নীহিত হৈ থাকে।"

মই পঞ্চায়তৰাজ দিৱসৰ শুভেচ্ছা জনাইছোঁ। পঞ্চায়তৰাজ দিৱসৰ এই দিনটো গ্ৰামাঞ্চলৰ ভাৰতবৰ্ষৰ নৱনিৰ্মাণৰ সংকল্পবোৰ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত এক মহত্বপূৰ্ণ দিন। এয়া লগতে পূজনীয় মহাত্মা গান্ধীৰ স্বপ্ন পূৰণ কৰাৰো এটা দিন কিয়নো তেওঁ কৈছিল "ভাৰতৰ পৰিচয়, ভাৰতৰ গাঁৱবোৰত আছে", এই সংকল্পক আমি বাৰে বাৰে আওৰাই থাকিব লাগিব। মহাত্মা গান্ধীয়ে গ্ৰাম্য স্বৰাজৰ কল্পনা কৰিছিল। 'গ্ৰাম উদয়ৰ পৰা ৰাষ্ট্ৰ উদয়', এই বিচাৰে আমাক উদ্বুদ্ধ কৰি ৰাখিছে। বাপুজীয়ে সদায় গ্ৰামাঞ্চলৰ বিকাশ আৰু আত্মনিৰ্ভৰ গ্ৰামাঞ্চলৰ কথা উল্লেখ কৰি আহিছে। ২০২৩ চনৰ আগষ্টলৈ দেশে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰিব। আমি বাপুজীৰ গ্ৰামাঞ্চলৰ উন্নয়নৰ স্বপ্নক পূৰ্ণ কৰিব লাগে। এনে প্ৰেক্ষাপটত পঞ্চায়তৰাজ দিৱসৰ এই দিনটো আমাৰ গাঁও পঞ্চায়তবোৰৰ অংশগ্ৰহণ আৰু

এই পঞ্চায়তবোৰে কৰি থকা অসাধাৰণ কামকাজবোৰ পৰ্যালোচনা কৰা, বুজি পোৱা আৰু সেইবোৰ প্ৰশংসা কৰাৰ দিন হয়। আমাৰ দেশৰ প্ৰগতি আৰু সংস্কৃতিৰ নেতৃত্ব কেৱল আমাৰ গাঁৱবোৰে কৰিছে। ইয়াৰ বাবেই আজি দেশে নিজৰ প্ৰতিটো নীতি আৰু প্ৰচেষ্টাত গাঁও এলেকাক গুৰুত্ব দি কাম কৰিছে। আমাৰ এয়াই প্ৰচেষ্টা যে দেশৰ গাঁও শক্তিশালী হওক, আত্মনিৰ্ভৰশীল হৈ পৰক। ইয়াৰ বাবে পঞ্চায়তক বিশেষ গুৰুত্ব দিয়া হৈছে, ভূমিকা বৃদ্ধি কৰা হৈছে। ইয়াৰ অংশ স্বৰূপে চৰকাৰে গ্ৰামাঞ্চলক শক্তিশালী কৰাৰ বাবে ঘৰ, শৌচালয়, স্বাস্থ্য সেৱা, ঘৰে ঘৰে নলৰ জৰিয়তে পানী, স্বামিত্ব আঁচনিৰ সহায়ত ভূমিৰ ডিজিটেলকৰণ, উমৈহতীয়া সেৱা কেন্দ্ৰ, লক্ষাধিক গাঁৱলৈ ব্ৰডবেণ্ড ইন্টাৰনেট সেৱা, পথ আৰু ৰেলৰ জৰিয়তে যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। স্বাধীনতাৰ ৭২ বছৰৰ পাছতো গ্ৰামাঞ্চলৰ মাতৃ-ভগ্নীসকলে খোলা ঠাইত শৌচ কৰাৰ বিড়ম্বনা তথা খোৱা পানীৰ বাবে ঘৰৰ পৰা দূৰলৈ যোৱাৰ কষ্ট বিলোপ কৰাৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি শৌচাগাৰ নিৰ্মাণ কৰি মুকলিত শৌচ মুক্ত ভাৰত গঢ় দিয়াৰ প্ৰচেষ্টা হাতত লোৱাৰ সমান্তৰালকৈ ২০২৪ চনলৈ ঘৰে ঘৰে পানী যোগানৰ সুনিৰ্শ্চিতিৰ বাবে কাম কৰি আছে।

কেতিয়াবা কেতিয়াবা গ্ৰামাঞ্চলৰ বিকাশৰ কথা আলোচনা হ'লে বাজেটৰ কথা আলোচনা হয়। এটা সময় আছিল যেতিয়া বাজেটৰ ধন মুকলি নোহোৱাৰ বাবে উন্নয়ন স্থিৰৈ হৈ পৰিছিল কিন্তু এতিয়া এই কথাটো আলোচনা হয় যে বাজেটৰ ধন ক'ত কেনেকৈ খৰচ হয়, কিমান পৰিমাণত খৰচ হৈছে। বাজেটৰ ধন সঠিকভাৱে ব্যয় হৈছে নে নাই?

মই যেতিয়া গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিলোঁ তেতিয়া এটা ঘটনাই মোক যথেষ্ট আলোড়িত কৰিছিল। গুজৰাটৰ খেড়া জিলাৰ কথা, চৰ্দাৰ বল্লৱ ভাই পেটেলৰ গৃহ জিলাৰ কথা। ইয়াৰ এখন গাঁৱৰ পঞ্চায়ত প্ৰধানৰ আসনখন মহিলাৰ বাবে সংৰক্ষিত আছিল। এই কথাটোৰ বাবে গাঁওবাসীয়ে এই সিদ্ধান্ত লৈ পেলালে যে পঞ্চায়তৰ সকলো সদস্য মহিলা কিয় নহওক! সেয়েহে কোনো পুৰুষ সদস্যই পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা নাছিল। গতিকে সকলো মহিলা সদস্য নিৰ্বাচিত হৈ পৰিল। ২০০৫ নে ২০০৬ চনৰ কথা আছিল সেয়া, পঞ্চায়তত জয়ী হোৱাৰ পাছত পঞ্চায়ত প্ৰধানসহ অন্য সদস্যসকলে মোক সাক্ষাৎ কৰিবলৈ আহিছিল। পঞ্চম শ্ৰেণীলৈ পঢ়া পঞ্চায়ত প্ৰধানক মই প্ৰশ্ন কৰিছিলোঁ যে গাঁও কেনেকৈ চলাবা, তেতিয়া প্ৰধানে উত্তৰ দিছিল, আমি বিচাৰোঁ যে গাঁৱত এজনো দৰিদ্ৰ লোক নাথাকক। এই কথাই মোক চিন্তাৰ খোৰাক দিছিল। এই ধৰণৰ চিন্তাই গ্ৰামাঞ্চলৰ উন্নয়ন সম্ভৱ কৰি তোলে। গ্ৰামাঞ্চলৰ উন্নয়নৰ পৰা নগৰ-চহৰ হৈ ৰাষ্ট্ৰ উন্নয়ন সম্ভৱ হৈ পৰিব বুলি আমি আশাবাদী।

## পঞ্চায়তত মহিলাৰ সংৰক্ষণৰ কথাটো বিশ্বৰ বাবে বিস্ময়কৰ

দেশত প্ৰায় ৩১ লাখ পঞ্চায়ত প্ৰতিনিধি আছে। ইয়াৰে অধিকাংশ হৈছে মহিলা। এই মহিলাসকলে নেতৃত্ব লৈছে। মহিলাৰ সংৰক্ষণৰ ক্ষেত্ৰত দেশে বিশেষ গুৰুত্বপূৰ্ণ সিদ্ধান্ত ইতিপূৰ্বে লৈ পেলাইছে। বিদেশত যেতিয়াই ভাৰতৰ পঞ্চায়ত ব্যৱস্থাৰ চৰ্চা হয় তেতিয়া সকলোৱে এই কথাটোত আচৰিত হয় যে কিদৰে দেশৰ ৰাজনৈতিক প্ৰেক্ষাপটত মহিলাসকলক বিশেষ গুৰুত্ব দিয়া হৈছে। অৱশ্যে আমি দেশত কেতিয়াবা শুনিবলৈ পাওঁ যে মহিলা পঞ্চায়ত প্ৰধানৰ আঁৰ লৈ তেওঁৰ স্বামীয়ে পঞ্চায়ত চলাই আছে, সুবিধা লৈ আছে। এয়া অনুচিত। মহিলাসকলক সুবিধা দিব লাগে, তেওঁলোকৰ নেতৃত্বত গাঁৱবোৰত পৰিৱৰ্তন আহিব।

## আপোনালোকে সংকল্প লওক, ভাৰত চৰকাৰে সহায় কৰিব

মই এই কথাটো ভাৱো যে দেশত এনে এগৰাকীও পঞ্চায়ত কৰ্মী নোলায় যিয়ে এয়া নিবিচাৰে যে তেওঁ কৰা কাম ভৱিষ্যৎ প্ৰজন্মই মনত নাৰাখক! গতিকে মই পঞ্চায়ত প্ৰতিনিধিৰ এই চিন্তাধাৰাক শক্তিশালী কৰিব বিচাৰোঁ যে তেওঁলোকে সংকল্প লওক আৰু সেয়া সম্পূৰ্ণ কৰাৰ বাবে কাম কৰি যাওক। এই প্ৰক্ৰিয়াত ভাৰত চৰকাৰ সদায় তেওঁলোকৰ লগত আছে। আমি যিখন গাঁৱত জন্ম হৈছোঁ সেই মাতৃভূমিৰ উন্নতি হোৱাটো আমি সকলোৱে বিচাৰোঁ। মহাত্মা গান্ধীয়ে ভাৰতৰ গাঁও এলেকাবোৰৰ উন্নয়নৰ বাবে সদায় কাম কৰিছিল।

## দেশৰ সকলো গাঁও হৈ পৰিব আত্মনিৰ্ভৰ

ভাৰত চৰকাৰে বৰ্তমান লৈ থকা বিভিন্ন পদক্ষেপবোৰে দেশৰ গ্ৰামাঞ্চলক আত্মনিৰ্ভৰ কৰাৰ দিশত পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই ক্ষেত্ৰত গ্ৰাম পঞ্চায়তৰ ভূমিকাও গুৰুত্বপূৰ্ণ। পঞ্চায়ত ব্যৱস্থা শক্তিশালী হৈ পৰিলে দেশৰ গণতন্ত্ৰও অধিক শক্তিশালী হৈ পৰিব। ই-গ্ৰাম স্বৰাজ পৰ্টেলে পঞ্চায়ত ৰাজ ব্যৱস্থা সকলো কামৰ হিচাপ কৰি আছে, ইয়াৰ ফলত কামবোৰত পাৰদৰ্শিতা বৃদ্ধি পাইছে। ●

**(এই বিশেষ লেখা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্চায়তৰাজ দিৱস উপলক্ষে পূৰ্বতে দিয়া ভাষণৰ পৰা সংগ্ৰহ কৰি লিখা হৈছে।)**



## আত্মনির্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ

# ৪০০ বিলিয়ন ডলাৰ ৰপ্তানিৰ লক্ষ্য প্ৰাপ্তি

কোভিডৰ দৰে শতিকাৰ অন্যতম ভয়াৱহ মহামাৰীৰ সময়ে যেতিয়া বিশ্বৰ বাবে যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল তেনে সময়ত ভাৰতে দুৰ্যোগৰ সময়ত উপায় সন্ধানৰ পথত ব্যস্ত হৈ কোভিড প্ৰত্যাহ্বানাক আত্মনিৰ্ভৰশীলতাৰ মন্ত্ৰৰে পৰাভূত কৰিছিল। নতুন লক্ষ্য নিৰ্ধাৰণ কৰা হয়, নতুন সংকল্প লোৱা হয় আৰু তাৰ পৰিণামত ২০২১-২২ বিত্তীয় বৰ্ষ শেষ হোৱাৰ পূৰ্বেই দেশে ৰপ্তানিৰ ক্ষেত্ৰত ৪০০ বিলিয়ন (১ বিলিয়নঃ ১০০ কোটি) ডলাৰৰ লক্ষ্য অতিক্ৰম কৰি গৈছে। ভাৰতে কৰি অহা ৰপ্তানিৰ ইতিহাসত এয়া এক ডাঙৰ কৃতিত্ব। কোভিড মহামাৰীৰ সময়ত প্ৰধানমন্ত্ৰী মোদীৰ আত্মনিৰ্ভৰশীলতাৰ মিছনৰ অধীনত তেওঁ সকলো অংশীদাৰৰ সৈতে পোনপটীয়াকৈ বাৰ্তালাপত মিলিত হৈছিল। তেওঁ কেৱল ভাৰতীয় ব্যৱসায়ীসকলৰ লগতেই নহয় বিদেশত থকা ভাৰতীয় মিছনৰ সৈতেও কথোপকথনত মিলিত হৈছিল। প্ৰায় ২০০ খন দেশত হৈ থকা ব্যৱসায়ৰ ওপৰত তেওঁৰ নজৰ আছিল। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে এই ক্ষেত্ৰত নিৰন্তৰ নিৰীক্ষণ কৰি প্ৰায় প্ৰতি সপ্তাহতে ৰপ্তানি কৰা ব্যৱসায়ীসকলৰ সমস্যাৰ সমাধান বিচাৰিছিল। এই লক্ষ্য প্ৰাপ্তিৰ বাবে দেশৰ সম্ভাৱনা থকা ৰাজ্যবোৰ প্ৰথমে চিহ্নিত কৰা হৈছিল আৰু ৪৮০ খন জিলাক ৰপ্তানি নেটৱৰ্কৰ সৈতে সংযুক্ত কৰা হৈছিল যিবোৰৰ উৎপাদিত সামগ্ৰী বিদেশত প্ৰয়োজন হয়।

### শীৰ্ষৰ ৫ ৰপ্তানি সামগ্ৰী

- ইঞ্জিনিয়াৰিং সামগ্ৰী।
- পেট্ৰ'লিয়াম সামগ্ৰী।
- ৰত্ন আৰু অলংকাৰ।
- জৈৱিক/অজৈৱিক সাৰ।
- ঔষধ আৰু ফাৰ্মা সামগ্ৰী।

### শীৰ্ষৰ ৫ আমদানি কৰা দেশ

- আমেৰিকা যুক্তৰাষ্ট্ৰ।
- সংযুক্ত আৰৱ এমিৰেটছ।
- চীন।
- বাংলাদেশ।
- নেদাৰলেণ্ড।

ভাৰতে প্ৰথমবাৰৰ বাবে সামগ্ৰী ৰপ্তানিৰ ৪০০ বিলিয়ন ডলাৰৰ লক্ষ্য পূৰ্ণ কৰিছে। এই সফলতাৰ বাবে মই আমাৰ কৃষক, শিপিনী, এমএছএমই, নিৰ্মাতা আৰু ৰপ্তানিকৰ্তা সকলক অভিনন্দন জনাইছোঁ। আমাৰ আত্মনিৰ্ভৰশীল ভাৰত যাত্ৰাত এয়া এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি।
**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

## জি-ই-এম পৰ্টেলত এটা বছৰত অভিলেখ ১ লাখ কোটি টকাৰ অৰ্ডাৰ

এসময়ত চৰকাৰী বিভাগবোৰত ক্ৰয়-বিক্ৰয় প্ৰক্ৰিয়াক দুৰ্নীতিৰ কেন্দ্ৰ হিচাপে গণ্য কৰা হৈছিল। এতিয়া সেই অপবাদ আঁতৰ হৈছে। ২০১৬চনৰ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাৰদৰ্শিতাৰ দৃষ্টিভংগীৰে চৰকাৰী ই-মাৰ্কেট প্লেচ (গৱৰ্ণমেন্ট ই-মাৰ্কেটপ্লেচ) পৰ্টেল আৰম্ভ হৈছিল। সকলো চৰকাৰী ক্ৰয়ত এই পৰ্টেলৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হোৱাৰ ফলত এতিয়া দেশৰ যিকোনো কোণৰ পৰা এজন ব্যৱসায়ী বা নিৰ্মাতাইও ইয়াত সামগ্ৰী বিক্ৰী কৰিবলৈ নিজকে পঞ্জীয়ন কৰিব পাৰে। এই ক্ষুদ্ৰ পদক্ষেপ এতিয়া মাইলৰ খুঁটি হৈ পৰিছে। এই বৰ্ষত জি-ই-এম পৰ্টেলত ১ লাখ কোটি টকাৰ সৰ্বমুঠ অৰ্ডাৰ লাভ কৰা গৈছে। প্ৰধানমন্ত্ৰীয়ে এই কথাটোত সন্তুষ্টি ব্যক্ত কৰি টুইট কৰিছে, "বিগত বৰ্ষতকৈ এইবৰ্ষৰ পৰিসংখ্যা যথেষ্ট উন্নত। জি-ই-এম প্লেটফৰ্ম বিশেষত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগখণ্ডক শক্তিশালী কৰি আহিছে। মুঠ অৰ্ডাৰৰ ৫৭ শতাংশ এই খণ্ডৰ পৰাই আহিছে।" তথ্য অনুসৰি, ২০১৬-১৭ বিত্তীয় বৰ্ষত জি-ই-এম পৰ্টেলত ৪,২৯৯ পঞ্জীয়ন হোৱা বিক্ৰেতা আছিল, যি ২০২০-২১বৰ্ষত প্ৰায় ১৪ লাখ আৰু পৰৱৰ্তী বছৰত ৪০ লাখ অতিক্ৰম কৰিছিল। ক্ৰেতাৰ সংখ্যাও ২০২০-২১ বৰ্ষৰ ৫২,০০০ ৰ পৰা ২০২১-২২ বৰ্ষত ৫৯,০০০ অতিক্ৰম কৰিছিল। লগতে, প্ৰথমবাৰৰ বাবে, ১৬০ শতাংশ বৃদ্ধিৰ সৈতে, ২০২১-২২ বিত্তীয় বৰ্ষত এই মঞ্চত ১ লাখ কোটি টকাৰ অধিক অৰ্ডাৰ লাভ কৰা হৈছে।

## নদীৰ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব দিছে কেন্দ্ৰ চৰকাৰে, ১৩খন নদী তালিকাভুক্ত



বিশ্বত সভ্যতাৰ বিকাশ নদীৰ কাষতে হৈছে। নদীৰ আশে-পাশে গঢ় লৈ উঠা সভ্যাতাৰ বিস্তৃতি হৈছে। এই নদীবোৰৰ পৰাই ইতিহাসৰ সৃষ্টি হৈছে যদি এই নদীবোৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই আজিও বিশ্বৰ মানৱ সভ্যতা বৰ্তি আছে। ভাৰতবৰ্ষতো এই কথাটো ভিন্ন নহয়। কিন্তু আধুনিকতাৰ ধামখুমীয়াত নদীবোৰে নিজৰ প্ৰকৃত স্বৰূপ হেৰুৱাবলৈ আৰম্ভ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিটত কেন্দ্ৰ চৰকাৰে নদীৰ সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ লোৱাৰ যো-জা কৰিছে। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নমামী গংগেৰ জৰিয়তে গংগা নদীৰ সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰিছিল, আৰু এতিয়া ঝেলম, চিনাব, ৰাবী, ব্যাস, সতলুজ, যমুনা, ব্ৰহ্মপুত্ৰ, লুনী, নৰ্মদা, গোদাবৰী, মহানদী, কৃষ্ণা আৰু কাৱেৰীৰ সংৰক্ষণৰ সিদ্ধান্ত লৈছে। ১৪ মাৰ্চ তাৰিখে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ, কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে এই সন্দৰ্ভত বিশদ আলোচনা কৰাৰ লগতে পৰিকল্পনা যুগুত কৰিছে। এই নদীসমূহে দেশৰ ১৮,৯০,১১০ বৰ্গ কিঃমিঃ নদী কাষৰীয়া এলেকাক সামৰি লয় আৰু এয়া দেশৰ মুঠ ভৌগলিক এলেকাৰ ৫৭.৪৫ শতাংশ। এই ১৩ খন নদীৰ দুয়োকাষে প্ৰায় ২০ হাজাৰ কোটি টকাৰ ব্যয়ৰে বৃক্ষৰোপন কৰা হ'ব। ইয়াৰ ফলত ১০ বছৰত ৫০.২১ মিলিয়ন টন কাৰ্বন ডাই অক্সাইড শোধন হৈ পৰিব। পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ।

### আত্মনিৰ্ভৰ হোৱাৰ দিশত পুতুলা উদ্যোগ

## ৪ বছৰত ৬২ শতাংশ হ্ৰাস পাইছে পুতলাৰ আমদানি



শিশুৰ হাতত থকা পুতলা কেৱল খেলাৰ সামগ্ৰীয়েই নহয়, সেয়া হৈছে শিশুৰ মনস্তত্ব বিকাশৰ এক আহিলা। শাৰীৰিক আৰু মানসিক বিকাশৰ দিশত পুতলাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উদ্যোগটোত বিদেশী পুতলাৰ আধিপত্য আছিল। ভাৰতে দেশৰ বজাৰৰ বাবে পুতলা বহিঃ ৰাষ্ট্ৰৰ পৰা আমদানি কৰিবলগীয়া হৈছিল। কিন্তু প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছত নৰেন্দ্ৰ মোদীয়ে এই ক্ষেত্ৰত বিশেষ উদ্যোগ লৈছে আৰু এই পুতলা উদ্যোগ খণ্ডত দেশীয় উদ্যোগৰ প্ৰাধান্য বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ মন কী বাত ৰেডিঅ অনুষ্ঠানত ২০২০চনৰ জুন আৰু আগষ্টত পুতলা খণ্ডত ভাৰতক আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়। এই ক্ষেত্ৰত কেন্দ্ৰ চৰকাৰে দেশীয় উদ্যোগক সহায় কৰিবলৈ বিশেষ পদক্ষেপ যেনে টয়কাথন, টয় ফেয়াৰ, টয় ক্লাষ্টাৰ আদি নিৰ্মাণৰে উদগনি দিয়ে। ইয়াৰ ফলত প্ৰতিবছৰে পুতলাৰ আমদানি হ্ৰাস পাবলৈ ধৰিছে কিয়নো দেশত উৎপাদন বাঢ়িছে। লোকসভাত বাণিজ্য মন্ত্ৰণালয়ে দিয়া তথ্যমতে ২০১৮-১৯ বৰ্ষত পুতলাৰ আমদানি ৭,১২৫ কোটি হোৱাৰ বিপৰীতে ২০২১-২২ত (জানুৱাৰীলৈ) এয়া ২,৬৫৫ কোটি টকালৈ হ্ৰাস পাইছে।

## বাৰাণসী-গোৰখপুৰৰ মাজত পোনপটীয়া বিমান সেৱা




বাবা বিশ্বনাথৰ ভূমি বাৰাণসী আৰু বাবা গোৰখনাথৰ ভূমি গোৰখপুৰক এতিয়া বিমান সেৱাৰ জৰিয়তে সংযোগ কৰা হৈছে। উত্তৰ প্ৰদেশৰ এই দুখন প্ৰাচীন আৰু ঐতিহাসিক চহৰৰ মাজত বিমান সেৱা ২৭ মাৰ্চত আৰম্ভ হয়। এই সেৱা 'উড়ান' আঁচনিৰ অধীনত আৰম্ভ হয়। দুয়োখন চহৰৰ মাজৰ দূৰত্ব এতিয়া মাত্ৰ ২০ মিনিটত অতিক্ৰম কৰিব পৰা হৈছে। উড়ান আঁচনিৰ অধীনত সৰু নগৰ-চহৰক বিমানৰে সংযোগ কৰাৰ কাম চলি আছে। যোৱা ৫ বছৰত উড়ান আঁচনিৰ অধীনত ৪০৯টা বিমানপথ আৰু ৬৬টা বিমানবন্দৰ পৰিচালনা কৰা হৈছে আৰু ইয়াৰ পৰা ৯০লাখৰো অধিক লোক উপকৃত হৈছে। এই আঁচনিৰ অধীনত ১ লাখ ৭৫ হাজাৰৰো অধিক বিমান পৰিচালনা কৰা হৈছে। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে ২০২৫চনৰ ভিতৰত উড়ান আঞ্চলিক সংযোগ আঁচনিৰ অধীনত ১০০০ নতুন বিমান পথ আৰু দেশৰ মুঠ বিমানবন্দৰৰ সংখ্যা ১০০ লৈ বৃদ্ধি কৰাৰ বাবে অন্য ৩৪টা নতুন বিমানবন্দৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে। ●

# সমাজৰ পৰা বহিস্কৃত হৈও যিগৰাকীয়ে মহিলা সবলীকৰণৰ ভেটি শক্তিশালী কৰিছিল

মহাৰাষ্ট্ৰৰ এখন সৰু গাঁও মুৰুদত এদিন যথেষ্ট উৎসাহ আছিল। বৰোদাৰ ৰজাৰ এজন প্ৰতিনিধিয়ে চহৰখনৰ প্ৰতিজন ব্ৰাহ্মণক ১০ টকা দক্ষিণা দি আছিল। এই ঠাইৰে নিবাসী কেশৱ পন্ত কৰ্ভেৰ ডাঙৰ পুত্ৰ ভিকুৱে যেতিয়া এই কথা শুনিছিল তেতিয়া তেওঁ দক্ষিণা ল'বলৈ যাবলৈ মাকক জোৰ দিছিল। তেতিয়া তেওঁৰ মাকে কৈছিল, এটা সময় এনেকুৱা আছিল যেতিয়া আমাৰ পৰিয়ালে বৰোদাৰ মহাৰাজাক ঋণ দিছিল। আমিও দক্ষিণা ল'বলৈ আৰম্ভ কৰিলে আমাৰ স্বাভিমান ক'ত থাকিব। সেই সময়ত তেওঁ শান্ত হৈ পৰিছিল কিন্তু আত্মসন্মানৰ শিকনি লাভ কৰা এই কিশোৰ পাছলৈ ডাঃ ধোণ্ডে কেশৱ কৰ্ভে নামেৰে বিখ্যাত হৈ পৰে আৰু যিগৰাকীয়ে মহিলা সবলীকৰণৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল।

**জন্মঃ ১৮ এপ্ৰিল, ১৮৫৮, মৃত্যুঃ ৯ নৱেম্বৰ, ১৯৬২**



মহাৰাষ্ট্ৰ ৰত্নাগিৰি জিলাৰ শ্বেৰাৱলী গাঁৱত ডাঃ ধোণ্ডে কেশৱ কৰ্ভেৰ জন্ম ১৮৫৮ চনৰ ১৮ এপ্ৰিল তাৰিখে হৈছিল। ১৮৮১ চনত মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পাছত তেওঁ মুম্বাইৰ এলফিনষ্টন কলেজত নামভৰ্তি কৰে। ১৮৯১ চনত তেওঁ পুণেৰ প্ৰসিদ্ধ ফাৰ্গুছন কলেজত গণিত বিষয় পঢ়াবলৈ আৰম্ভ কৰে। সেই সময়ত দেশত স্বাধীনতা আন্দোলন কাৰ্যসূচী আৰম্ভ হৈ পৰিছিল। কৰ্ভে ৰাজা ৰামমোহন ৰায়, ইশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বিষ্ণু শাস্ত্ৰী, পণ্ডিত ৰমাবাঈ আৰু জ্যোতিবাৰ ফুলেৰ দৰে সমাজ সংস্কাৰকসকলৰ সংস্পৰ্শলৈ আহে। ইয়াৰ পৰিপ্ৰেক্ষিটত তেওঁ নাৰী শিক্ষা বিশেষত বিধৱাৰ স্থিতি উন্নত কৰাৰ কামত ব্ৰতী হৈ পৰে। উল্লেখ্য যে মাথোঁ ১৪ বছৰ বয়সত তেওঁৰ বিবাহ ৰাধাবাঈৰ লগত হৈছিল। কিন্তু সন্তান প্ৰসৱৰ সময়ত ১৮৯১ চনত ৰাধাবাঈৰ মৃত্যু হয়, এই ঘটনাই ধোণ্ডে কৰ্ভেৰ জীৱনত বিশেষ প্ৰভাৱ পেলায়।

**তেওঁ ভাৰতবৰ্ষতো মহিলাৰ বিশ্ববিদ্যালয় খোলাৰ বাবে মন বান্ধে আৰু সেই উদ্দেশ্য বিশ্ববিদ্যালয়ৰ পুঁজিৰ বাবে দেশ-বিদেশ ভ্ৰমণ কৰে**

ইয়াৰ পিছত কৰ্ভেই বাল্য বিবাহ, কম বয়সত গৰ্ভধাৰণ আদিৰ লগতে শিশু-বিধৱাৰ দৰে বিষয়ৰ ওপৰত কাম কৰাৰ লগতে ১৮৯৩ চনত তেওঁ বিধৱা পুনঃ বিবাহৰ বাবে কমিটি গঠন কৰে। উদাহৰণৰ বাবে তেওঁ নিজেই বন্ধুৰ বিধৱা ভগ্নী গডুবাইৰ সৈতে বিয়া হয়। ইয়াৰ বাবে কৰ্ভেক সমাজৰ পৰা বহিষ্কাৰ কৰা হয়। ইয়াৰ পিছত, তেওঁ পুণেৰ হিংগনে ঠাইত বিধৱাসকলৰ বাবে দেশৰ প্ৰথমখন বিদ্যালয় আৰম্ভ কৰে। কৰ্ভেৰ বিধৱা বৌ পাৰ্বতী অঠৱালে এই বিদ্যালয়ৰ প্ৰথম ছাত্ৰী আছিল। ইয়াৰ পাছত তেওঁ ১৯০৭ চনত পুণেত মহিলা বিদ্যালয়ো স্থাপন কৰে। কৰ্বেৰ প্ৰচাৰ ইমানেই বৃদ্ধি পাইছিল যে তেওঁৰ কথা সেই সময়ত দক্ষিণ আফ্ৰিকাত থকা মহাত্মা গান্ধীয়ে নিজৰ সাপ্তাহিক কাকত "ইণ্ডিয়ান অপিনিয়নত" লিখিছিল। ১৯১৪ চনত তেওঁ নিজৰ চাকৰিৰ পৰা অব্যাহতি লৈ সম্পূৰ্ণৰূপে সামাজিত কামকাজত মনোনিৱেশ কৰে। জাপানৰ টকিঅ'ত মহিলাৰ বিশ্ববিদ্যালয় থকাৰ কথা শুনি তেওঁ ভাৰতবৰ্ষতো মহিলাৰ বিশ্ববিদ্যালয় খোলাৰ বাবে মন বান্ধে আৰু সেই উদ্দেশ্য বিশ্ববিদ্যালয়ৰ পুঁজিৰ বাবে দেশ-বিদেশ ভ্ৰমণ কৰে। প্ৰায় ২.৫ লাখ টকাৰে তেওঁ বিশ্ববিদ্যালয় স্থাপনৰ কাম আৰম্ভ কৰে যদিও ধনৰ অভাৱত সেয়া স্তৱিৰপ্ৰায় হৈ পৰিছিল। কিন্তু উদ্যোগপতি বিঠ্ঠলদাস দামোদৰ ঠাকৰাসীয়ে এই বিশ্ববিদ্যালয় সম্পূৰ্ণ কৰাৰ বাবে ১৫ লাখ টকা দিয়ে। মাত্ৰ ৫ জন শিক্ষাৰ্থীৰ সৈতে ১৯১৬চনত এই বিশ্ববিদ্যালয় আৰম্ভ হয়। আজি ২৬খন কলেজৰ সৈতে এই বিশ্ববিদ্যালয় সহস্ৰাধিক শিক্ষাৰ্থী আছে। কৰ্ভেই মহিলা শিক্ষা, সবলীকৰণৰ লগতে জাতিভেদ কুপ্ৰথাৰ বিৰুদ্ধেও মাত মাতিছিল। গ্ৰামাঞ্চলত শিক্ষাৰ প্ৰচাৰৰ বাবে তেওঁ মহাৰাষ্ট্ৰ গ্ৰাম প্ৰাথমিক শিক্ষা সমিতি গঠন কৰিছিল। এই সমিতিয়ে ৪০খনো অধিক প্ৰাথমিক বিদ্যালয় খুলিছিল। ১৯৫৫ চনত তেওঁ ভাৰত চৰকাৰে পদ্মবিভূষণ বঁটা প্ৰদান কৰে। ১৯৫৮ চনত তেওঁ দেশৰ সৰ্বোচ্ছ সন্মান ভাৰত ৰত্ন লাভ কৰিছিল। •

কেবিনেটৰ সিদ্ধান্ত

# খাদ্য আঁচনিৰ জৰিয়তে খাদ্য সুৰক্ষা সুনিশ্চিত, কেন্দ্ৰীয় কৰ্মচাৰীক ৩ শতাংশ ডিএ বৃদ্ধিৰ উপহাৰ

ভাৰতৰ শক্তি ইয়াৰ প্ৰতিজন নাগৰিকৰ শক্তিত নীহিত আছে। কোভিডৰ সময়ত যেতিয়া এই একেজন লোক সংকটত আছিল, কেন্দ্ৰীয় চৰকাৰে ৮০ কোটি লোকক বিনামূলীয়া খাদ্যসামগ্ৰী প্ৰদান কৰাৰ বাবে 'প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা' আৰম্ভ কৰিছিল। এতিয়া কেবিনেটে আঁচনিখন ২০২২ চনৰ ছেপ্টেম্বৰলৈ আৰু ৬মাহলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰৰ এই সিদ্ধান্তৰ দ্বাৰা দেশৰ ৮০ কোটিৰো অধিক লোকে আগৰ দৰে ইয়াৰ সুবিধা ল'বলৈ সক্ষম হ'ব। আনহাতে ২০২২-২৩বৰ্ষৰ বাবে কেঁচা মৰাপাটৰ এমএছপি বৃদ্ধি তথা ৪৭ লাখ কেন্দ্ৰীয় কৰ্মচাৰী আৰু ৬৮ লাখ পেঞ্চনভোগীৰ হিতাৰ্থে মূল্যবৃদ্ধি সকাহ ভাট্টা (ডিএ) বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে।

**সিদ্ধান্তঃ সমাজৰ দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ ম্যাদ আৰু ৬ মাহ অৰ্থাৎ ২০২২ৰ ছেপ্টেম্বৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে।**

**প্ৰভাৱঃ** খাদ্য সুৰক্ষা আঁচনিৰ অধীনত স্বাভাৱিক সংৰক্ষণৰ উপৰিও প্ৰতিজন হিতাধিকাৰীক প্ৰতি মাহে ৫ কিলোগ্ৰাম বিনামূলীয়া খাদ্য দিয়া হ'ব। ২০২২ৰ ছেপ্টেম্বৰলৈ ৮০,০০০ কোটি আৰু ২৪৪ এলএমটি খাদ্যশস্য আবণ্টন কৰা হৈছে।

- ২০২০ৰ এপ্ৰিলৰ পিছত পিএম-গৰীৱ কল্যাণ আঁচনি বিশ্বৰ সৰ্ববৃহৎ খাদ্য সুৰক্ষা কাৰ্যসূচী হিচাপে ৰূপায়িত হৈ আহিছে। এই আঁচনিয়ে সমগ্ৰ দেশৰ ৮০ কোটি লোকক লাভান্বিত কৰিছে।
- এই আঁচনিৰ অধীনত খৰচ প্ৰায় ৩.৪০ লাখ কোটি টকাৰ পৰিসংখ্যা অতিক্ৰম কৰিব আৰু খাদ্য বিনামূলীয়া খাদ্যসামগ্ৰীৰ আবন্টন ১,০০৩ এলএমটি হৈছে।
- দেশৰ প্ৰায় ৫ লাখ সুলভ মূল্যৰ দোকানত প্ৰযোজ্য এক ৰাষ্ট্ৰ, এক ৰেচন কাৰ্ড আঁচনিৰ মাধ্যমত যিকোনো প্ৰবাসী শ্ৰমিকে বিনামূলীয়া খাদ্যসামগ্ৰী লাভ কৰিব পাৰে।

- **সিদ্ধান্তঃ মৰাপাট খেতিয়কসকলক উন্নত পাৰিশ্ৰমিকৰ লাভালাভ নিশ্চিত কৰাৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাবে কেঁচা মৰাপাটৰ এমএছপি বৃদ্ধিৰ বাবে অনুমোদন।**
- **প্ৰভাৱঃ** এয়া মানসম্পন্ন মৰাপাট আঁহৰ প্ৰচাৰৰ দিশত এক পদক্ষেপ যিয়ে মৰাপাট খেতিয়কসকলৰ বাবে বজাৰ সুৰক্ষাৰ সৈতে উন্নত উপাৰ্জন নিশ্চিত কৰিব।
- ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাবে কেঁচা মৰাপাট (টিডিএন3ৰ সমতুল্যৰ পৰা টিডি5 গ্ৰেড)ৰ নূন্যতম সমৰ্থন মূল্য প্ৰতি কুইন্টল ৪৭৫০ টকা নিৰ্ধাৰণ কৰা হৈছে। এয়া উৎপাদনৰ গড় ব্যয়ত ৬০.৫৩শতাংশ লাভ নিশ্চিত কৰিব।

**সিদ্ধান্তঃ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ লগতে পেঞ্চনাৰৰ বাবে মূল্যবৃদ্ধি ভাত্তাৰ অতিৰিক্ত কিস্তি মুকলি কৰিবলৈ অনুমোদন জনোৱা হৈছে। এয়া ০১ জানুৱাৰী, ২০২২ৰ পৰা কাৰ্যকৰী হ'ব আৰু মূল দৰমহা/পেঞ্চনৰ ৩১%ত ৩% বৃদ্ধি কৰা হৈছে।**

**প্ৰভাৱঃ** ইয়াৰ ফলত প্ৰায় ৪৭.৬৮লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু ৬৮.৬২লাখ পেঞ্চনাৰ লাভান্বিত হ'ব। এই ডিএৰ অনুমোদনৰ ফলত ৰাজকোষত বছৰি ৯,৫৪৪.৫০ কোটি টকাৰ প্ৰভাৱ পৰিব।



বিশ্ব ঐতিহ্য দিৱস (১৮ এপ্ৰিল) বিশেষ

# ভাৰতীয় ঐতিহ্যবোৰ পুনৰাই ভাৰতৰ ভূমিত

দেশৰ পৌৰাণিক ইতিহাস অতি শক্তিশালী। দেশৰ চুকে কোণে এনে অনেক ভাস্বৰ্য শিল্প তথা প্ৰাচীন মূৰ্তি আছে যিবোৰে দেশৰ প্ৰাচুৰ্যৰ কথা ব্যক্ত কৰাৰ লগতে মান সম্পন্ন সংস্কৃতিৰ কথা ব্যক্ত কৰে। কিন্তু দুৰ্ভাগ্যৰ কথা এয়াই যে প্ৰাচীন কালৰ এই মূৰ্তিসমূহ বিভিন্ন সময়ত দুষ্কৃতিকাৰীৰ দ্বাৰা চুৰি হৈ আহিছে আৰু বহিঃ ৰাষ্ট্ৰলৈ গৈছে। এক সময় আছিল যেতিয়া এইবোৰ পুনৰাই দেশৰলৈ অনাৰ চৰ্চা পৰ্যন্ত হোৱা নাছিল, কিন্তু ২০১৪ চনৰ পাছত এই মূৰ্তিসমূহৰ সৈতে জড়িত হৈ থকা আস্থাৰ চৰ্চা হোৱাৰ লগতে চুৰি হোৱা এই মূৰ্তিবোৰ পুনৰাই দেশলৈ ঘূৰাই অনাৰ প্ৰচেষ্টা আৰম্ভ হৈছে। ২১ মাৰ্চত অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা বৈঠকত এই বিষয়ে আলোচনা কৰা হয়...

দেশে আজি সকলো বাধাক সহজে প্ৰত্যাহ্বান জনায় আহিছে। সীমান্তত উলংঘন, সম্প্ৰসাৰণৰ মনোভাৱক ধমকি তথা দেশৰ ভিতৰত থকা বিচ্ছিন্নতাবাদী শক্তিৰ উত্থানক দমন কৰাৰ ক্ষেত্ৰত চৰকাৰে উচিত প্ৰত্যুত্তৰ দি আহিছে। অন্যফালে দেশৰ অভ্যন্তৰত দাৰিদ্ৰতা, অন্যায়, ভেদভাৱৰ বিৰুদ্ধে আন্দোলন চলিছে আৰু আত্মনিৰ্ভৰশীলতাৰ মন্ত্ৰৰে এক নতুন ভাৰত নিৰ্মাণৰ দিশে চৰকাৰ অগ্ৰসৰ হৈছে। ইয়াৰ মাজতে এটা কথাৰ সৰৱ চৰ্চা চলিব ধৰিছে। ভাৰতীয় পৌৰাণিক ইতিহাসৰ স্বাক্ষৰ বহন কৰা ঐতিহাসিক কীৰ্তিচিহ্নবোৰ এসময়ত দেশৰ পৰা চুৰি হৈ অন্য ৰাষ্ট্ৰত বিক্ৰী কৰা হৈছিল এতিয়া সেইবোৰ পুনৰাই দেশলৈ অনাৰ ব্যৱস্থা এই চৰকাৰে কৰিব ধৰিছে। এয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আস্থাৰ প্ৰতীক যে ২০১৪ চনৰ পৰা এতিয়ালৈ এনে ২২৮টা

**প্ৰধানমন্ত্ৰীৰ দ্বাৰা মূৰ্তিবোৰৰ নীৰিক্ষণৰ ভিডিঅ' চাবলৈ এই কিউ আৰ কোড স্কেন কৰক।**








বহুমূলীয়া কীৰ্তিচিহ্ন সফলতাৰে দেশলৈ ঘূৰাই অনা হৈছে। ২০১৩ চনলৈ সেয়া মাথোঁ ১৩টা মূৰ্তি আছিল। কিন্তু এতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰ, নেদাৰলেণ্ড, ফ্ৰান্স, কানাডা, ছিংগাপুৰ আৰু জাৰ্মানীৰ দৰে অন্য কেতবোৰ দেশে কেন্দ্ৰ চৰকাৰৰ মনোভাৱ অনুধাৱন কৰিবলৈ সক্ষম হৈছে আৰু মূৰ্তিবোৰৰ স্বদেশ যাত্ৰা সম্ভৱ হৈ পৰিছে। ২১ মাৰ্চত ভাৰত-অষ্ট্ৰেলিয়া সন্মিলনৰ ঠিক আগতে ইয়াৰ এক উদাহৰণ দেখা গৈছিল, যেতিয়া অষ্ট্ৰেলিয়াই ভাৰতক ২৯টা মূল্যৱান ঐতিহ্য ঘূৰাই দিছিল। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জনোৱা মতে, এইবোৰ মুখ্যতঃ- বিশেষ শিল, মাৰ্বল, ব্ৰঞ্জ, পিতলৰ মূৰ্তি, কাগজৰ ভাস্কৰ্য আৰু চিত্ৰ খোদিত কৰা সামগ্ৰী আছে। অষ্ট্ৰেলিয়াৰ পৰা অহা এই প্ৰাচীন মূৰ্তি আৰু গুৰুত্বপূৰ্ণ বস্তুবোৰ উৎস ৰাজস্থান, গুজৰাট, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, তামিলনাডু, তেলেংগানা আৰু পশ্চিম বংগৰ হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ২৯ টা পুৰাতত্ব সামগ্ৰী পৰিদৰ্শন কৰে। এই প্ৰাচীন ঐতিহ্যত আছে– শিৱ আৰু তেওঁৰ শিষ্যসকল, শক্তিৰ উপাসনা, ভগৱান বিষ্ণু আৰু তেওঁৰ ৰূপ, জৈন পৰম্পৰা, চিত্ৰ আৰু আলংকাৰিক সামগ্ৰী। খ্ৰীষ্টপূৰ্ব নৱম শতিকাৰ পুৰণি এই কীৰ্তিচিহ্নবোৰ দেশলৈ অহাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে কয়, "এই মূৰ্তিবোৰ দেশলৈ অনাটো ভাৰত মাতৃৰ প্ৰতি আমাৰ দায়িত্ব হয়। এই মূৰ্তিবোৰৰ সৈতে আমাৰ ভাৱনা জৰিত হৈ আছে, ভাৰতৰ শ্ৰদ্ধা জৰিত হৈ আছে। লগতে এই কথা ভাৰতৰ প্ৰতি সলনি হোৱাৰ বিশ্ব ধাৰণাক প্ৰতিফলিত কৰে।"

২০১৪ চনত শাসনলৈ অহাৰ পিছত মোদী চৰকাৰৰ প্ৰচেষ্টাত চোলা শাসকসকলৰ সময়ৰ শ্ৰী দেৱীৰ ধাতুৰ মূৰ্তি আৰু মৌৰ্য যুগৰ টেৰাকোটাৰ মহিলাৰ মূৰ্তি অন্তৰ্ভুক্ত হৈ আছে। ইয়াৰ লগতে অন্য ২৪টা বিখ্যাত প্ৰাচীন ঐতিহ্য ঘূৰাই অনা হৈছে, ইয়াৰ ভিতৰত ১৬টা আমেৰিকাৰ পৰা, ৫ টা অষ্ট্ৰেলিয়াৰ পৰা আৰু কানাডা, জাৰ্মানী আৰু ছিংগাপুৰৰ পৰা এটাকৈ মূৰ্তি অনা হৈছে। এই মূৰ্তিবোৰৰ ভিতৰত বাহুবলীৰ ধাতুৰ মূৰ্তি আৰু নটৰাজৰ এটা মূৰ্তিও আছে।

২০১৪ চনৰ পাছৰ পৰাই প্ৰাচীন ঐতিহ্য ঘূৰাই অনাৰ এই ঐতিহাসিক পদক্ষেপে দেশৰ জনতাৰ গৰ্ব বৃদ্ধি কৰিছে। কেন্দ্ৰ চৰকাৰৰ প্ৰচেষ্টাৰ ফলত পূৰ্বে চুৰি হৈ অন্য দেশক বিক্ৰী হোৱা এই মূৰ্তিবোৰ পুনৰাই স্বদেশলৈ ঘূৰি অহাৰ ফলত ভাৰত মান বৃদ্ধি পাইছে। ●

**আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ১৫৭টা মূৰ্তি আহিছে**

বিগত বৰ্ষৰ ছেপ্তেম্বৰ মাহত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫৭টা ভাৰতীয় পৌৰাণিক কীৰ্তিচিহ্ন লগত লৈ আহিছিল। এইবোৰ কীৰ্তিচিহ্ন চুৰি অথবা অবৈধ বাণিজ্যৰ জৰিয়তে দেশৰ পৰা বাহিৰলৈ নিয়া হৈছিল। কিন্তু সেয়া আমেৰিকাৰ প্ৰশাসনে জব্দ কৰি লৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই সেইবোৰ উভটাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। পুৰাতত্ব আৰু শিল্পকলাসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বাৰা ভাৰতলৈ ঘূৰাই পঠোৱাৰ সিদ্ধান্তক প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰশংসা কৰিছিল। এই ১৫৭টা কীৰ্তিচিহ্নৰ ভিতৰত দশম শতিকাৰ মূৰ্তিৰ লগতে দ্বাদশ শতিকাত নিৰ্মীত উৎকৃষ্ট ব্ৰঞ্জৰ ৮.৫ ছেন্টিমিটাৰ নটৰজাৰ মূৰ্তিৰ লগতে অন্যান্য মূৰ্তি আছে।

**ভাৰতলৈ আহিছে চুৰি হোৱা ১৪৭টা প্ৰাচীন সামগ্ৰী**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ প্ৰচেষ্টাৰ বাবে অষ্ট্ৰেলিয়াৰ কেনবৰাত থকা ৰাষ্ট্ৰীয় গেলাৰীয়ে ১৪ টা প্ৰাচীন ঐতিহ্যৰ সামগ্ৰী ভাৰতলৈ ঘূৰাই দিয়াৰ সিদ্ধান্ত লৈছে। এই ১৪টা গুৰুত্বপূৰ্ণ শিল্পকলাৰ ভিতৰত ব্ৰঞ্জ আৰু শিলৰ ভাস্কৰ্যৰ লগতে আলোকচিত্ৰ আছে। চুৰি হোৱা এই সামগ্ৰীৰ মূল্য ৩০ লাখ ডলাৰ বুলি কোৱা হৈছে।



**পৰীক্ষা পে চৰ্চা**

# পৰীক্ষাবোৰক আকৰ্ষণীয় কৰি উপভোগ্য কৰি তোলাৰ প্ৰচেষ্টা

এয়া কেতবোৰ লোকৰ বাবে আচৰিত হ'বলগীয়া কথা যে বিশ্বৰ অন্যতম ব্যস্ত তথা জনপ্ৰিয় ৰাজনীতিবিদ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ জীৱনৰ অভিজ্ঞতাবোৰ শিক্ষাৰ্থীৰ সৈতে আলোচনা কৰিবলৈ সময় উলিয়াই লয়। প্ৰতিবছৰে পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱক আৰু শিক্ষকৰ সৈতে এগৰাকী বন্ধু, পথ-প্ৰদৰ্শক হিচাপে শিক্ষাৰ্থীৰ সৈতে পোনপটীয়া সংবাদৰ আয়োজন কৰি আহিছে। এইবাৰো পূৰ্বৰ দৰে পৰীক্ষা পে চৰ্চাৰ পঞ্চম সংস্কৰণ ১ এপ্ৰিল তাৰিখে নতুন দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত অনুষ্ঠিত হয়...

শ্ৰেষ্ঠত্বক চিহ্নিত কৰা তথা কোনো এক স্থিতিৰ সৈতে মোকাবিলা কৰাৰ প্ৰস্তুতিক জুখি চোৱাৰ বাবেই পৰীক্ষা অনুষ্ঠিত কৰা হয়। পৰীক্ষাই আমাৰ দুৰ্বলতাবোৰৰ লগতে শক্তিবোৰৰ পৰিচয় দিয়ে। যদিহে পৰীক্ষাবোৰৰ অস্তিত্ব নাথাকিলেহেঁতেন তেন্তে জীৱনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হ'লহেঁতেন! কিন্তু একাংশ শিক্ষাৰ্থী এনে আছে যিসকল পৰীক্ষাৰ নামত হতাশ আৰু উৎকণ্ঠিত হৈ পৰা দেখা যায়। মনত ৰখা দৰকাৰ যে পৰীক্ষা হৈছে জীৱন গঢ়াৰ সুবিধা, এয়া হতাশ হোৱাৰ প্ৰক্ৰিয়া নহয়। 'পৰীক্ষা পে চৰ্চাৰ' পঞ্চম সংস্কৰণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "যদিহে প্ৰতিযোগিতা নাই তেন্তে জীৱনৰ কোনো অৰ্থ নাথাকে। আমি প্ৰতিযোগিতাবোৰক আমন্ত্ৰণ জনাব লাগে। জীৱনক আগুৱাই নিয়াৰ ক্ষেত্ৰত এয়া এক উৎকৃষ্ট মাধ্যম। আজি যদি প্ৰতিযোগিতা বেছি হৈছে তেন্তে সুবিধাবোৰো বৃদ্ধি পাইছে।"

"

জীৱনত যদি আনন্দ উপভোগ কৰিব বিচৰা তেন্তে নিজৰ মাজত এক কোৱালিটীৰ বিকাশ কৰিব লাগে, তাৰ বাবে প্ৰচেষ্টা হাতত ল'ব লাগে। গুণৰ পূজাৰী হৈ পৰাৰ চেষ্টা কৰাৰ লগতে মনত ঈৰ্ষাৰ ভাৱ জাগ্ৰত হ'বলৈ দিব নালাগে। ঈৰ্ষাই আমাক সৰু কৰি পেলায় আৰু আমি কেতিয়াও আগবাঢ়িব নোৱাৰা হৈ পৰোঁ। জীৱনত সফল হোৱাৰ বাবে সৎ আৰু সামৰ্থবান ব্যক্তিক সন্মান কৰিবলৈ শিকা। পৰীক্ষা পে চৰ্চাৰ জৰিয়তে মোৰো লাভ হয়, এই অনুষ্ঠানে মোৰ সামৰ্থ বৃদ্ধি কৰিছে।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

**প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক**

## কোভিডৰ প্ৰত্যাহ্বানৰ পাছত ২ বছৰৰ অন্তত ভাৰ্চুৱেলৰ সলনি শিক্ষাৰ্থীৰ সৈতে প্ৰধানমন্ত্ৰীৰ পোনপটীয়া বাৰ্তালাপ

# শিক্ষাৰ্থীক প্ৰধানমন্ত্ৰীয়ে ক'লে- এখন চিঠি লিখা, "ডিয়েৰ এক্সাম! মই তোমাক হৰুৱাম।"

সম্পূৰ্ণ দুটা বছৰ কোভিড প্ৰত্যাহ্বানৰ মাজত ভাৰ্চুৱেল মাধ্যমত এই পৰীক্ষা পে চৰ্চা অনুষ্ঠিত হৈ আহিছিল। এইবাৰৰ অনুষ্ঠান দুটা বছৰৰ পাছত প্ৰত্যক্ষভাৱে নতুন দিল্লীত অনুষ্ঠিত হৈছে আৰু প্ৰধানমন্ত্ৰীয়ে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষকসমাজৰ উপস্থিতিত এই পৰীক্ষা পে চৰ্চাত বাৰ্তালাপাত মিলিত হয়। প্ৰায় আঢ়ৈ ঘন্টা সময় অনুষ্ঠিত হোৱা এই পৰীক্ষা পে চৰ্চা অনুষ্ঠানত সহস্ৰাধিক শিক্ষাৰ্থীক প্ৰধানমন্ত্ৰীয়ে সম্বোধন কৰে আৰু তেওঁলোকৰ পোনপটীয়া প্ৰশ্নৰ উত্তৰ দিয়ে।

**নিজৰ পৰীক্ষা লৈ থাকক, দিশ বিচাৰি পাব**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কেতিয়াবা নিজৰ পৰীক্ষাও লওক। এই সম্পৰ্কত মোৰ কিতাপ এক্সাম ৱাৰিয়ৰ্চতো লিখা আছে। কেতিয়াবা পৰীক্ষাকে লক্ষ্য কৰি এখন চিঠি লিখা যে পৰীক্ষাৰ প্ৰতি তোমাৰ ভয় নাই। তুমি নিজে পৰীক্ষা পৰীক্ষা ল'বা। পৰীক্ষাক লৈ তোমাৰ কোনো ভয় নাই এই কথাটো লিখা। নিজৰ জনা-বুজা কথাখিনি অন্য বন্ধুৰ সৈতে আলোচনা কৰা, তেতিয়া দেখিবা তুমি অধিক শিকিব পাৰিছা।

**পৰীক্ষাৰ অনুভৱক শক্তিশালী কৰি তুলক**

পৰীক্ষাক লৈ কোনো ধৰণৰ দুঃচিন্তা মনত ৰাখিব নালাগে। পৰীক্ষাক উৎসৱ বুলি ধৰি ল'ব লাগে। পৰীক্ষা হৈছে জীৱনৰ সহজ অংশ। গতিকে পৰীক্ষাক লৈ কোনো ধৰণৰ প্ৰতিক্ৰীয়া মনত ৰাখিব নালাগে। এয়া জীৱনৰ একো একোটা ঢাপ। ইয়াত বহি থকা সকলোৱে পৰীক্ষা দিছে গতিকে চিন্তা কিহৰ? গতিকে তোমালোকে পৰীক্ষাক উপভোগ কৰা।

**সমস্যা মাধ্যম নহয়, মনহে!**

যেতিয়া তোমালোকে অনলাইন ক্লাছ কৰা তেতিয়া তোমালোকে প্ৰকৃতাৰ্থত পঢ়া নে ৰীল চোৱা? যেতিয়া তোমালোক ক্লাছত থাকা তেতিয়াও এনে পৰিস্থিতি হয় যে তোমাৰ শৰীৰ, চকু শ্ৰেণীকোঠাত আছে কিন্তু তোমাৰ মন অন্য ক'ৰবাত আছে। সেয়েহে মাধ্যম

### প্ৰধানমন্ত্ৰীৰ মন্ত্ৰ- নিজৰ মাজত বিচৰা হতাশাৰ কাৰণ

**দিল্লীৰ কেন্দ্ৰীয় বিদ্যালয় জনকপুৰীৰ ছাত্ৰ বৈভৱ কনৌজীয়া, জয়পুৰৰ কোমল আৰু ওড়িশ্যাৰ পৰা অভিভাৱক সুজিত প্ৰধানে সুধিলে কিদৰে শিক্ষাৰ্থীক প্ৰেৰণা দিব পাৰি?**

প্ৰধানমন্ত্ৰীয়ে ক'লে যে মেডিটেশ্বনৰ কোনো ধৰণৰ ফৰ্মুলা বা বেজী নাথাকে। আপুনি নিজেই সেই কথা চিন্তা কৰিব লাগিব যে আপুনি কোনবোৰ কথাৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছে, হতাশ হৈছে। নিজৰ হতাশাৰ প্ৰকৃত কাৰণ উদ্ভাৱন কৰক। নিজৰ বিশ্লেষণ নিজেই কৰা, অন্য ব্যক্তিৰ ওপৰত নিৰ্ভৰশীল হৈ নপৰিব। নিজৰ ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশ বিশ্লেষণ কৰি সেইমতে মনোনিৱেশ কৰিব লাগে। নিজক ভালদৰে চিনি পাবলৈ সক্ষম হ'লে অন্যৰ পৰা মোটিভেশ্বনৰ প্ৰয়োজন নাই। নিজৰ মাজৰ দৃঢ় বিশ্বাস সৃষ্টি কৰক যাতে মোৰ জীৱনত যি সমস্যাই নাহক কিয় সেয়া মই সম্পূৰ্ণৰূপে নিৰ্মূল কৰি পেলাম। মন কৰিব যে এগৰাকী দিব্যাংগৰ শৰীৰত অনেক অসুবিধা থাকে কিন্তু সেই অসুবিধা তেওঁ মন দৃঢ় বিশ্বাসৰে আঁতৰ কৰি সুন্দৰ জীৱন যাপন কৰে।

### আপুনি যেনেকুৱা হয় সেইধৰণে জীৱনটো উপভোগ কৰক

**নমো এপ্-ত গায়ত্ৰী ছক্সেনাই আৰু চৰ্চাৰ সময়ত তেলেংগানাৰ শিক্ষাৰ্থীয়ে প্ৰশ্ন কৰে- যেতিয়া শিক্ষকে শিকায় তেতিয়া আমি বুজি পাওঁ কিন্তু কেইদিনমান পাছত হোৱা পৰীক্ষাত আমি কথাবোৰ পাহৰি যাওঁ?**

প্ৰধানমন্ত্ৰীয়ে কয় যে, প্ৰতিজন ব্যক্তিয়ে এয়া ভাৱে যে কথাবোৰ মোৰ মনত নাথাকে, মই কথাবোৰ পাহৰি যাওঁ। কিন্তু কেতিয়াবা এনেকুৱাও হয় যে পৰীক্ষাত এনে প্ৰশ্ন আহিছে যিবোৰ অলপতে পঢ়া নাছিলা কিন্তু প্ৰশ্নবোৰৰ উত্তৰত ভালদৰে লিখিব পাৰিছা। এয়া এইকাৰণে হয় কিয়নো বিষয়টো যিসময়ত পঢ়িছিলা তেতিয়া খৰচি মাৰি পঢ়িছিলা। এই ক্ষেত্ৰত ধ্যানৰ গুৰুত্ব অপৰিসীম। ইয়াত কোনো বিজ্ঞান নাই, বিষয় এটাত সমস্ত ধ্যান কেন্দ্ৰীয় কৰা হোৱাৰ ফলত সেয়া দীঘলীয়া সময়ৰ বাবে মনত থাকে। স্মৃতিশক্তি জীৱনৰ সৈতে জড়িত হৈ থাকে কেৱল পৰীক্ষাৰ বাবে নহয়।

# পৰীক্ষাৰ পৰা আঁতৰি সমাজ আৰু পৰিৱেশৰ কথা

### নতুন প্ৰজন্মই অনাগত দিনবোৰ সুন্দৰ কৰাৰ বাবে কিধৰণে অৰিহনা আগবঢ়াব পাৰে?

প্ৰধানমন্ত্ৰীৰ উত্তৰ- সম্পূৰ্ণ বিশ্ব এতিয়া গোলকীয় উত্তাপৰ বিষয়টোৰ দ্বাৰা চিন্তাক্লিষ্ট। আমি আমাৰ আহিবলগীয়া প্ৰজন্মৰ বাবেও কৰ্তব্য আৰু দায়িত্ব পালন কৰিব লাগিব। এয়া কোনো এক চৰকাৰী নিয়মৰ দ্বাৰা নহ’ব। যদিহে আমি সকলোৱে (শিক্ষাৰ্থী সমন্বিতে) ঘৰবোৰত এবাৰৰ বাবে ব্যৱহাৰ হোৱা প্লাষ্টিক বন্ধ কৰি দিওঁ তেন্তে এই কামটো পৰিৱেশৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ পৰিব।

### গ্ৰামাঞ্চল এলেকাত কন্যা সন্তানৰ বিকাশৰ বাবে কি কৰিব লাগে এই সম্পৰ্কত পথ প্ৰদৰ্শন কৰক?

প্ৰধানমন্ত্ৰীৰ উত্তৰ- পূৰ্বতকৈ এতিয়া চিন্তাধাৰাত পৰিৱৰ্তন আহিছে। কন্যা সন্তানৰ উন্নয়ন অবিহনে সমাজৰ বিকাশ সম্ভৱ নহয়। সমাজৰ পুত্ৰ আৰু কন্যা বুলি ভেদাভেদ থাকিব নালাগে। ৰাণী অহল্যাবাঈৰ পৰা ৰাণী লক্ষ্মীবাঈলৈ অনেক উদাহৰণ আছে। আজি ক্ৰীড়াংগনৰ পৰা আৰম্ভ কৰি বিজ্ঞান, প্ৰযুক্তি, বোৰ্ড পৰীক্ষা সকলোতে কন্যা সন্তানে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে।



### মাতৃ-পিতৃৰ দুৰ্বলতা, যিয়ে সন্তানৰ স্বপ্নবোৰ অনুধাৱন কৰিব নোৱাৰে

পিতৃ-মাতৃসকলে নিজৰ জীৱনত কৰিব বিচাৰিছিল কিন্তু কৰিব নোৱাৰিলে সেইবোৰ সন্তানৰ ওপৰত জাপি দিব বিচাৰে। তেওঁলোকে বিচৰাটো সন্তানে কৰি দেখুৱাব পাৰিব বুলি সেই দিশত প্ৰচেষ্টা হাতত লৈ থাকে। আনকি শিক্ষকেও নিজৰ স্কুলখনৰ উদাহৰণ দি শিক্ষাৰ্থীৰ ওপৰত হেঁচা প্ৰয়োগ কৰি থাকে। আমি কিন্তু শিক্ষাৰ্থীৰ কৌশলবোৰ বুজি পোৱাৰ চেষ্টা নকৰোঁ, ইয়াৰ ফলত সন্তান ভুল দিশত গৈ থাকে। সন্তানবোৰত বুজিবলৈ চেষ্টা কৰক। প্ৰতিটো শিশুৰ নিজা এক বিশেষত্ব থাকে। আত্মীয় তথা শিক্ষাৰ তুলাচনীত সেয়া জোখা বস্তু নহয়, সন্তানৰ নিজৰ প্ৰতিভা থাকে আৰু সেই প্ৰতিভা অনুসৰি তেওঁ আগবাঢ়ি যায়। এয়া প্ৰকৃতাৰ্থত পিতৃ-মাতৃৰ দোষ যে তেওঁলোকে সন্তানৰ কৌশল চিনাক্ত কৰিব নোৱাৰি নিজৰ ইচ্ছা-আকাংক্ষাবোৰ জাপি দিয়ে।

### ৰাষ্ট্ৰীয় শিক্ষা নীতি কাৰ্যকৰী কৰাৰ বাবে শিক্ষকে পথ সহজ কৰক

ৰাষ্ট্ৰীয় শিক্ষা নীতি চমুকৈ এনইপিয়ে ব্যক্তিত্ব বিকাশৰ বাবে বিশেষ উপাদান দিছে। আমি যিমান ভালদৰে এনইপিক বুজি পাম সিমান ভালদৰে আমাৰ লাভ হ’ব। মই ইয়াৰ জৰিয়তে শিক্ষক সমাজক অনুৰোধ জনাওঁ যে আপোনালোকে এনইপিৰ সফল কাৰ্যকৰীকৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰক। শিক্ষাৰ নীতি নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিশ্বৰ কোনো এখন দেশে কিজানি ইমান সংখ্যক লোকক অন্তৰ্ভুক্ত কৰা নাছিল। ২০১৪ চনত মই যেতিয়া সুবিধা লাভ কৰিছোঁ তেতিয়া প্ৰতিটো স্তৰৰ লোকৰ সৈতে ব্ৰেইন-ষ্টোৰমিং কৰা হৈছে তাৰ পাছত যিখিনি সংশোধিত ৰূপত পোৱা গৈছে সেয়া আকৌ বিশেষজ্ঞৰ পৰামৰ্শ লৈ আগবঢ়া হৈছে। ১৫-২০ লাখ পৰামৰ্শ আলোচনা-বিলোচনা কৰাৰ শেষত নতুন শিক্ষা নীতিৰ খচৰা প্ৰস্তুত হৈছে। এই শিক্ষা নীতিয়ে আগন্তুক দিনবোৰত দেশৰ শিক্ষা খণ্ডত বিশেষ পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত শিক্ষক সমাজৰ ভূমিকাও গুৰুত্বপূৰ্ণ।

কেতিয়াও সমস্যা হ’ব নোৱাৰে। সমস্যা হৈছে মনটো।

### যোগ্য হোৱাৰ বাবে পঢ়িলে পৰিণামৰ কথা চিন্তা কৰিব নালাগে

মই এই কথাটো মানি নলওঁ যে আমি পৰীক্ষাৰ বাবে পঢ়িব লাগে, ভুলটো সেইখিনিতে হৈ যায়। মই এই পৰীক্ষাৰ বাবে পঢ়িম, সেইটো পৰীক্ষাৰ বাবে পঢ়িম! ইয়াৰ অৰ্থ এয়া যে তোমোলাকে পঢ়ি থকা নাই বৰঞ্চ সেই উপায় বিচাৰি ফুৰিছা যাৰ জৰিয়তে তোমালোকৰ কাম সহজ হৈ পৰক। ইয়াৰ সলনি নিজক যোগ্য কৰি তুলিবৰ বাবে পঢ়া উচিত। নিজৰ উপযুক্ত কৰি তোলাৰ বাবে পঢ়িলে পৰিণামৰ চিন্তা কৰিব নালাগে। পৰীক্ষাৰ বাবে প্ৰস্তুত হোৱাৰ সলনি নিজক যোগ্য, শিক্ষিত তথা কোনো বিষয়ৰ সম্পূৰ্ণ জ্ঞান আহৰণৰ বাবে পঢ়িব লাগে।

### অনলাইনত লাভ কৰা তথ্য অফলাইনত ব্যৱহাৰ কৰা

আজি আমি ডিজিটেল মাধ্যমৰ সহায়ত সকলো তথ্য অতি সহজে লাভ কৰিবলৈ সক্ষম হৈছোঁ। অনলাইনক আমি এটা সুবিধা হিচাপে গণ্য কৰিব লাগে, সমস্যা হিচাপে নহয়। অনলাইন আৰু অফলাইনৰ সামঞ্জস্যতাত আমি বিষয়বোৰৰ গভীৰতালৈ যাবলৈ সক্ষম হওঁ। মোবাইলত প্ৰতিটো মুহূৰ্ত সোমাই থকাৰ যি আনন্দ তোমালোকে লাভ কৰা সেয়া তোমালোকে জীৱনৰ প্ৰতিটো বিষয়ৰ মাজত সোমাই থাকিও লাভ কৰিব পাৰা। ●

# হিংসা আৰু অৰাজকতাৰ বিৰোধ আমাৰ কৰ্তব্য



ভাৰতৰ নাগৰিক হিচাপে আমাৰ সকলোতকৈ ডাঙৰ কৰ্তব্য হৈছে ৰাষ্ট্ৰ প্ৰথমৰ নীতি। ৰাষ্ট্ৰৰ আগত একো নাই। আমাৰ প্ৰতিটো কাম ৰাষ্ট্ৰক প্ৰথমত ৰাখি কৰিব লাগে। যিকোনো পদক্ষেপ গ্ৰহণ কৰাৰ পূৰ্বে আমি ৰাষ্ট্ৰ কল্যাণৰ কথা চিন্তা কৰিব লাগে। ইয়াৰ লগতে সমাজত যদিহে কোনো ব্যক্তিৰ উৎপীড়ন হৈ আছে তেন্তে সেই সময়ত আমি মাত মতাৰ প্ৰয়োজনীয়তা আছে কিয়নো এই পদক্ষেপ সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি আমাৰ কৰ্তব্য...

সকলো লোক একেলগ হৈ যেতিয়া ৰাষ্ট্ৰৰ প্ৰগতিত অংশগ্ৰহণ কৰে তেতিয়া আমি সকলোৰে অন্তৰ্ভুক্তিকৰণৰ জৰিয়তে শক্তিশালী সমাজৰ নিৰ্মাণৰ দিশত আগবাঢ়ি যোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৯ মাৰ্চত শ্ৰী শ্ৰী হৰিশ্চন্দ্ৰ ঠাকুৰৰ ২১১ সংখ্যক জয়ন্তীত পশ্চিম বংগৰ শ্ৰীধাম ঠাকুৰনগৰ, ঠাকুৰবাড়ীত আয়োজিত মতুৱা ধৰ্ম মহামেলা ২০২২ সম্বোধন কৰি কয়, "ৰাজনৈতিক গতিবিধিবোৰত অংশ লোৱাটো আমাৰ সকলোৰে কৰ্তব্য। এয়া আমাৰ গণতান্ত্ৰিক অধিকাৰ। কিন্তু ৰাজনৈতিক বিৰোধৰ বাবে যদি কোনো ব্যক্তি বা সমূহক হিংসা বা ধমক দি স্তব্ধ কৰাৰ চেষ্টা কৰে তেন্তে সেয়া অন্যজনৰ ৰাজনৈতিক অধিকাৰৰ হনন হয়। সেয়েহে এয়া আমাৰ কৰ্তব্য হোৱা উচিত যে সমাজত যদিহে হিংসা-অৰাজকতা আছে তেন্তে সেইবোৰৰ বিৰোধ কৰা উচিত।" প্ৰকৃতাৰ্থত ভাৰতীয় সংবিধানে আমাক অনেক অধিকাৰ প্ৰদান কৰি আহিছে। সেই অধিকাৰবোৰ আমি তেতিয়াহে সুৰক্ষিত ৰাখিব পাৰিম, যেতিয়া আমি আমাৰ কৰ্তব্যবোৰ নিষ্ঠাৰে পালন কৰিম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ৰ মাৰ্চ মাহত বাংলাদেশৰ অ'ৰাকান্দি ঠাকুৰবাড়ী গৈছিল আৰু শ্ৰী শ্ৰী গুৰুচন্দ ঠাকুৰজীৰ লগতে মহান মতুৱা পৰম্পৰাক শ্ৰদ্ধাৰে নমন কৰিছিল।

**সামাজিক-ধৰ্মীয় আন্দোলনৰ জৰিয়তে হৈছিল মতুৱা ধৰ্মৰ জন্ম**

শ্ৰী শ্ৰী হৰিচন্দ্ৰ ঠাকুৰে দেশৰ স্বাধীনতাৰ পূৰ্বে অবিভাজিত বংগৰ উৎপীড়িত, নিপীড়িতসকলৰ বাবে জীৱন উৎসৰ্গা কৰি দিছিল। সমাজৰ বঞ্চিতজনৰ সহায়ৰ বাবে শ্ৰী শ্ৰী হৰিচন্দ্ৰ ঠাকুৰে আৰম্ভ কৰা ধৰ্মীয় তথা সামাজিক আন্দোলন ১৮৬০ চনত অ'ৰাকান্দিৰ (এতিয়া বাংলাদেশত) পৰা আৰম্ভ কৰিছিল আৰু সেয়া শেষত মতুৱা ধৰ্ম স্থাপন কৰাৰ যোগেদি সম্পন্ন হৈছিল। এই বৰ্ষত অখিল ভাৰতীয় মতুৱা মহাসংঘৰ দ্বাৰা মতুৱা ধৰ্ম মহামেলা ২৯ মাৰ্চৰ পৰা ৫ এপ্ৰিল তাৰিখলৈ অনুষ্ঠিত হয়। সামাজিক ন্যায় আৰু কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা শ্ৰী শ্ৰী হৰিচন্দ্ৰ ঠাকুৰৰ ২১১ সংখ্যক জয়ন্তী ২৯ মাৰ্চ, ২০২২ত পালন কৰা হয়।

**মতুৱা পৰম্পৰাক স্মৰণ কৰাৰ বাবে মতুৱা ধৰ্ম মেলা**

মতুৱা ধৰ্ম মেলাৰ জৰিয়তে মতুৱা পৰম্পৰাৰ আলোচনা কৰা হয়। এয়া সেই প্ৰমূল্যবোধৰ প্ৰতি আস্থা ব্যক্ত কৰাৰ কথা যিবোৰৰ ভেটি শ্ৰী শ্ৰী হৰিচন্দ্ৰ ঠাকুৰে ৰাখিছিল। এই মেলা এক প্ৰকাৰ চাবলৈ গ'লে এক ভাৰত-শ্ৰেষ্ঠ ভাৰত ভাৱধাৰাক শক্তিশালী কৰে। সমাজ শক্তিশালী কৰাৰ সুবিধা হয়।

**প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক**

## #সবকাপ্ৰয়াস

### সকলোৰে প্ৰয়াস

# বাজেটত গতি, সকলোৰে প্ৰগতি



এটা সময় আছিল যেতিয়া বাজেট প্ৰস্তুত হোৱা সংসদত উত্থাপন হোৱাৰ পাছত সকলোৱে ইয়াৰ কথা পাহৰি গৈছিল। কিন্তু সংসদীয় ইতিহাসত ২০২১ বৰ্ষটো এনে এক পৰিৱৰ্তন হৈ আহিল যে বাজেটৰ চৰ্চা এতিয়া সম্পূৰ্ণ বিত্তীয় বৰ্ষটোত হৈ থাকে। পৰম্পৰা ৰক্ষা কৰি এইবাৰো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰয়োজনীয়তা আৰু সম্ভাৱনাবোৰক সঠিক দিশ দিয়াৰ লক্ষ্যৰে ব্যক্তিগত খণ্ড আৰু অন্য সকলো অংশীদাৰৰ সৈতে বৈঠকত মিলিত হৈ এখন মঞ্চ দিয়ে যাৰ জৰিয়তে চৰকাৰ আৰু জনতাৰ অংশীদাৰিত্বৰে দেশৰ স্বাধীনতাৰ শতবৰ্ষৰ (২০৪৭ত) দস্তাৱেজ তৈয়াৰ হওক...

"আপোনালোক সকলোৱে জানে যে আমি বিগত দুটা বছৰৰ পৰা এক পৰম্পৰাৰ আৰম্ভণি কৰিছোঁ। বাজেট আমি এটা মাহৰ পূৰ্বে সংসদৰ মজিয়াত পৰিৱেশন কৰিছোঁ। এক এপ্ৰিল তাৰিখৰ পৰা বাজেট কাৰ্যকৰী হয় গতিকে দুটা মাহ প্ৰস্তুতিৰ বাবে পোৱা যায়। আমি এই প্ৰয়াস কৰি আছোঁ যে বাজেটৰ আওতালৈ সকলো অংশীদাৰ যেনে ব্যক্তিগত, ৰাজহুৱা, কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ লগতে সকলো চৰকাৰী বিভাগ আহক আৰু তেওঁলোকে বাজেটৰ ঘোষণাবোৰ কাৰ্যকৰী কৰাৰ বাবে সোনকালে কাম আৰম্ভ কৰি দিয়ক। এই কাৰ্যক্ৰমত আপোনালোকৰ পৰামৰ্শই বাজেটক অধিক সফলতাৰে কাৰ্যক্ষম কৰাৰ বাবে সহায় কৰিব।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই কথাই এটা কথা স্পষ্ট কৰে যে দেশৰ চৰকাৰ বাজেটৰ কাৰ্যকৰীকৰণ আৰু জনতাৰ কল্যাণৰ বাবে দায়বদ্ধ। বাজেটৰ বিভিন্ন খণ্ডক এক ডৰ্জনৰো অধিক ভাগত বিভক্ত কৰি প্ৰধানমন্ত্ৰীয়ে হিতাধিকাৰী, অংশীদাৰৰ সৈতে বাৰ্তালাপাত মিলিত হৈছে। ৰাষ্ট্ৰৰ সফলতাৰ বাবে সকলোৰে প্ৰয়াসত ৰাষ্ট্ৰ কল্যাণৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা যুগুত কৰা হৈছে। সংসদীয় ইতিহাসত এয়া গুৰুত্বপূৰ্ণ যে চৰকাৰে সংসদৰ মজিয়াত সাধাৰণ বাজেট উত্থাপন কৰিয়েই দায়িত্ব সামৰা নাই। সংসদত এমাহৰ পূৰ্বে বাজেট পৰিৱেশন কৰা আৰু এই বাজেটৰ ঘোষণা, সিদ্ধান্ত, পৰিকল্পনাবোৰ কাৰ্যকৰী কৰাৰ বাবে স্বয়ং শীৰ্ষ নেতৃত্ব প্ৰধানমন্ত্ৰীয়ে হিতাধিকাৰী, অংশীদাৰৰ সৈতে বাৰ্তালাপত মিলিত হৈ কাৰ্যকৰীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিছে। বিগত বৰ্ষৰ পৰা এই পৰম্পৰা অব্যাহত আছে। উদ্যোগ জগতৰ লোকসকলৰ সৈতে সমণ্বয় স্থাপন কৰাৰ পৰা আৰম্ভ কৰি জনতাৰ আশা-প্ৰত্যাশাবোৰ প্ৰতিফলিত কৰৰা বাবে যোৱা বৰ্ষৰ বাজেটৰ পৰা আৰম্ভ হোৱা এই পৰম্পৰাৰ লক্ষ্য দীৰ্ঘম্যাদী। ইয়াৰ লক্ষ্য হৈছে দেশৰ স্বাধীনতাৰ শতবৰ্ষত প্ৰতিজন নাগৰিক আত্মনিৰ্ভৰশীল হৈ উঠক, নতুন ভাৰত শক্তিশালী অৰ্থনীতিৰে আগবাঢ়ক।

কোভিডৰ সময়ত বাজেটৰ পাছত অংশীদাৰ-হিতাধিকাৰীৰ সৈতে বৈঠক ডিজিটেল মাধ্যমত হৈ আহিছে সেয়েহে ইয়াক 'বাজেট ৱেবিনাৰ' বুলি নামকৰণ কৰা হৈছিল। এয়া এক প্ৰকাৰে বাজেটৰ পাছত অংশীদাৰসকলৰ সৈতে আলোচনা আৰু সমন্বয়ৰ এক কাৰ্যকৰী নতুন পৰম্পৰা হিচাপে বিবেচিত হৈ আহিছে। ইয়াত কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ প্ৰতিনিধিৰ লগতে উদ্যোগী, ক্ষুদ্ৰ-লঘু আৰু মজলীয়া উদ্যোগ, ৰপ্তানিকৰ্তা, বিশ্বস্তৰীয় বিনিয়োগকাৰী, ষ্টাৰ্টআপ জগতৰ উদ্যোগীসকল জড়িত হৈ আছে। প্ৰতিখন ৱেবিনাৰৰ সময়ত বিস্তৃত পেনেল আলোচনা আৰু বিষয়-

**৫.৪%**

**জিডিপিৰ হাৰ অক্টোবৰ-ডিচেম্বৰ ২০২১ ত্ৰিমাসিকত**

**বাজেট কাৰ্যকৰীকৰণৰ ওপৰত উদ্যোগ জগত আৰু চৰকাৰৰ মাজত বাজেট ৱেবিনাৰৰ লগতে ভৰষাৰ আৰম্ভণি।**

**৮.৫%**

**লৈ জিডিপিৰ অনুমান এই বিত্তীয় বৰ্ষত অৰ্থনৈতিক সমীক্ষাৰ মতে।**


আধাৰিত “ব্ৰেক-আউট” (নিৰন্তৰ) অধিৱেশন অনুষ্ঠিত হয়। এই ৱেবিনাৰবোৰৰ জৰিয়তে চৰকাৰে একাধিক মূল্যৱান পৰামৰ্শ লাভ কৰিছে যিবোৰ বাজেট ঘোষণাৰ কাৰ্যকৰী ৰূপায়ণত সহায় কৰিব।

**সংবাদ আৰু সমন্বয়ে লাভ কৰিছে গতি**

বাজেটৰ পাছত হিতাধিকাৰীৰ সৈতে সংবাদ আৰু সমন্বয়ৰ পৰম্পৰাৰ পৰা যি এক ধনাত্মক পৰিৱেশৰ উদ্ভৱ হৈছে সেয়া বিগত বৰ্ষৰ বাজেটে এক উদহাৰণ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। কিয়নো বিগত বৰ্ষৰ বাজেটত ঘোষিত সকলো পৰিকল্পনা, ঘোষণা বিত্তীয় বৰ্ষ সমাপ্ত হোৱাৰ আগতে কাৰ্যকৰী হৈছে। বিগত বৰ্ষত ঘোষিত কেতবোৰ ঘোষণা যেনে- ভেকচিনৰ বাবে ৩৫ হাজাৰ কোটি টকাৰ ব্যৱস্থাপনা, স্বাস্থ্য খণ্ডত ডিজিটেল ব্যৱস্থাৰ গুৰুত্ব বৃদ্ধি, স্কুলবোৰত পুষ্টি অভিযান অন্য পাঁচ বছৰৰ বাবে বৃদ্ধি কৰা, জল জীৱন মিছন, উজ্জ্বলা ২.০, অমৃত ২.০, স্বচ্ছ পৰিৱেশৰ বাবে স্ক্ৰেপ নীতিৰ কাৰ্যকৰীকৰণ, ভাৰত নিৰ্বিনিয়োজনৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ ১৩ টা খণ্ডত প্ৰায় ২ লাখ কোটি টকাৰ পিএলআই আঁচনি, ৭খন টেক্সটাইল পাৰ্কৰ পদক্ষেপ, ৰাষ্ট্ৰীয় মুদ্ৰকৰণ পাইপলাইন, ঘাইপথ, ৰেল, জলপথ, বিজুলি যোগান, চহৰৰ আন্তঃগাঁথনি নিৰ্মাণ আদি সকলো ক্ষেত্ৰৰ বাবে প্ৰধানমন্ত্ৰী গতিশক্তি আঁচনি, নূন্যতম সমৰ্থন মূল্যত কৃষি সামগ্ৰীৰ ক্ৰয়, কৃষি আন্তঃগাথনিত গুৰুত্ব, স্বামীত্ব আঁচনিৰ বিস্তাৰ, এখন দেশ-এখন সুলভ মূল্যৰ দোকানৰ কাৰ্ড আঁচনিৰ বিস্তাৰ, ই-শ্ৰম পৰ্টেলৰ শ্ৰীবৃদ্ধি, দেশত ১০০ সৈনিক স্কুল খোলাৰ পদক্ষেপ, লেহত কেন্দ্ৰীয় বিশ্ববিদ্যালয়, কৌশল বিকাশৰ লগতে নূন্যতম চৰকাৰ-সৰ্বাধিক শাসনৰ অধীনত নতুন পদক্ষেপবোৰ বিত্তীয় বৰ্ষ শেষ হোৱাৰ তিনি মাহৰ পূৰ্বে কাৰ্যকৰী হৈছে।

**নতুন ভাৰতৰ বাজেটক নতুন দিশ**

পূৰ্বতে বাজেট যেতিয়া কাৰ্যকৰী কৰাৰ সময় হৈছিল তেতিয়া মে’ মাহ শেষ হোৱাৰ লগে লগে বৰষুণ আৰম্ভ হৈছিল, যি জুলাই-আগষ্ট-ছেপ্টেম্বৰলৈকে আন্তঃগাঁথনিৰ সৈতে জড়িত হৈ থকা সকলো কাম বন্ধ কৰি ৰাখিছিল। যদিও এপ্ৰিলৰ পৰা জুনলৈকে থকা সময় আন্তঃগাঁথনিৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। এতিয়া সেয়েহে এমাহ আগতে বাজেট হোৱাৰ ফলত এপ্ৰিল-জুনলৈ তিনি মাহৰ ব্যৱহাৰ কৰি দ্ৰুত গতিত কাম কৰা হৈছে। চৰকাৰৰ মতে যেতিয়া নতুন বাজেট ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী কৰা হয় তেতিয়া সকলো আঁচনি সেই দিনটোৰ পৰা আগবাঢ়িব লাগে আৰু ফেব্ৰুৱাৰী-মাৰ্চ প্ৰস্তুতিৰ বাবে ৰাখিব লাগে। চৰকাৰৰ এই প্ৰস্তুতিৰ ফলস্বৰূপে দুৰ্যোগৰ সময়ৰ পিছত অহা ঐতিহাসিক বাজেট 'নতুন ভাৰত'ৰ ভেটি শক্তিশালী



সকলোৰে সৈতে সকলোৰে বিকাশ, সকলোৰে বিশ্বাস, সকলোৰে প্ৰয়াস, এই বাজেটতো সকলোৰে প্ৰয়াস যথেষ্ট প্ৰয়োজনীয়। বাজেট- এয়া কেৱল সংখ্যাৰ দলিল নহয়। যদিহে আমি বাজেট সঠিক ভাৱে, সঠিক সময়ত ৰূপায়ন নকৰোঁ তেন্তে আমাৰ সীমিত সম্পদৰ পৰাও যথেষ্ট পৰিৱৰ্তন আহিব পাৰে। এয়া তেতিয়াহে সম্ভৱ হৈ পৰিব যেতিয়া বাজেটক লৈ কি কৰিব লাগে সেয়া সকলোৰে মনত স্পষ্ট হৈ পৰিব।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**




> আমি এই ক্ষেত্ৰত কৃষকসকলৰ মাজত সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিব লাগিব। তেওঁলোকক সহজে এই কথাটো বুজাব লাগিব যে প্ৰতি ১-২ বছৰৰ মূৰকত তেওঁলোকে নিজৰ কৃষি ভূমিৰ পৰীক্ষা কৰে আৰু সেই অনুসৰি মাটিৰ বাবে কি দৰৱৰ প্ৰয়োজন হ'ব, কোনটো সাৰৰ প্ৰয়োজন হ'ব সেয়া কৰিলে বৈজ্ঞানিক দৃষ্টিভংগী বৃদ্ধি পাব। এয়া আপোনালোকে জনা উচিত যে আমাৰ যুৱ বিজ্ঞানীসকলে নেন' ফাৰ্টিলাইজাৰ বিকশিত কৰিছে। এই উদ্ভাৱন গেম চেঞ্জাৰ হৈ পৰিব।
>
> **নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

কৰিবলৈ আৰু ভাৰতক এক অৰ্থনৈতিক মহাশক্তি হিচাপে গঢ়ি তোলাৰ বাবে এক দৃষ্টিনন্দন দস্তাবেজ হিচাপে উদ্ভৱ হৈছে।

**যুৱ ভাৰতৰ স্বৰ্ণময় স্বপ্নৰ নতুন সম্ভাৱনা**

ভাৰতৰ যুৱ প্ৰজন্ম দেশৰ ভৱিষ্যতৰ কৰ্ণধাৰ হোৱাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাতাও হয়। এই চিন্তাৰ আধাৰতেই সাধাৰণ বাজেটত শিক্ষাৰ সৈতে জড়িত পাঁচটা দিশত বিশেষ গুৰুত্ব দিয়া হৈছে। এইবোৰৰ ভিতৰত সকলোৰে বাবে গুণগত শিক্ষা প্ৰদান, কৌশল বিকাশ, নগৰ পৰিকল্পনা আৰু অলংকৰণ, শিক্ষা আৰু জ্ঞানৰ সৈতে জড়িত প্ৰতিষ্ঠানক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বাবে নিৰ্মাণৰ বাবে প্ৰস্তুতি আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি উন্নত শিক্ষা প্ৰদানত বিশেষ গুৰুত্ব। শিক্ষাৰ বিস্তাৰ হৈ পৰক, শিক্ষাৰ জৰিয়তে ক্ষমতা বৃদ্ধি পাওঁক আৰু ভাৰতত বিশ্বস্তৰীয় বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগতে এনিমেশ্বনৰ জগতত নাম উজ্বল কৰা আদিবোৰো সেই পাঁচটা দিশৰ অন্তৰ্ভুক্ত হৈ আছে। ভাৰতত কোভিডৰ পূৰ্বৰ পৰাই ডিজিটেল খণ্ডত কাম চলি আছিল আৰু তাৰ বাবেই কোভিডৰ দৰে দুৰ্যোগপূৰ্ণ স্থিতিৰ সময়তো কোনো কাৰ্য স্থৱিৰ হৈ পৰা নাছিল। ভাৰতৰ চিন্তা হৈছে আধুনিক শিক্ষাক সৰ্বাধিক গুৰুত্ব দিয়া আৰু এই ক্ষেত্ৰত কেন্দ্ৰ চৰকাৰে সকলো দিশত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ভিতৰত ডিজিটেল শিক্ষাৰ অধীনত ই-বিদ্যা, ৱান ক্লাছ-ৱান চেনেল, ডিজিটেল কৰ্মশালা, ডিজিটেল বিশ্ববিদ্যালয় আদি পদক্ষেপ গ্ৰহণ কৰি গ্ৰামাঞ্চলৰ ভাৰতবৰ্ষলৈ তথা সমাজৰ প্ৰতিটো বৰ্গৰ শিক্ষাৰ্থীলৈ উন্নত শিক্ষা নিয়াৰ ব্যৱস্থা কৰা হৈছে।

ৰাষ্ট্ৰীয় ডিজিটেল বিশ্ববিদ্যালয় হৈছে ভাৰতীয় শিক্ষা

ব্যৱস্থাত এক অভিনৱ প্রয়াস। বিশ্ববিদ্যালয়ত আসনৰ সংখ্যা কম হোৱাৰ বিষয়টো সমাধান কৰাৰ বাবে কেন্দ্র চৰকাৰে বিশেষ গুৰুত্ব দিছে আৰু এই ক্ষেত্রত কাম কৰি আছে। বিশ্বস্তৰীয় ডিজিটেল বিশ্ববিদ্যালয়ে লাৰ্নি আৰু ৰি-লাৰ্নিঙৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰিব। মানসিক বিকাশত মাতৃভাষাৰ গুৰুত্বৰ কথা উপলব্ধি কৰি একাধিক ৰাজ্যত মেডিকেল আৰু অভিযান্ত্রিক শিক্ষা মাতৃভাষাত দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে বিশেষ ই-কনটেন্ট (পাঠ) তৈয়াৰ কৰা হৈছে। ভাৰতীয় সাংকেতিক ভাষাতো এনেকুৱা পাঠ্যক্রম কৰা হৈছে। ইয়াৰ ফলত দিব্যাংগ শিক্ষাৰ্থী লাভান্বিত হৈ পৰিব।

কোভিডৰ পাছত পৰিস্থিতি অধ্যয়ন কৰি কৌশল দিয়াৰ মানসিকতাৰে তথা আত্মনিৰ্ভৰশীল কৰাৰ বাবে ডিজিটেল ইক'ছিষ্টেম ফ'ৰ স্কিলিং এণ্ড লাইভলীহুড (DESH STACK-ই-পৰ্টেল) আৰু ই-কৌশলৰ কৰ্মশালা আৰম্ভ কৰা হৈছে। এই পদক্ষেপত পৰ্যটন, ড্ৰোন, এনিমেচন-কাৰ্টুন, প্ৰতিৰক্ষা সামগ্ৰীৰ দৰে উদ্যোগবোৰে দক্ষ লোক পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উদ্দেশ্যৰ বাবে শিক্ষা খণ্ডৰ অংশীদাৰসকলৰ সৈতে বাৰ্তালাপ কৰিছিল।

ভাৰতৰ দৰে এখন দেশত এসময়ত নালন্দা, তক্ষশীলা, বল্লভিৰ দৰে ডাঙৰ শিক্ষানুষ্ঠান আছিল সেই ভাৰতত‌ে আজি শিক্ষাৰ্থীসকলে বিদেশলৈ পঢ়িবলৈ গৈ আছে। কিন্তু এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লক্ষ্য হৈছে প্ৰাক-প্ৰাথমিকৰ পৰা স্নাতকোত্তৰ লৈকে এক ব্লুপ্ৰিণ্ট তৈয়াৰ কৰা যি একবিংশ শতিকাৰ সৈতে খাপ খায়। সেয়েহে সৈনিক বিদ্যালয়কো ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত সম্প্ৰসাৰিত কৰা হৈছে। যদি আমি এই বাজেটলৈ লক্ষ্য কৰোঁ, স্বাধীনতাৰ অমৃত মহোৎসৱ কালত ৰাষ্ট্ৰীয় শিক্ষাৰ পৰিপ্ৰেক্ষিতত এক শক্তিশালী ভেটি স্থাপন কৰা হৈছে।

### গ্ৰামাঞ্চললৈ সামগ্ৰিক বিকাশৰ প্ৰাণ প্ৰতিষ্ঠা

স্বাধীনতাৰ অমৃতকালৰ বাবে এখন নতুন ভাৰতৰ সংকল্প সকলোৰে প্ৰচেষ্টাৰ ফলত সম্ভৱ হৈ পৰিব। সকলোৰে প্ৰচেষ্টাত সকলোৰে উন্নয়ন সম্ভৱ হয়। প্ৰতিজন ব্যক্তি, প্ৰতিটো শ্ৰেণী, প্ৰতিটো অঞ্চলে উন্নয়নৰ সম্পূৰ্ণ লাভালাভ পাব। সেয়েহে বিগত সাত বছৰত কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিজন নাগৰিক, প্ৰতিটো খণ্ডত গুৰুত্ব দিছে। চৰকাৰে দেশৰ গাঁৱবোৰত পকী ঘৰ, শৌচালয়, ৰন্ধন গেছ, বিদ্যুৎ যোগান ধৰি দৰিদ্ৰ লোকসকললৈ পানী-ঘৰ-ৰাস্তাৰ দৰে মৌলিক সুবিধাবোৰ দি যথেষ্ট সফলতা অৰ্জন কৰিছে। চৰকাৰৰ লক্ষ্য হৈছে সমাজৰ সকলো শ্ৰেণীৰ ওচৰলৈ আঁচনিবোৰ লৈ যোৱা। এই লক্ষ্য প্ৰাপ্তিৰ বাবে সাধাৰণ বাজেটত গ্ৰাম্য ভাৰতৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটত প্ৰধানমন্ত্ৰী আৱাস যোজনা, গ্ৰাম্য পথ আঁচনি, জল জীৱন মিছন, উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে

## প্ৰযুক্তি আৰু আন্তঃগাঁথনিৰ সহায়ত সলনি হৈ পৰিব গাঁওৰ ছবি




**৩.৮**

কোটি নতুন নল সংযোগ গ্ৰামাঞ্চলৰ পৰিয়ালবোৰত এই বিত্তবৰ্ষ ২০২২-২৩ত দিয়া যাব, যাৰ বাবে ৬০ হাজাৰ কোটিৰ বাজেট ধাৰ্য কৰা হৈছে।

### ভাইব্ৰেন্ট ভিলেজ

ভাইব্ৰেন্ট ভিলেজৰ জৰিয়তে সলনি হৈ পৰিব সীমান্তৰ গাঁওবোৰৰ আন্তঃগাঁথনি, বিগত বৰ্ষৰ ২৫০০ কোটিৰ তুলনাত এইবাৰ ৩৫০০ ধাৰ্য কৰা হৈছে।

- গ্ৰামাঞ্চলত অপটিকেল ফাইবাৰ লগোৱাৰ কাম ২০২৫লৈ সম্পূৰ্ণ হৈ পৰিব।
- পূৰ্বোত্তৰ গাঁও এলেকাত উন্নয়নৰ বাবে পিএম বিকাশ আঁচনি যুগুত কৰা হৈছে।
- ইউনিক ভূখণ্ড পৰিচয় সংখ্যাৰ (ইউএলপিআইএন) কাম ১৩খন ৰাজ্যত হৈ গৈছে, বিত্তীয় বৰ্ষ ২০২২-২৩ৰ শেষলৈ সমগ্ৰ দেশত ইউএলপিআইএন দিয়াৰ লক্ষ্য।
- স্বামীত্ব আঁচনিৰ অধীনত ২০২৫লৈ দেশৰ প্ৰতিখন গাঁৱৰ ভূমি ড্ৰোনৰ জৰিয়তে সমীক্ষা কৰি ডিজিটেল ৰেকৰ্ড তৈয়াৰ কৰাৰ লক্ষ্য ৰখা হৈছে। ১.১০ লাখ গাঁও এলেকাত ড্ৰোন সমীক্ষা।



**১৬৩** লাখ কৃষকক দিয়া হ'ব ২.৩৭ লাখ কোটি টকাৰ নূন্যতম সমৰ্থন মূল্য পৰিশোধ।

# নেক্সট জেনেৰেশ্বন এগ্ৰিকালচাৰৰ দিশে বৰ্ধিত পদক্ষেপ

**১.৩২** লাখ কোটি কৰা হৈছে কৃষি আৰু কল্য়াণ মন্ত্ৰণালয়ৰ বাজেট বিগত বৰ্ষৰ ১.২৩ লাখ কোটিৰ তুলনাত।

1. গংগাৰ দুয়োপাৰে ৫কিঃমিঃ পৰ্যন্ত এলেকাত প্ৰাকৃতিক খেতি।
2. কৃষি আৰু বাগিচাত আধুনিক প্ৰযুক্তি কৃষকলৈ আগবঢ়োৱা হ'ব।
3. খাদ্যৰ বাবে ব্যৱহাৰ হোৱা তেলৰ আমদানি হ্ৰাস কৰিবলৈ পাম অইল মিছনৰ আৰম্ভণি।
4. কৃষি উৎপাদনৰ পৰিবহনৰ বাবে পিএম গতিশক্তিৰ জৰিয়তে লজিষ্টিকৰ সহায়।
5. কৃষিৰ জাৰৰ তথা অন্যান্য জাৰৰ নিস্কাশনৰ বাবে তথা জাৰৰৰ পৰা শক্তি আহৰণৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধিত গুৰুত্ব।
6. কৃষকৰ সহায়ৰ বাবে দেশৰ ডেৰ লাখৰো অধিক ডাকঘৰত বেংকিং সুবিধা।
7. কৃষি গৱেষণা-শক্তিৰ সৈতে জড়িত পাঠ্যক্ৰমত, মানৱ সম্পদ বিকাশত আধুনিক সময় অনুসৰি পৰিৱৰ্তন।

## প্ৰাকৃতিক খেতি

ৰসায়ন মুক্ত প্ৰাকৃতিক খেতিত গুৰুত্ব, প্ৰথম পৰ্যায়ত গংগা নদীৰ কাষে কাষে পাঁচ কিঃমিঃ পৰ্যন্ত এলেকাৰ ভূমিত খেতি।

## প্ৰযুক্তিৰ সহায়ত দূৰ হ'ব বাধাবোৰ

সমীক্ষা, ভূমিৰ ৰেকৰ্ড তথা ডিজিটেলকৰণ তথা কীটনাশকৰ প্ৰয়োগৰ বাবে ড্ৰোনৰ ব্যৱহাৰ কৰা হৈছে। পিপিপি ব্যৱস্থাৰ জৰিয়তে কৃষকক উন্নত প্ৰযুক্তিৰ আৰু হাই-টেক সেৱা প্ৰদান। কৃষি ষ্টাৰ্টআপৰ সহায়ৰ বাবে বিশেষ পুঁজি। ৯.১ লাখ হেক্টৰ ভূমিৰ কেন-বেতৱা নদী সংযোগ প্ৰকল্পত কাম আৰম্ভ হ'ব।



উন্নত যোগাযোগ, গাওঁসমূহত ব্ৰডবেণ্ড সংযোগৰ বাবে আঁচনি ৰূপায়নৰ ব্যৱস্থা কৰা হৈছে। প্ৰথমবাৰৰ বাবে বিশেষ 'সীমান্তৱৰ্তী গাওঁৰ বাবে ভাইব্ৰেণ্ট ভিলেজ'ৰ কাৰ্যসূচী ঘোষণা কৰা হৈছে। পিএম-ডিভাইনৰ জৰিয়তে উত্তৰ-পূবৰ ৰাজ্যসমূহত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত উন্নয়নমূলক আঁচনিৰ ১০০শতাংশ লাভালাভ নিশ্চিত কৰাৰ বাবে কাম কৰা হৈছে।

এনে প্ৰেক্ষাপটত এই খণ্ডৰ সৈতে জড়িত হৈ থকা হিতাধিকাৰীৰ সৈতে প্ৰধানমন্ত্ৰীয়ে বাৰ্তালাপ কৰি দেশৰ গ্ৰামাঞ্চলৰ প্ৰতি তেওঁৰ থকা দায়িত্ববোধ প্ৰতিপন্ন কৰিছে। গ্ৰামাঞ্চলৰ ভূমিৰ ৰেকৰ্ডৰ ডিজিটেলকৰণ, স্বামীত্ব আঁচনি, ইউআইডি পিনৰ দৰে অভিনৱ পদক্ষেপো কেন্দ্ৰই গ্ৰহণ কৰিছে। ইয়াৰ ফলত গ্ৰামাঞ্চলত আন্তঃগাঁথনিৰ কাম উন্নত হৈছে আৰু ব্যৱসায়িক কাৰ্যকলাপ বৃদ্ধি


পাইছে। প্ৰতিঘৰলৈ পকী ঘৰ সুনিশ্চিতকৰণৰ বাবে এইবাৰৰ সাধাৰণ বাজেটত ৮০ লাখ নতুন ঘৰ নিৰ্মাণৰ লক্ষ্য ৰখা হৈছে। দেশৰ ৬খন চহৰত লাইট হাউছৰ দৰে প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে। গ্ৰামীণ ভাৰতক বুনিয়াদী সুবিধা দিয়াৰ বাবে জল জীৱন মিছনৰ অধীনত প্ৰায় ৪ কোটি নতুন সংযোগ দিয়াৰ লক্ষ্য বাজেটত ৰখা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই লক্ষ্য প্ৰাপ্তিৰ বাবে সকলোৰে সহযোগিতাৰ আৱশ্যক যাতে ২০২৪ চনৰ ভিতৰত ঘৰে ঘৰে নলৰ জৰিয়তে খোৱাপানী যাব পাৰে।

গাঁৱসমূহত ব্ৰডবেণ্ড থকাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই পদক্ষেপে কেৱল ডিজিটেল সংযোগ শক্তিশালী কৰাই নহয়, দক্ষ যুৱক-যুৱতীৰ এক বৃহৎ নেটৱৰ্ক সৃষ্টি কৰিব। এই পৰীক্ষাৰ জৰিয়তে সকলো ডাকঘৰক মূল বেংকিং ব্যৱস্থালৈ অনাৰ ব্যৱস্থা কৰা হৈছে, যাতে বিত্তীয় অন্তৰ্ভুক্তিৰ বাবে আৰম্ভ কৰা জন ধন যোজনা ১০০শতাংশ লোকৰ ওচৰলৈ লৈ যাব পাৰি।

এই বিত্তীয় অন্তৰ্ভুক্তিয়ে মহিলাসকলক অৰ্থনৈতিক সিদ্ধান্তত অংশীদাৰ কৰি তুলিছে। কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপ হৈছে গ্ৰাম্য অঞ্চলত অধিক সংখ্যক ষ্টাৰ্টআপ সৃষ্টি কৰা। এই ষ্টাৰ্টবোৰত ব্যক্তিগত খণ্ডৰ ভূমিকা গুৰুত্বপূৰ্ণ। আকাংক্ষাৰ জিলাবোৰৰ দৰে প্ৰধানমন্ত্ৰীয়ে ২০২২ চনত গাওঁসমূহত প্ৰতিযোগিতামূলক উন্নয়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।


**৭টা সূত্ৰৰে কৃষি খণ্ডক নেক্সট জেনেৰেশ্বন লৈ নিয়াৰ পদক্ষেপ**

বৰ্তমানৰ কেন্দ্ৰ চৰকাৰে কৃষকৰ আয় বৃদ্ধি কৰা, কৃষি কৰ্মত খৰচ কম কৰা, শস্যৰ পৰা বজাৰলৈ কৃষকক আধুনিক সুবিধা প্ৰদান কৰাটো মূল লক্ষ্য হিচাপে লৈছে। সেয়েহে যোৱা সাত বছৰত, বহুতো নতুন প্ৰণালী সৃষ্টি কৰা হৈছে। মাত্ৰ ৬ বছৰত, কৃষি বাজেট বহুগুণে বৃদ্ধি পাইছে, আনহাতে কৃষকসকলৰ বাবে কৃষি ঋণো ৭ বছৰত আঢ়ৈ গুণ বৃদ্ধি কৰা হৈছে। আনকি কোভিডৰ কঠিন সময়তো, ৩ কোটি ক্ষুদ্ৰ কৃষকক বিশেষ অভিযান চলাই কিষাণ ক্ৰেডিট কাৰ্ড (কেচিচি) সুবিধাৰ সৈতে সংযুক্ত কৰা হৈছিল। এই সকলো পদক্ষেপৰ বাবে কৃষকসকলে প্ৰতি বছৰে অভিলেখ স্থাপন কৰি আছে আৰু আনকি নূন্যতম সমৰ্থন মূল্যতো ক্ৰয়ৰ নতুন অভিলেখ স্থাপন কৰি আছে। জৈৱিক কৃষিৰ প্ৰচাৰৰ বাবে, জৈৱিক সামগ্ৰীৰ বজাৰ এতিয়া ১১,০০০ কোটি টকালৈ বৃদ্ধি হৈছে। ইয়াৰ ৰপ্তানিও ছয় বছৰত ২০০০ কোটি টকাৰ পৰা ৭০০০ কোটি টকাতকৈ অধিক বৃদ্ধি পাইছে। এতিয়া চৰকাৰে এই কৃষি সংস্কাৰসমূহ ধাৰাবাহিকতাৰে সম্প্ৰসাৰিত কৰাত নিয়োজিত হৈ আছে। কৃষিক আধুনিক আৰু স্মাৰ্ট কৰি তুলিবলৈ এই বছৰৰ সাধাৰণ বাজেটত সাতটা উপায়ৰ



বিশ্বত লাহে লাহে প্ৰাকৃতিক সম্পদ তথা অন্য সাধনবোৰ হ্ৰাস পাবলৈ ধৰিছে। এনে প্ৰেক্ষাপটত চক্ৰ অৰ্থনীতি সময়ৰ আহ্বান আৰু এয়া দৈনন্দিন জীৱনৰ অংশ হোৱাটো অৱশ্যম্ভাৱী হৈ পৰিছে। আমাৰ বাবে প্ৰতিটো খণ্ডত উদ্ভাৱন যথেষ্ট প্ৰয়োজনীয়। দেশৰ ব্যক্তিগত খণ্ডক বিশ্বাস দিওঁ যে চৰকাৰ আপোনালোকৰ প্ৰচেষ্টাৰ লগত আছে।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**



# ৰাষ্ট্ৰ লক্ষ্যৰ আধাৰ আত্মনিৰ্ভৰ **প্ৰতিৰক্ষা খণ্ড**

**৫.২৫**

লাখ কোটি টকাৰ বাজেট আবন্টন কৰা হৈছে প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ বাবে, এয়া মুঠ বাজেটৰ ১৩.৩১%।

**প্ৰতিৰক্ষা ব্যয়**
প্ৰতিৰক্ষা ব্যয়ৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ তৃতীয় স্থানত আছে।

- প্ৰতিৰক্ষা বাজেটত ২০২১-২২ৰ বাজেট অনুমানতকৈ ৪৬,৯৭০ কোটি টকাৰ (৯.৮২শতাংশ) বৃদ্ধি।
- প্ৰতিৰক্ষা সেৱাৰ মূল ব্যয়ৰ অধীনত মুঠ আবন্টন ২০১৩-১৪ৰ ৮৬,৭৪০ কোটি টকাৰ পৰা বৃদ্ধি হৈ ২০২২-২৩ত ১.৫২ লাখ কোটি টকা হৈছে। ৯ বছৰত এই বৃদ্ধি ৭৬ শতাংশ হয়।
- সাধাৰণ বাজেট ২০২২-২৩ত সশস্ত্ৰ বলৰ আধুনীকিকৰণৰ পৰা পৰিবৰ্ধনৰ বাবে পুঁজিৰ আবন্টন ১.৫২ লাখ কোটি টকা কৰা হৈছে। এয়া বিগত বৰ্ষৰ তুলনাত ১২.৮২ শতাংশতকৈও অধিক।
- এই বিত্ত বৰ্ষত প্ৰতিৰক্ষা ক্ৰয় বাজেটত ৬৮ শতাংশ ঘৰুৱা উদ্যোগৰ বাবে কৰা হৈছে, এয়া বিগত বৰ্ষত ৫৮ শতাংশ আছিল।
- সাগৰ সুৰক্ষা শক্তিশালী কৰাৰ বাবে ভাৰতীয় নৌসেনাৰ মূল বাজেটত ৪৪.৩১ শতাংশৰ বৃদ্ধি।
- গৱেষণা তথা উন্নয়ন খণ্ড উদ্যোগ, ষ্টাৰ্ট আপ আৰু শিক্ষা খণ্ডৰ বাবে খোলাৰ প্ৰস্তুতি, অনুসন্ধান-গৱেষণাৰ বাজেট ২৫ শতাংশ নিৰ্ধাৰণ কৰা হৈছে।
- সকলো পৰ্যৱেক্ষণৰ বাবে এক নীৰিক্ষণ নিকায়(আমব্ৰেলা) স্থাপন।

পৰামৰ্শ দিয়া হৈছে। (বাকচ চাওক-পৃষ্ঠা ২১) এইবোৰত প্ৰাকৃতিক কৃষিৰ বাবে কৰিডৰ, গৱেষণা, দক্ষতা বিকাশৰ দৰে পৰিৱৰ্তন অন্তৰ্ভুক্ত হৈ আছে।

প্ৰধানমন্ত্ৰীয়ে সকলো অংশীদাৰক কয় যে, প্ৰাকৃতিক কৃষিৰ লাভালাভ কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি বিশ্ববিদ্যালয়সমূহে জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ বাবে কাম কৰি আছে। তেওঁ কিষাণ বিকাশ কেন্দ্ৰবোৰক একোখনকৈ গাঁও দত্তক গ্ৰহণ কৰিবলৈ আহ্বান জনায় আৰু কৃষি বিশ্ববিদ্যালবোৰে ১০০-৫০০ কৃষকক প্ৰাকৃতিক কৃষিৰ দিশত লৈ যোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ কয়। তেওঁ লগতে কয় বিদেশী কোম্পানীবোৰে সুস্বাস্থ্যৰ বিজ্ঞাপন দি বিদেশী সামগ্ৰী দেশবাসীক বিক্ৰী কৰি আছে। কিন্তু এই বিদেশী খাদ্য সমাগ্ৰীতকৈ অধিক উন্নত খাদ্য সামগ্ৰী দেশত পোৱা যায়, ইয়াৰ কৃষকে উৎপাদন কৰে। সেয়েহে প্ৰধানমন্ত্ৰীয়ে ভোকেল ফৰ লোকেলৰ অধীনত এই স্থানীয় উৎপাদনৰ প্ৰচাৰৰ বাবে সকলোকে আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰে কেন-বেটৱা সংযোগৰ দৰে নদীক সংযোগ কৰি ক্ষুদ্ৰ জলসিঞ্চন, কৃষি জলসিঞ্চন শক্তিশালী কৰাৰ বাবে কৰ্পোৰেট বিশ্বক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। একে সময়তে চৰকাৰে দেশৰ খাদ্যৰ প্ৰয়োজনীয়তা অধ্যয়ন কৰি আৰু কৃষকসকলৰ সৈতে আগতীয়াকৈ এক চুক্তি তৈয়াৰ কৰি শস্য উৎপাদনৰ প্ৰসাৰৰ বাবে ব্যক্তিগত খণ্ডৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নৰা আৰু অন্যান্য কৃষিজাত আৱৰ্জনাৰ ব্যৱস্থাপনাত ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণো গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি থকাৰ কথা প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে। এই বাজেট ৱেবিনাৰৰ জৰিয়তে অংশীদাৰসকলৰ সৈতে বাৰ্তালাপ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতত খাদ্য প্ৰক্ৰিয়াকৰণ আৰু ইথানলত বিনিয়োগ অতি আশাব্যঞ্জক হৈ পৰিছে। চৰকাৰে ইথানলৰ ২০ শতাংশ মিশ্ৰণৰ লক্ষ্য লৈছে। ২০১৪ চনৰ আগতে, য'ত ১-২ শতাংশ ইথানল ব্লেণ্ডিং হৈছিল সেয়া এতিয়া প্ৰায় ৮ শতাংশ হৈছে। চৰকাৰে ইথানল মিশ্ৰণ বৃদ্ধি কৰিবলৈ যথেষ্ট উদগনি দিছে যাতে ব্যৱসায়ীসকল এই খণ্ডতো আগবাঢ়ি আহে।

কৃষি খণ্ডত আধুনিকতা প্ৰদান কৰি অন্য এক পৰ্যায়লৈ নিয়াৰ বাবে কেন্দ্ৰ চৰকাৰে বিশেষ পদক্ষেপবোৰ গ্ৰহণ

কৰি আহিছে।

**ৰাষ্ট্ৰ শক্তিৰ আধাৰ হৈছে আত্মনিৰ্ভৰশীল প্ৰতিৰক্ষা খণ্ড**

স্বাধীনতাৰ সময়ত ভাৰতৰ প্ৰতিৰক্ষা খণ্ড শক্তিশালী আছিল কিন্তু কালক্ৰমত এয়া দুৰ্বল হৈ পৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে হৃত গৌৰৱ ঘূৰাই অনাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ৰপ্তানিৰ সলনি আমদানিৰ ওপৰত বেছি নিৰ্ভৰশীল হৈ পৰা ভাৰতীয় প্ৰতিৰক্ষা খণ্ডক এতিয়া আত্মনিৰ্ভৰশীল কৰাৰ বাবে গুৰুত্ব দিয়াৰ লগতে ভাৰতীয় সামৰিক উৎপাদন বিদেশী ৰপ্তানি কৰাৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। এইবাৰৰ বাজেটতো এই সন্দৰ্ভত বিশেষ ঘোষণা কৰা হৈছে। সেই অনুসৰি দেশৰ ভিতৰতেই সামৰিক উৎপাদন সৰ্বাধিক কৰি দেশক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৱেবিনাৰৰ মাধ্যমত অংশীদাৰসকলৰ সৈতে কথা হয় কিয়নো এইবাৰৰ বাজেটত ৬৪ শতাংশ কেৱল ঘৰুৱা উৎপাদনৰ বাবে ৰখা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰণালয়ে এতিয়ালৈ ৩০৯ টা সামগ্ৰীৰ (সামৰিক) সূচী জাৰি কৰিছে যিবোৰ ঘৰুৱা উৎপাদনকাৰীৰ পৰা ক্ৰয় কৰিব লাগিব। শীঘ্ৰে অন্য এখন সূচীও জাৰি হ'ব। ইয়াৰ জৰিয়তে ইতিমধ্যে ৫৪ হাজাৰ কোটি টকাৰ স্বদেশী সামগ্ৰীৰ ক্ৰয়ৰ বাবে চুক্তি স্বাক্ষৰিত হৈছে আৰু ৪.৫ লাখৰো অধিক মূল্যৰ সামগ্ৰীৰ চুক্তি বিভিন্ন পৰ্যায়ত হৈছে। প্ৰতিৰক্ষা খণ্ডত ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। চাইবাৰ আক্ৰমণ প্ৰতিহিত কৰাৰ ক্ষেত্ৰতো ভাৰতে পদক্ষেপ গ্ৰহণ কৰিছে। বিগত ৬ বছৰত ভাৰতীয় প্ৰতিৰক্ষা সামগ্ৰীৰ ৰপ্তানি ছগুণ বৃদ্ধি হৈছে। ইয়াৰ লগতে ৭৫খনৰো অধিক দেশক স্বদেশত নিৰ্মীত অস্ত্ৰ-শস্ত্ৰ তথা সামৰিক সামগ্ৰী ৰপ্তানি কৰা হৈছে। বিগত ৭টা বৰ্ষত ৩৫০ৰো অধিক উৎপাদনকাৰীক অনুজ্ঞা (লাইছেন্স) দি সামৰিক উৎপাদন দেশত বৃদ্ধি কৰাৰ বাবে পদক্ষেপ লোৱা হৈছে। প্ৰতিৰক্ষা কৰিডৰ নিৰ্মাণ কৰি চৰকাৰী উদ্যোগত প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশত ভাৰত আগবাঢ়িব ধৰিছে।

**স্বাস্থ্য খণ্ডৰ ওপৰত সমগ্ৰ দৃষ্টিকোণ**

ভাৰতীয় স্বাস্থ্য খণ্ডৰ গুৰুত্ব কিমান সেয়া কোভিড মহামাৰীৰ সময়ত বাৰুকৈয়ে উপলব্ধি কৰা গৈছে। ভাৰত চৰকাৰে কোভিড মহামাৰীৰ সময়ত ৰোগৰ উপশমৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। ইয়াৰ লগতে বসুধৈৱ কুটুম্বকমৰ ভাৱধাৰাৰে অনুপ্ৰাণিত হৈ কোভিড দুৰ্যোগৰ পৰা ৰক্ষা কৰাৰ বাবে বিদেশী ৰাষ্ট্ৰক সহায় কৰিছে। ইয়াৰ পাছত স্বদেশী টিকাকৰণৰ যোগেদি ভাৰত ৰাষ্ট্ৰই অনেক বিদেশী ৰাষ্ট্ৰক সহায় কৰিছে। এতিয়া কেন্দ্ৰ চৰকাৰৰ মনোভাৱ হৈছে দেশৰ সকলো প্ৰান্ততে উন্নত স্বাস্থ্য

## ৱান ইণ্ডিয়া ৱান হেল্থ

**৮৬,২০০**

কোটি টকা আবন্টন কৰা হৈছে এই বিত্ত বৰ্ষৰ স্বাস্থ্য বাজেটৰ বাবে, বিগত বৰ্ষতকৈ এয়া ১৬% বেছি।

**বাজেট**

আয়ুস মন্ত্ৰণালয়ৰ বাবে ৩০৫০ কোটি টকা আবন্টন কৰা হৈছে। বিগত বৰ্ষতকৈ এয়া ২.৬৯ শতাংশ অধিক।

- আয়ুস্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য ইক'চিষ্টেমৰ মুকলি প্লেটফৰ্ম আৰম্ভ হৈ পৰিব।
- মানসম্পন্ন পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় টেলি মেন্টেল স্বাস্থ্য প্ৰ'গ্ৰামৰ জৰিয়তে দূৰ হৈ পৰিব দুঃচিন্তা।
- মিছন শক্তি, মিছন বাৎসল্য, সক্ষম অংগনবাড়ী আৰু পুষ্টি ২.০ৰ আৰম্ভণি।
- ২ লাখ অংগনবাড়ীক সক্ষম অংগনবাড়ীলৈ উন্নীত কৰা যাব।





# গতিশক্তি

## ১০৭ লাখ কোটি টকাৰে সলনি হ'ব আন্তঃগাঁথনিৰ চেহেৰা

**২৫,০০০**

কিঃমিঃ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হৈ পৰিব ২০২২-২৩ বিত্তীয় বৰ্ষত।

**৪০০**

নতুন প্ৰযুক্তিৰ বন্দে ভাৰত এক্সপ্ৰেছ শক্তি।

বুনিয়াদী স্তৰত পৰিকল্পনাবোৰৰ বাবে ক্ষমতাৰ নিৰ্মাণ, পিপিপি মডেলত ২টা স্থানত মাল্টী মডেল লজিষ্টিক পাৰ্ক নিৰ্মাণৰ বাবে ঠিকা।

- বিশ্বস্তৰীয় আধুনিক বুনিয়াদী আন্তঃগাঁথনিৰ বাবে ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেন পিএম গতিশক্তিক উৎসাহ দিয়াৰ বাবে ৭টা কাৰক- ৰেল, পথ, বিমান, মালবস্তু পৰিবহন, জলপথ আৰু লজিষ্টিক ব্যৱস্থাপনাক অন্তৰ্ভুক্ত কৰা হৈছে।
- ইউনিফাইড লজিষ্টিক ইন্টাৰফেচ প্লেটফৰ্ম আৰু অপেনছ'ৰ্চ মবিলিটী মবিলিটী ষ্টেকৰ নিৰ্মাণ।
- ডাক আৰু ৰেল নেটৱৰ্কৰ একত্ৰীকৰণ হোৱাৰ ফলত এটা ষ্টেচন-এটা উৎপাদনৰ ফলত স্থানীয় উদ্যোগৰ শ্ৰীবৃদ্ধি সম্ভৱ হৈ পৰিব।
- মাল্টি-মডেল লজিষ্টিকৰ সুবিধাৰ বাবে ১০০ কাৰ্গো টাৰ্মিনেল স্থাপন কৰা হ'ব।
- দেশীয় বিশ্বস্তৰীয় উৎপাদন আৰু ক্ষমতা বৃদ্ধিৰ কৰচৰ অধীনত ৰেল মাৰ্গ নেটৱৰ্কত ২ হাজাৰ কিঃমিঃ সংযোগ হৈ পৰিব।
- চহৰাঞ্চল পৰিবহন তথা ৰেল ষ্টেচনবোৰৰ মাজত বহুতৰপীয়া সংযোগ।
- ৰাষ্ট্ৰীয় ৰোপৱেজ বিকাশ যোজনাৰ অধীনত ৬০ কিঃমিঃ দৈৰ্ঘ্যৰ ৰোপৱে পৰিকল্পনাৰ বাবে ঠিকা দিয়া যাব।

আন্তঃগাঁথনি তৈয়াৰ কৰা। কেৱল চহৰাঞ্চলতেই নহয়, গ্ৰামাঞ্চলতো সম্পূৰ্ণ চিকিৎসাৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে কেন্দ্ৰ চৰকাৰে সিদ্ধান্ত লৈছে। ইয়াৰ বাবে চৰকাৰৰ সমগ্ৰ দৃষ্টিকোণ স্বাস্থ্যখণ্ডৰ প্ৰতি ঢাল খাইছে। ৰোগৰ উপশমৰ লগতে ৰোগৰ উৎস অনুসন্ধান কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ বাবে স্বচ্ছ ভাৰত মিছন, ফিট ইণ্ডিয়া, জল জীৱন মিছন, পুষ্টি আঁচনি, মিছন ইন্দ্ৰধনুশ, আয়ুস্মান ভাৰতৰ দৰে আঁচনি সকলো নাগৰিকলৈ নিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

কেন্দ্ৰ চৰকাৰে স্বাস্থ্য খণ্ডত সামগ্ৰিকতা অনাৰ বাবে তিনিটা বিন্দুত বিশেষ গুৰুত্ব দিছে- সেইকেইটা হৈছেঃ প্ৰথমঃ আধুনিক চিকিৎসাৰ সৈতে জড়িত হৈ থকা আন্তঃগাঁথনি আৰু মনাৱ সম্পদৰ বিস্তাৰ, দ্বিতীয়ঃ আয়ুষৰ দৰে পৰম্পৰাগত চিকিৎসা পদ্ধতিক অধিক গৱেষণা আৰু নাগৰিকৰ স্বাস্থ্য সেৱাৰ সৈতে জড়িতকৰণ, আৰু তৃতীয়ঃ আধুনিক আৰু ভৱিষ্যতৰ প্ৰযুক্তিৰ সহায়ত দেশৰ প্ৰতিজন নাগৰিকক সহজ-সুলভ স্বাস্থ্য সেৱা আগবঢ়োৱা। এইবোৰৰ বাবে সাধাৰণ বাজেটত বিশেষ প্ৰাধান্য দিয়া হৈছে। এখন ভাৰত-এটা স্বাস্থ্য সেৱাৰ অন্তৰ্গত জিলা, ব্লক আৰু গাঁও পৰ্যায়ত গম্ভীৰ বেমাৰৰ শুশ্ৰুষাৰ বাবে আন্তঃগাঁথনিৰ নিৰ্মাণত ব্যক্তিগত আৰু অন্যান্য খণ্ডক জড়িত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

উন্নত স্বাস্থ্য আন্তঃগাঁথনিয়ে কেৱল ৰোগৰ উপশম কৰাই নহয়, স্বাস্থ্য সেৱাৰ সুবিধা সৃষ্টি কৰি কৰ্মসংস্থাপন বৃদ্ধিত গুৰুত্ব দিয়ে। কৌশলী স্বাস্থ্য কৰ্মী তৈয়াৰ কৰাৰ বাবে বাজেটত স্বাস্থ্য শিক্ষা আৰু মানৱ সম্পদ সৃষ্টিত অধিক গুৰুত্ব দিছে। চৰকাৰে ঔষধ উৎপাদনৰ বাবেও পিএলআই আঁচনি আৰম্ভ কৰিছে। স্বাস্থ্য খণ্ডক আগবঢ়াই নিয়াৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। কোভিড টিকাকৰণৰ ব্যৱস্থাপনাৰ বাবে নিৰ্মাণ


হোৱা পৰ্টেলে বিশ্বত আশ্বৰ্য সৃষ্টি কৰিছিল। কো-উইনৰ জৰিয়তে কোভিড ব্যৱস্থাপনা কৰা ভাৰতবৰ্ষক সকলোৱে প্ৰশংসা কৰিছিল। এতিয়া আয়ুস্মান ভাৰত ডিজিটেল মিছনৰ জৰিয়তে স্বাস্থ্যখণ্ডত প্ৰযুক্তিৰ ব্যৱহাৰ কৰি আমূল পৰিৱৰ্তন সাধন কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

স্বাস্থ্য খণ্ডৰ হিতাধিকাৰীৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে সকলোকে এটা গুৰুত্বপূৰ্ণ আহ্বান জনায়, তেওঁ কয় মেডিকেল শিক্ষাৰ বাবে দেশৰ পৰা অনেক শিক্ষাৰ্থী বিদেশলৈ যাত্ৰা কৰে। বিদেশত ভাষাৰ সমস্যাৰ সৈতে যুঁজ দি শিক্ষাৰ্থীসকলে মেডিকেল শিক্ষা ল'বলগীয়া হয়। ইয়াৰ লগতে অধিক পৰিমাণৰ দেশীয় মুদ্ৰা বিদেশলৈ যায়। ইয়াৰ পৰিপ্ৰেক্ষিতত ব্যক্তিগত খণ্ডই এই বিষয়ত চিন্তা কৰাৰ লগতে ৰাজ্য চৰকাৰেও ভূমি প্ৰদান কৰি ভাল নীতি গ্ৰহণ কৰি মেডিকেল, ফাৰ্মা, নাৰ্ছিং আদি খণ্ডত দেশতেই উন্নত মেডিকেল শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰি দেশৰ শিক্ষাৰ্থীক স্বদেশতে ৰাখিব লাগে।

**গতিশক্তিঃ একবিংশ শতিকাৰ নতুন ভাৰত**

দেশত এক পৰম্পৰা বাহাল আছিল যে যেতিয়া যিধৰণে প্ৰয়োজন হয় সেইধৰণে আন্তঃগাঁথনিৰ কাম হয়। অৰ্থাৎ টুকুৰা টুকুৰাকৈ আৱশ্যকীয়তা অনুসৰি কামবোৰ হৈ থাকিছিল। ইয়াৰ ফলত কেন্দ্ৰ, ৰাজ্য, নগৰ নিগম, নিকায়, তথা স্থানীয় পৰ্যায়ত বেলেগে বেলেগে কাম হোৱাৰ ফলত দেশৰ যথেষ্ট লোকচান হৈছিল। ৰেলৰ কাম হওক বা ঘাইপথৰ কাম হওক বা পানী যোগানৰ কাম হওক, সামঞ্জস্যতাৰ অভাৱত কৰা কামকেই বাৰে বাৰে কৰিবলগীয়া হোৱাৰ ফলত সময় আৰু ধনৰ অপচয় হৈছিল। বিভিন্ন বিভাগৰ মাজত কামবোৰৰ কোনো জাননী নগৈছিল বাবে সকলোৱে নিজৰ ধৰণে কাম কৰিছিল, ফলত ৱৰ্ক ইন প্ৰগ্ৰেছৰ ফলক সকলোৰে বাবে স্বাভাৱিক হৈ পৰিছিল। এই গতিৰোধ শেষ কৰাৰ বাবেই পিএম গতিশক্তিৰ আৰম্ভণি কৰা হৈছে। ইয়াৰ ফলত কাম লেহেমীয়া হোৱাৰ জঞ্জাল নাইকীয়া হৈ পৰিছে। পিএম গতিশক্তিৰ ভিতৰত ৪০০ৰো অধিক ডাটা লেয়াৰ আছে। ইয়াৰ জৰিয়তে বৰ্তমান চলি থকা আন্তঃগাঁথনিৰ বিষয়ে জনা যায় তথা বনাঞ্চল, ভূমি, ঔদ্যোগিক সম্পদৰ বিষয়ে তথ্য আছে।

গতিশক্তি ইনফ্ৰাৰ নিৰ্মাণ প্ৰকৃতাৰ্থত ব্যক্তিগত আৰু ৰাজহুৱা অংশীদাৰিত্বৰ জৰিয়তে সম্পূৰ্ণ হৈ পৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, "এতিয়া এনে লাগে যে যিবোৰ ঠাইত অপটিকেল ফাইবাৰ হ'ব, সেইবোৰ ঠাইত উন্নয়ন সম্ভৱ হৈ পৰিব। ইয়াৰ অৰ্থ এয়াই যে আন্তঃগাঁথনিয়ে সমাজত দূৰত্বৰ সৃষ্টি নকৰে, বৰঞ্চ উন্নয়নৰ নতুন জৈৱ-ব্যৱস্থা সৃষ্টি কৰে। এই কথাটোৰ ওপৰত গুৰুত্ব দি গতিশক্তি মাষ্টাৰ প্লেনৰ পৰা আমি লাভান্বিত হৈ পৰিম।"



মই আপোনালোক সকলোকে অনুৰোধ জনাও যে এয়া দেশ ভক্তিৰ কাম হয়। এয়া দেশ সেৱাৰ কাম হয়। আহক আমি সকলোৱে লাভ কিমান হ'ব, কেনেকৈ হ'ব সেয়া পাছত চিন্তা কৰিম। মই আপোনালোক সকলোকে নিমন্ত্ৰণ জনাইছোঁ। মই সুখী যে আমাৰ সেনাবাহিনীৰ তিনিওটা অংগ যথেষ্ঠ উৎসাহৰে এই কাম কৰি আছে। এই সুবিধা আমাৰ ব্যক্তিগত খণ্ডৰ লোকসকলে হেৰুৱাব নালাগে।

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

# প্ৰযুক্তিৰ জৰিয়তে এতিয়া হ'ব উন্নয়ন

- **উন্নত যোগাযোগ**
  উন্নত যোগাযোগ আৰু হাইস্পীড নেটৱৰ্ক ৫ জি ২০২২-২০২৩ত আৰম্ভ হৈ পৰিব। স্পেকট্ৰামৰ নিলাম ২০২২ত আৰম্ভ হ'ব।
- **ডিজিটেল বেংকিং ইউনিট**
  দেশৰ নিৰ্ধাৰিত বাণিজ্যিক বেংকবোৰৰ জৰিয়তে ৭৫খন জিলাত ৭৫ ডিজিটেল বেংকিং ইউনিটৰে ডিজিটেল পেমেন্টৰ শ্ৰীবৃদ্ধি।

- ষ্টাৰ্টআপৰ বাবে কৰ ৰেহাই আৰু এটা বছৰলৈ বৃদ্ধি কৰা হৈছে।
- সাৰ্বভৌম শিক্ষাৰ লগতে ডিজিটেল বিশ্ববিদ্যালয় আৰু গণিত তথা বিজ্ঞানৰ বাবে ৭৫০ ভাৰ্চুৱেল পৰীক্ষাগাৰৰ সহায়ত শিক্ষাৰ্থীৰ লাভ।
- দেশত ষ্টেক ই-পৰ্টেল আৰম্ভ কৰা হৈছে। কৌশল তথা আজীৱিকাৰ বাবে লাভ।
- এই বিত্তীয় বৰ্ষটোত এমবেডেড চিপ তথা ভৱিষ্যতৰ প্ৰযুক্তিৰ ই-পাছপোৰ্ট ব্যৱস্থা।
- ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্লোকচেইন আৰু অন্য কাৰিকৰী প্ৰযুক্তিৰ ব্যৱহাৰ কৰি ডিজিটেল ৰুপী এই বৰ্ষৰ পৰা আৰম্ভ কৰা হ'ব।
- আৰ্টিফিচিয়েল ইন্টিলিজেঞ্চ, ভূ-স্থানীয় প্ৰণালী আৰু ড্ৰোন, ছেমিকণ্ডাক্টৰ, জীন'মিক্স আৰু ফাৰ্মা আদি নতুন উদ্যোগ খণ্ডৰ বিকাশৰ বাবে চৰকাৰে বিশেষ গুৰুত্ব দিছে।

**প্ৰযুক্তিৰ জৰিয়তে উন্নয়নত ক্ষীপ্ৰতা**

কোনো এখন সমাজ আৰু অৰ্থব্যৱস্থাক প্ৰভাৱশালী হিচাপে তৈয়াৰ কৰি তুলিবলৈ চাৰিটা স্তম্ভৰ প্ৰয়োজনীয়তা আছে। প্ৰথমঃ বিজ্ঞান আৰু প্ৰযুক্তি। দ্বিতীয়ঃ নাগৰিক সমাজ, যাৰ বাবে শিক্ষা, কৃষি, চাকৰি, পৰিবহনৰ দৰে সুবিধাবোৰ। তৃতীয়ঃ উদ্যোগ- যিয়ে সামগ্ৰী উৎপাদন কৰি নাগৰিকৰ ওচৰলৈ নিয়ে। চতুৰ্থঃ চৰকাৰ। বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে চলা এই চাৰিটা উপাদানে দেশৰ অৰ্থনীতি আৰু বিকাশ সুনিশ্চিত কৰে। স্বাধীনতাৰ পাছত এই খণ্ডবোৰত বিকাশ হৈছিল কিন্তু সংগঠিতভাৱে হোৱা নাছিল তাৰ ফলত আশানুৰূপ ফলাফল লাভ কৰিব পৰা হোৱা নাছিল। এতিয়া ইয়াৰ শুধৰণিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সকলোৰে সৈতে, সকলোৰে উন্নয়নৰ আৰু সকলোৰে বিশ্বাসৰ সহায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ তৎপৰতাৰে কাম কৰিবলৈ আৰম্ভ কৰিছে। অন্ত্যোদয়াৰ সিদ্ধান্ত কাৰ্যকৰী কৰি অন্তিম ব্যক্তিলৈ চৰকাৰৰ সকলো কল্যাণকামী পদক্ষেপ লৈ যোৱাৰ বাবে নীতি আৰু পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে।

বৰ্তমানৰ শতিকাটোক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টেকেড মানে প্ৰযুক্তিৰ যুগ বুলি অভিহিত কৰি আহিছে। সাধাৰণ নাগৰিকক সবল কৰাৰ লগতে আত্মনিৰ্ভৰশীল হিচাৰে গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰযুক্তিৰ প্ৰভাৱ অপৰিসীম। বিশ্বত প্ৰযুক্তিগত দিশত যিবোৰ নতুন প্ৰযুক্তিৰ উদ্ভাৱন হৈ আছে সেইবোৰৰ ক্ষেত্ৰত ভাৰতেও আত্মনিৰ্ভৰশীলতাৰ দিশত আগবাঢ়িব লাগে। সাধাৰণ বাজেটত এই ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে। নতুন প্ৰযুক্তিগত খণ্ড যেনে এআই, ড্ৰোন, ছেমি কণ্ডাক্টৰ, মহাকাশ প্ৰযুক্তি, ফাইভ-জি আদিত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আছে।

স্বাস্থ্য খণ্ডৰ সৈতে জড়িত হৈ থকা সামগ্ৰীৰ নিৰ্মাণ তথা গেমিং-এনিমেশ্বন খণ্ডক অগ্ৰগতি দিয়া, ষ্টাৰ্ট আপ ব্যৱস্থাক শক্তিশালী কৰা, জাৱৰ নিষ্কাশন তথা প্ৰৱন্ধন আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। নিৰ্মাণ খণ্ডৰ ১৪ টা খণ্ডত প্ৰায় ২ লাখ কোটি টকাৰ পিএলআই আঁচনিৰ সহায়ত বিকাশৰ লগতে ৬০ লাখ নতুন কৰ্মসংস্থাপন সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

**ভাৰতৰ সামৰ্থঃ মেক ইন ইণ্ডিয়া-মেক ফৰ দ্যা ৱৰ্ল্ড**

এটা সময় এনেকুৱা আছিল যি সময়ত ভাৰত কেৱল বিশ্বৰ বাবে বজাৰ হিচাপে গণ্য কৰা হৈছিল। কিন্তু

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মেক ইন ইণ্ডিয়া-মেক ফৰ দ্যা ৱৰ্ল্ডৰ দৃষ্টিকোণৰে এতিয়া ভাৰতক বিশ্বৰ অন্যতম ৰপ্তানিকৰ্তা হিচাপে প্ৰতিষ্ঠা কৰিছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ উৎপাদনৰ কেন্দ্ৰবিন্দু কৰি তোলাৰ বাবে সকলোকে আহ্বান জনাইছে। দেশৰ যুৱ প্ৰজন্ম, সম্ভাৱনা আৰু সম্পদৰ সহায়ত ভাৰতে নিজৰ উৎপাদিত সামগ্ৰী বিশ্বৰ বজাৰলৈ পঠোৱাৰ ক্ষমতা আছে বুলি প্ৰধানমন্ত্ৰীয়ে বিশ্বাস কৰে আৰু সেই বাবেই এই দিশত কাম হৈ আছে।

প্ৰধানমন্ত্ৰীৰ এই বিশ্বাসৰ পৰিণতিত দেশে অলপতে ৪০০ বিলিয়ন ডলাৰ মূল্যৰ সামগ্ৰী ৰপ্তানি কৰি অভিলেখ ৰচনা কৰিছে। উৎপাদন খণ্ডত ভাৰতৰ জিডিপিত ১৫ শতাংশ অংশীদাৰিত্ব আছে। এনে প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰীয়ে ভৱিষ্যতৰ বাবে দুটা মন্ত্ৰ দিছেঃ প্ৰথম-ৰপ্তানিৰ কথা সদায় চিন্তা কৰা, আৰু দ্বিতীয়ঃ ভাৰতৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ বাবেও চিন্তা।

কেৱল সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰতে নহয়, স্বচ্ছ শক্তি খণ্ডতো ভাৰতে বিশেষ কাম কৰি আছে। যান বাহনৰ ক্ষেত্ৰত হওক বা বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত হওক, দেশৰ উৎপাদন খণ্ডই সেউজ বিশ্ব বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে। প্ৰধানমন্ত্ৰীৰ মতে দেশে নিজৰ প্ৰয়োজনীয়তাখিনি নিজে উৎপাদন কৰি ল'ব পাৰিব লাগে। ইয়াৰ বাবে তেওঁ দেশবাসীক ভোকেল ফৰ লোকেল হোৱাৰ বাবেও আহ্বান জনাইছে। তেওঁ কয় যে দেশীয় কোম্পানীবোৰৰ উৎপাদিত সামগ্ৰীবোৰক লৈ কৰ্মচাৰীৰ লগতে স্বদেশী ক্ৰেতা গৰ্বিত হোৱা উচিত। এমএছএমই খণ্ডক শক্তিশালী কৰাৰ বাবে বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে।

### শক্তি খণ্ডঃ উন্নয়নক নিৰন্তৰতা দিয়া প্ৰয়াস

ৰাষ্ট্ৰ প্ৰগতিত শক্তি খণ্ডৰ ভূমিকা যথেষ্ট আছে। কিয়নো ইয়াৰ সৈতে জীৱনৰ সুগমতা (ইজ অৱ লিভিং) আৰু ব্যৱসায়ৰ সুগমতা (ইজ অৱ বিজনেছ) জড়িত হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰ চৰকাৰে শক্তি খণ্ডত উপস্থিতি (reach), সুদৃঢ়কৰণ (Reinforce), সংস্কাৰ (Reforms) আৰু নবীকৰণ শক্তিক (Renewal Energy) মূল মন্ত্ৰ হিচাপে অভিহিত কৰিছে। বহনক্ষম উন্নয়নৰ সৈতে ভাৰতে শক্তি খণ্ডত ভাল প্ৰদৰ্শন কৰি আহিছে। গ্লাছগো সন্মিলনত প্ৰধানমন্ত্ৰীয়ে ভাষণ দি ২০৭০ চনৰ ভিতৰত ভাৰতে শূণ্য কাৰ্বন নিৰ্গমণৰ লক্ষ্য প্ৰাপ্ত কৰিব বুলি ঘোষণা কৰিছিল। পৰিৱেশ সুৰক্ষাৰ সেই প্ৰতিশ্ৰুতিৰ লগতে প্ৰধানমন্ত্ৰীয়ে অ-জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ দেশত বৃদ্ধি কৰাৰ লক্ষ্যৰে বিভিন্ন নীতি গ্ৰহণ কৰিছে। সৌৰ শক্তিৰ ওপৰত গুৰুত্ব দি বাজেটত এই বিষয়ত ব্যৱস্থা ৰখা হৈছে। দেশত বিশ্বৰ সৌৰ শক্তিৰ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে পদক্ষেপ বাজেটত উল্লেখ আছে। ৰাষ্ট্ৰীয়



## শক্তি খণ্ড
## বিকাশৰ বাবে নিৰন্তৰ প্ৰচেষ্টা

**২০৭০**

লৈ শূণ্য কাৰ্বন নিৰ্গমণৰ লক্ষ্য পূৰ্ণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীৰ লক্ষ্য।

**মহত্বপূৰ্ণ লক্ষ্য**

২০৩০ চনলৈ ২৮০ গিগাৱাটৰ সৌৰ ক্ষমতা স্থাপন কৰাৰ বাবে বিশেষ পদক্ষেপ।

- উচ্চ ক্ষমতা আৰু সৌৰ মডিউলছৰ নিৰ্মাণৰ বাবে ১৯,৫০০ কোটি টকাৰ অতিৰিক্ত আবন্টন।
- তাপ বিদ্যুৎ প্ৰকল্পত ৫-৭ শতাংশ বাইঅ'মাছৰ ব্যৱহাৰ কৰি ৩৮ এমএমটি কাৰ্বন ৰাহি।
- সৌৰ শক্তিৰ উৎপাদনেৰে কৃষকৰ বাবে আয়ৰ ব্যৱস্থা। স্থানীয় লোকৰ বাবে কৰ্মসংস্থান।
- কয়লাৰ বাস্পীয়কৰণ তথা উদ্যোগ খণ্ডৰ বাবে কয়লাক ৰসায়নলৈ সলনি কৰাৰ বাবে ৪টা পাইলট পৰিকল্পনা আৰম্ভ।
- কৃষি খণ্ডৰ সৈতে জড়িত হৈ থকা অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে চৰকাৰী সাহাৰ্য।
- সেউজ প্ৰকল্প তথা সৌৰ শক্তিৰ ব্যৱহাৰৰ বাবে কেন্দ্ৰ চৰকাৰে বিশেষ গুৰুত্ব দিছে।



# মেক ইন ইণ্ডিয়া মেক ফৰ দ্যা ৱৰ্ল্ড

- কেন্দ্ৰ চৰকাৰে এমএছএমইৰ বাবে ৬,০০০ কোটি টকাৰ কাৰ্যক্ৰম ঘোষণা কৰিছে, ইয়াৰ ফলত কৰ্মসংস্থাপন অধিক বৃদ্ধি পাব।
- ডাঙৰ উদ্যোগ, এমএছএমই আৰু কৃষকৰ বাবে নতুন ৰেল লজিষ্টিকছ ব্যৱস্থা আৰম্ভ কৰাৰ ওপৰত বিশেষ গুৰুত্ব। উৎপাদিত সামগ্ৰী বজাৰ তথা ক্ৰেতাৰ ওচৰলৈ যোৱাৰ দিশত বিশেষ গুৰুত্ব।

হাইড্ৰ'জেন মিছনৰ অধীনত দেশত গ্ৰীণ হাইড্ৰ'জেন কেন্দ্ৰ প্ৰতিষ্ঠাৰ বাবে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ আৰু গৱেষণাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। ভাৰতে বিগত কেইটামান বৰ্ষত পৰিৱেশ সুৰক্ষা আৰু উন্নয়নৰ মাজত সামঞ্জস্যতা ৰাখিবলৈ প্ৰচেষ্টা অব্যাহত ৰখাৰ লগতে এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি আহিছে। উল্লেখ্য যে ২০১৪ চনত নতুন চৰকাৰ অহাৰ সময়ত দেশত এলইডি বাল্বৰ মূল্য ৩০০-৪০০ টকা আছিল কিন্তু এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি উৎপাদন বৃদ্ধিত গুৰুত্ব দিয়া হয় আৰু অতি কম সময়ৰ ভিতৰতে এই বাল্বৰ মূল্য ৭০-৮০ টকালৈ হ্ৰাস কৰা হয়। দেশজুৰি উজালা আঁচনিৰ অধীনত ৩৭ কোটি এলইডি বাল্ব বিতৰণ কৰা হয়। ইয়াৰ ফলত ২০ হাজাৰ কোটি টকাৰ বিজুলি মাচুলো ৰাহি হয়। কাৰ্বণ নিৰ্গমন ৪ কোটি টন হ্ৰাস পায়। কয়লা গেছীয়কৰণৰ বাবে চাৰিটাকৈ পাইলট প্ৰকল্প চলোৱা হয়।

### বিত্তীয় ব্যৱস্থাত আমূল পৰিৱৰ্তন

শতিকাৰ অন্যতম মহামাৰী কোভিডৰ সময়ত দেশে বাৰুকৈয়ে প্ৰভাৱিত হৈছিল। কোভিড পৰিস্থিতিয়ে দেশৰ অৰ্থনীতিত প্ৰভাৱ পেলাইছিল। কোভিডৰ পাছত এতিয়া দেশৰ অৰ্থনীতিৰ চকা পুনৰাই ঘূৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰ চৰকাৰে এইবাৰৰ বাজেটত বিশেষ পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে। ইয়াৰ অধীনত বিদেশী পুঁজিৰ প্ৰবাহক উৎসাহিত কৰা, আন্তঃগাঁথনিমূলক বিনিয়োগৰ ওপৰত গুৰুত্ব দিয়া, কৰ হ্ৰাস কৰা আদি পদক্ষেপবোৰ আছে। বিত্তীয় খণ্ডত ডিজিটেল ব্যৱস্থাৰ প্ৰয়োগত গুৰুত্ব দি দেশৰ ৭৫খন জিলাত ৭৫টা ডিজিটেল বেংকিং কেন্দ্ৰ তথা কেন্দ্ৰীয় বেংক ডিজিটেল কাৰেন্সীয়ে (চিবিডিচি) নতুন ভাৰতৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে। আত্মনিৰ্ভৰ ভাৰত অভিযান হওক বা পিএম গতিশক্তি ৰাষ্ট্ৰীয় মাষ্টাৰপ্লেন, অন্য দেশৰ ওপৰত নিৰ্ভৰশীলতা কম কৰা আদি দিশত চৰকাৰে কাম কৰি আছে। হিতাধিকাৰীৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে এয়া বিশেষ গুৰুত্ব দি কয় যে ফিনটেক, এগ্ৰিটেক, মেডিটেক আৰু কৌশল বিকাশৰ দিশত আগ নাবাঢ়ে তেতিয়ালৈ ঔদ্যোগিক বিপ্লৱ ৪.০ সম্ভৱ হৈ নুঠিব। তেওঁ আশা ব্যক্ত কৰে যে বিত্তীয় সংস্থাৰ সহায়ত ভাৰতে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব।

কেন্দ্ৰ চৰকাৰে দেশৰ যুৱ প্ৰজন্মৰ শক্তিৰে স্বৰ্ণময় বৰ্ষৰ সংকল্পবোৰ প্ৰতিবছৰে আগবঢ়াই নিছে। এনে প্ৰেক্ষাপটত বাজেট ৱেবিনাৰৰ ৰূপত প্ৰতিজন হিতাধিকাৰী বা অংশীদাৰৰ সৈতে সংবাদ কৰাৰ পৰম্পৰাই যিসময়ত ব্যক্তিগত খণ্ডৰ মাজত বিশ্বাসৰ ভাৱ শক্তিশালী কৰিছে আৰু অন্যফালে চৰকাৰী আঁচনিবোৰ কাৰ্যক্ষেত্ৰত ৰূপায়িত কৰাৰ ক্ষেত্ৰত সহায় লাভ কৰিছে। এয়া নতুন ভাৰতৰ বৈপ্লৱিক পদক্ষেপ হিচাপে বিবেচিত হৈছে। ●



## ভাৰত-জাপানৰ চতুৰ্দশ বাৰ্ষিক শীৰ্ষ সন্মিলন

# উন্নয়নৰ সংগী

ভগৱান বুদ্ধৰ পৰা আৰম্ভ কৰি নেতাজীৰ আজাদ হিন্দ ফৌজ, মেৰা জোতা হ্যেই জাপানীৰ পৰা লৈ আধুনিক যুগৰ মেট্ৰো ৰেললৈ, গাড়ী আৰু টিভি মেচিনৰ পৰা শেহতীয়াকৈ বুলেট ৰেল গাড়ীলৈ জাপানৰ সৈতে ভাৰতৰ সম্পৰ্কই বিশেষ স্থান দখল কৰি আহিছে। ২০১৪ চনৰ পাছত আহমেদাবাদ-মুম্বাই উচ্চ বেগৰ ৰেলৰ পাছত কোৱাড গোটৰ জৰিয়তে জাপানৰ সৈতে ভাৰতৰ বিশেষ সম্বন্ধ অধিক শক্তিশালী হৈছে। দায়িত্ব গ্ৰহণ কৰাৰ পাছত জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ কিশিদা দুয়ো দেশৰ চতুৰ্দশ বাৰ্ষিক শীৰ্ষ সন্মিলন অংশ ল'বলৈ আহি সম্পৰ্ক অধিক কটকটীয়া কৰি তুলিছে...

জাপানৰ সৈতে ভাৰতৰ সম্পৰ্কই শীৰ্ষ স্থান অধিকাৰ কৰিছে। ২০১৪ চনৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশ ভ্ৰমণ কৰি জাপান যাত্ৰা কৰিছিল। দুয়োখন দেশৰ মাজত প্ৰতিবছৰে শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈ আহিছে। ১৯ মাৰ্চত অনুষ্ঠিত চতুৰ্দশ ভাৰত-জাপান শীৰ্ষ সন্মিলনত অংশ ল'বলৈ আহি ফুমিঅ কিশিদা দিল্লীত উপস্থিত হৈছিল। সন্মিলনখনত কেইবাটাও দ্বিপাক্ষিক বিষয়ৰ ওপৰত আলোচনা কৰা হয়, এই বৈঠক কোভিড-১৯ পৰিস্থিতি আৰু কেতবোৰ ঘৰুৱা বিষয়ৰ বাবে বিগত চাৰে চাৰি বছৰ পলমকৈ অনুষ্ঠিত হৈছে। হায়দৰাবাদ হাউচত নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিছিদাক সাক্ষাৎ কৰে। বৈদেশিক সচিব হৰ্ষবৰ্ধন শৃংগলাৰ মতে প্ৰধানমন্ত্ৰী মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰীয়ে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা সংঘাত আৰু মানৱীয় সংকটৰ বিষয়ে আলোচনা কৰে। দুয়োজনে সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ ওপৰত জোৰ দিয়ে। একে সময়তে দুয়োখন দেশে অৰ্থনৈতিক, বাণিজ্য আৰু শক্তি খণ্ডকে ধৰি দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিয়ে। অৰ্থপূৰ্ণ কথোপকথনৰ অন্তত দুয়োখন দেশৰ মাজত ছয়খন চুক্তি স্বাক্ষৰিত হয়। জাপানে ২০১৪ চনত কৰা বিনিয়োগ ইনচেণ্টিভ অংশীদাৰিত্বৰ অধীনত ভাৰতত ৩.২ লাখ কোটি টকাৰ বিনিয়োগৰ লক্ষ্য ঘোষণা কৰে।

প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউ আৰ কোড স্কেন কৰক



আজিৰ সময়ত যেতিয়া সম্পূৰ্ণ বিশ্ব গম্ভীৰ সংকটৰ মাজেৰে আগবাঢ়িছে তেনে সময়ত ভাৰত আৰু জাপানৰ মাজত ঘনিষ্ঠ সম্পৰ্ক হোৱাটো প্ৰয়োজনীয়। শীৰ্ষ সন্মিলনত আমি নিজৰ নিজৰ বক্তব্য ৰখাৰ লগতে ইউক্ৰেইনত ৰাছিয়াৰ দ্বাৰা হোৱা আক্ৰমণ সন্দৰ্ভত আলোচন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত আমি শান্তিপূৰ্ণ সমাধান বিচাৰিছোঁ। দুয়ো দেশে মুক্ত ভাৰত-প্ৰশান্ত খণ্ডৰ বাবেই প্ৰচেষ্টা হাতত লোৱা উচিত। মই টকিঅ'ত অনুষ্ঠিত হ'বলগীয়া কোৱাড শীৰ্ষ সন্মিলনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আমন্ত্ৰণ জনালোঁ।

প্ৰগতি, সমৃদ্ধি আৰু অংশীদাৰিত্ব হৈছে ভাৰত আৰু জাপানৰ মাজৰ সম্পৰ্কৰ আধাৰ। আমি ২০১৪ চনত নিৰ্ধাৰিত ৩.৫ ট্ৰিলিয়ন জাপানী য়েন বিনিয়োগৰ লক্ষ্য প্ৰাপ্তি কৰিছোঁ। এতিয়া আহিবলগীয়া পাঁচটা বৰ্ষত ৫ ট্ৰিলিয়ন জাপানী য়েনৰ (৩ লাখ ২০ হাজাৰ কোটি টকা) নতুন লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ভাৰতে বিগত কেইটামান বৰ্ষত বিশেষ ব্যৱসায়িক সংস্কাৰ সাধন কৰিছে। ইজ অৱ ডুয়িং বিজনেছত উন্নয়ন সাধন কৰিছে। আমি জাপানৰ বাবে ভাৰতত উচিত ব্যৱসায়িক পৰিৱেশ দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

ভাৰত-অষ্ট্ৰেলিয়াঃ দ্বিতীয় ভাৰ্চুৱেল শীৰ্ষ সন্মিলন

## মুক্ত-স্বতন্ত্ৰ ভাৰত-প্ৰশান্ত এলেকা আমাৰ দায়িত্বঃ মোদী



ভাৰত আৰু অষ্ট্ৰেলিয়া এই দুয়োখন দেশে দীৰ্ঘসময়ৰ পৰা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আৰু প্ৰগতিৰ হকে কাম কৰি আহিছে। দ্বিপাক্ষিক বাণিজ্য, কৌশলগত প্ৰচেষ্টা, শিক্ষাৰ্থী বিনিময় কাৰ্যসূচী, বহনক্ষম উন্নয়নৰ বাবে থকা প্ৰতিশ্ৰুতিয়ে ভাৰত-অষ্ট্ৰেলিয়াৰ সম্পৰ্কক অধিক গতিশীল কৰি তুলিছে। যিসময়ত বিশ্বৰ পৰিস্থিতি দ্ৰুতগতিত সলনি হৈ আছে তেনে সময়ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল আৰু ভাৰত-অষ্ট্ৰেলিয়াৰ কৌশলগত অংশীদাৰিত্বৰ আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্কট মৰিছনে ২১ মাৰ্চত ভাৰ্চুৱেল সন্মিলনত অংশ লৈ আলোচনাত মিলিত হৈছিল। দুয়ো নেতাই ২০২০ চনৰ জুন মাহত অনুষ্ঠিত প্ৰথম ভাৰ্চুৱেল সন্মিলনৰ সময়ত হোৱা অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰে। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুয়ো দেশৰ মাজত বৃদ্ধি হোৱা সম্পৰ্কত সন্তুষ্টি ব্যক্ত কৰে। এই দ্বিতীয় সন্মিলনত অংশ লৈ নৰেন্দ্ৰ মোদীয়ে কয়, "আজি দুয়োখন দেশৰ মাজত এক প্ৰতিষ্ঠানগত ব্যৱস্থা স্থাপন কৰা হৈছে। আমাৰ সহযোগিতা চুক্তিত কম সময়ত উল্লেখনীয় প্ৰগতি হৈছে। কোৱাডতো আমাৰ মাজত ভাল সহযোগিতা আছে।"

## প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী কিছিদাক চন্দনৰে নিৰ্মিত 'কৃষ্ণ পংখী' উপহাৰ দিয়ে

নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ কিছিদাক 'কৃষ্ণ পংখী' উপহাৰ দিয়ে। এয়া বিশুদ্ধ চন্দন কাঠৰ পৰা প্ৰস্তুত কৰা আৰু ইয়াত কলাত্মক ধৰণে কৃষ্ণৰ বিভিন্ন ভঙ্গী দেখুওৱা হৈছে।

## ভাৰত আৰু জাপানৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ

এই বছৰটোত ভাৰত-জাপানে কূটনৈতিক সম্পৰ্কৰ ৭০সংখ্যক বাৰ্ষিকী উদযাপিত হৈছে। পৰিৱৰ্তনশীল গোলকীয় সমীকৰণৰ মাজত ভাৰত আৰু জাপান কেৱল অৰ্থনীতিতেই নহয়, গুৰুত্বপূৰ্ণ কৌশলগতো দিশতো অংশীদাৰ। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিৰাপত্তা নিশ্চিত কৰাৰ বাবে দুয়োখন দেশ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াৰ সৈতে কোৱাড সংগঠনৰ সদস্য। ●

## পিএম আৱাস আঁচনি গ্ৰাম্য

# সলনি হৈছে জীৱন... যেতিয়া বঞ্চিতজনেও লাভ কৰে নিজৰ ঘৰ






**কঠিন ঠাণ্ডাৰ দিনকেইটা হওক বা বাৰিষাৰ সময়... বঞ্চিতসকলৰ জীৱন দুৰ্বিসহ আছিল। কিন্তু পিএম আৱাস যোজনাৰ পাছত এতিয়া দাৰিদ্ৰ শ্ৰেণীৰ লোকেও নিজৰ ঘৰ লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বঞ্চিতসকলৰ দুখ উপলব্ধি কৰি ২০১৪ চনত যি প্ৰধানমন্ত্ৰী আৱাস আঁচনি আৰম্ভ কৰিছিল তাৰ অধীনত ২০২২ চনৰ ২৪ মাৰ্চলৈ ২ কোটি ৩২ লাখৰো অধিক পকী ঘৰ নিৰ্মাণ হৈ উঠিছে। ইয়াৰ ভিতৰত ২ কোটি ঘৰৰ মালিকীস্বত্ব মহিলাৰ নামত দিয়া হৈছে। নিজৰ ঘৰ লাভ কৰাৰ এই মহত্বপূৰ্ণ আঁচনিৰ অধীনত ২৯ মাৰ্চ তাৰিখে মধ্যপ্ৰদেশত ৫ লাখৰো অধিক পৰিয়ালক ঘৰৰ চাবি প্ৰদান কৰা হয়...**

মধ্য প্ৰদেশৰ নিবাসী বালাঘাটৰ লাঞ্জী ব্লকৰ জমানাৰ দুগৰাকী কন্যা আছে। এনে অৱস্থাত ঘৰৰ যি দুৰৱস্থা সেয়া দেখাজনেহে বুজিব পাৰিব। থাকিবলৈ ঘৰ নোহোৱা হৈ পৰিলে কন্যা সন্তানৰ সৈতে তেওঁৰ কেনে অৱস্থা হৈ পৰিব! কিন্তু তেনে হোৱাৰ পৰা তেওঁ ৰক্ষা পালে। জমানাই কয়, মোদী চৰকাৰ নথকাহেঁতেন তেওঁৰ জীৱন অন্য হ'লহেঁতেন! কেন্দ্ৰ চৰকাৰৰ সহযোগত তেওঁৰ ঘৰ এতিয়া পকী হৈ পৰিছে। থকাৰ সুৰক্ষা বৃদ্ধি পাইছে। দেৱসৰ ভগৱন্ত দেৱীও সুখী যে বৰষুণত আৰু এতিয়া কোনো সমস্যা নহ'ব। এনে কাহিনী দেশৰ প্ৰায় প্ৰতিখন ৰাজ্য আৰু জিলাৰ পৰা আহিছে। যিবোৰ মানুহে ধৰি লৈছিল যে জীৱন এতিয়া ফুটপাথ আৰু জুপুৰীত পাৰ হৈ যাব, সেইসকলে এতিয়া চৰকাৰৰ এটা সুখী ঘৰৰ চাবি লাভ কৰিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাই দৰিদ্ৰ লোকসকলৰ যত্ন লয় যিসকলে ঘৰ এটা প্ৰাপ্ত কৰক, তেওঁলোকেও তেওঁলোকৰ জীৱনৰ বাকী প্ৰয়োজনীয়তা পূৰণ কৰে। এই আঁচনিৰ লগত

**প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউ আৰ কোড স্কেন কৰক**

# সুখৰ গৃহ প্ৰৱেশম্

**২,৩২,৪৩,৭৪০**

**পকী ঘৰৰ নিৰ্মাণ ২৪ মাৰ্চ, ২০২২লৈ**

- ২০২২ৰ ভিতৰত বুনিয়াদী সুবিধাৰ সৈতে ২.৯৫ কোটি পকী ঘৰৰ নিৰ্মাণৰ লক্ষ্য।
- যিবোৰ ঘৰ নিৰ্মাণ হৈছে তাৰে প্ৰায় ২ কোটিৰ মালিকীস্বত্ব মহিলাক প্ৰদান।

**২.২৯**

কোটিৰো অধিক হিতাধিকাৰীৰ পঞ্জীয়ন

**২.২৮**

কোটিৰো অধিক ঘৰ স্বীকৃত।

বাজেটত ৮০ লাখ নতুন ঘৰ নিৰ্মাণৰ বাবে পুঁজিৰ আবন্টন।

আমাৰ প্ৰচেষ্টা এয়াই যে স্বাধীনতাৰ অমৃত কালত আমি সকলো সুবিধা প্ৰতিজন হিতাধিকাৰীলৈ লৈ যাব পাৰোঁ। আমি আঁচনিবোৰৰ পূৰ্ণ সফলতাৰ বাবে অহৰহ কাম কৰি আছোঁ। গ্ৰামাঞ্চলত যিখন আঁচনিৰ যিসকল হিতাধিকাৰী থাকিব তেওঁলোকক অধিকাৰবোৰ তেওঁলোকৰ ঘৰলৈ নিয়াৰ বাবে কাম কৰি থকা হৈছে। ইয়াৰ লাভ এয়াই যে ইয়াৰ ফলত কোনো দুৰ্নীতি নহয় আৰু প্ৰতিখন আঁচনিৰ লাভ প্ৰতিজন হিতাধিকাৰীয়ে উচিত ধৰণে পাব।

**নৰেন্দ্ৰ মোদী**, প্ৰধানমন্ত্ৰী।

শৌচাগাৰ নিৰ্মাণ, সৌভাগ্য আঁচনিৰ অধীনত বিজুলি সংযোগ, উজালা আঁচনিৰ অধীনত এলইডি বাল্ব, উজ্জ্বলা আঁচনিৰ অধীনত ৰন্ধন গেছৰ সংযোগ, ঘৰ ঘৰ জল আঁচনিৰ অধীনত খোৱাপানীৰ যোগান ধৰা হৈছে। ইয়াৰ অৰ্থ এয়াই যে ঘৰ এটা লাভ কৰাৰ পাছত দৰিদ্ৰজনে বাকী প্ৰয়োজনবোৰৰ বাবে চৰকাৰী কাৰ্যালয় যাব নালাগে আৰু সকলো সুবিধা একেবাৰতেই লাভ কৰিবলৈ সক্ষম হৈছে। কোভিডৰ সময়তো এই গতি ৰুদ্ধ হোৱা নাছিল।

মধ্য প্ৰদেশত 'গৃহ প্ৰবেশম' কাৰ্যসূচীৰ জৰিয়তে এনে ৫.২৫ লাখ হিতাধিকাৰীক ঘৰৰ চাবি দিয়া হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই এই সময়ছোৱাত কেইবাজনো হিতাধিকাৰীৰ সৈতে বাৰ্তালাপ কৰিছিল। লগতে অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয়, "দৰিদ্ৰজনক সবল কৰি তুলিলে তেতিয়া তেওঁলোকে দাৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিবলৈ সাহস পায়। চৰকাৰৰ সৎ প্ৰচেষ্টা, শক্তিশালী দৰিদ্ৰলোকৰ প্ৰচেষ্টা যেতিয়া একত্ৰিত হয় তেতিয়া দাৰিদ্ৰতা পৰাজিত হয়।" অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে কয়, "দৰিদ্ৰ লোকসকলক পকী ঘৰ দিয়াৰ এই অভিযান কেৱল চৰকাৰী আঁচনি নহয়, এয়া হৈছে দৰিদ্ৰ লোকক আত্মবিশ্বাস দিয়াৰ প্ৰতিশ্ৰুতি। দৰিদ্ৰলোকক দাৰিদ্ৰতাৰ পৰা উলিয়াই অনা, তেওঁলোকক দাৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজিবলৈ সাহস দিয়াৰ এইটো প্ৰথম পদক্ষেপ। যেতিয়া দৰিদ্ৰলোকৰ এটা ঘৰ থাকে তেতিয়া তেওঁলোকে শিশুৰ শিক্ষা, পঢ়াশুনা আৰু অন্যান্য কামত মনোযোগ দিবলৈ সক্ষম হয়। যেতিয়া দৰিদ্ৰসকলে ঘৰ লাভ কৰে তেতিয়া তেওঁৰ জীৱনত স্থিৰতা আহে। এই চিন্তাধাৰাৰ সৈতে, আমাৰ চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে।" লগতে প্ৰধানমন্ত্ৰীয়ে কয় যে, "এই চৰকাৰ অহাৰ পূৰ্বতে যিবোৰ চৰকাৰ আহিছিল, তেতিয়া সেইবোৰ কাৰ্যকালত মাত্ৰ কেইলাখ মান ঘৰ নিৰ্মাণ কৰা হৈছিল। এতিয়া আমাৰ চৰকাৰে ২.৫ কোটিতকৈও অধিক ঘৰ নিৰ্মাণ কৰিছে, ইয়াৰ ভিতৰত প্ৰায় দুই কোটি ঘৰ গাওঁবোৰত আছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্মাণ কৰা ঘৰবোৰৰ ভিতৰত প্ৰায় দুই কোটি ঘৰত মহিলাসকলৰ মালিকীস্বত্বৰ অধিকাৰ আছে। এই অধিকাৰে মহিলাসকলক সবল কৰিছে। দুবছৰীয়া ক'ৰোনা কালত ঘৰৰ অৰ্থনৈতিক সিদ্ধান্তবোৰত মহিলাৰ অংশগ্ৰহণ শক্তিশালী কৰিছে।" ●



# নতুন ভাৰতৰ পদ্ম

১২৬ বছৰীয়া বাবা শিৱানন্দৰ ফিটনেছ এতিয়া দেশবাসীৰ চৰ্চাৰ বিষয়। বাবা শিৱানন্দ আজি তেওঁতকৈ চাৰিগুণ কম বয়সৰ লোকতকৈও বেছি ফিট। বাবা শিৱানন্দৰ জীৱনে আমাক সকলোকে প্ৰেৰণা দিয়ে। যোগৰ প্ৰতি বিশেষ ৰাপ থকা বাবা শিৱানন্দে সুস্থ্য-সবল জীৱন জীয়াই আছে। পদ্ম বঁটা লোৱাৰ আগমুহূৰ্তত তেওঁ প্ৰধানমন্ত্ৰীক শিৰ নমন কৰি সেৱা জনাৱোৰ সময়ত প্ৰধানমন্ত্ৰীয়েও মূৰ দোৱাই তেওঁক সেৱা কৰে।

এতিয়া দেশ সলনি হৈছে, পুৰণি ব্যৱস্থাবোৰো সলনি হৈছে। এই পৰিৱৰ্তন এতিয়া পদ্ম বঁটা অনুষ্ঠানতো দেখিবলৈ পোৱা গৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ঐতিহাসিক দৰবাৰ হলত যেতিয়া ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, উপ-ৰাষ্ট্ৰপতি আৰু অন্যান্যকে ধৰি দেশৰ গুৰুত্বপূৰ্ণ ব্যক্তিসকলে পদ্ম বঁটা প্ৰদানৰ সময়ত একত্ৰিত হয় তেতিয়া কেমেৰাৰ ফ্লেছ আৰু হাত চাপৰিৰ মাজত ৰেড কাৰ্পেটত অসাধাৰণ কাম কৰা অতি সাধাৰণ চেহেৰাৰ মানুহবোৰৰ উপস্থিতি দেখিবলৈ পোৱা গৈছে। পৰিৱৰ্তিত হোৱা ভাৰতবৰ্ষ এয়া নতুন সময়, সাধাৰণ লোকে কৰি থকা অসাধাৰণ কামবোৰক এতিয়া স্বীকৃতি দিয়া হৈছে। এই বৰ্ষত সৰ্বমুঠ ১২৮ পদ্ম সন্মান দিয়া হৈছে। ইয়াৰ ভিতৰত ৪জনক পদ্ম বিভূষণ, ১৭জনক পদ্ম ভূষণ আৰু ১০৭জনক পদ্মশ্ৰী সন্মান দিয়া হৈছে।

পদ্ম বঁটা চাবলৈ এই কিউআৰ কোড স্কেন কৰক





গ'ণ্ড চিত্ৰকলাক বিশ্বব্যাপী স্বীকৃতি দিয়া দুৰ্গা বাই ব্যোম মূলতঃ মধ্য প্ৰদেশৰ দিন্দোৰীৰ এখন সৰু গাওঁ বৰবাসপুৰৰ নিবাসী। পদ্ম সন্মানৰ বাবে তেওঁ কৃতজ্ঞতা প্ৰকাশ কৰিছে।



হিমাচলৰ লোক সংস্কৃতিৰ সংৰক্ষণৰ বাবে বিখ্যাত লোকশিল্পী বিদ্যানন্দ সৰৈক পদ্মশ্ৰীৰে সন্মানিত কৰা হৈছে। তেওঁ কয় যে চৰকাৰে প্ৰকৃত লোকৰ সন্ধান কৰি পুৰস্কাৰ প্ৰদান কৰিছে।



পঞ্জাবৰ লোক সংগীতৰ পৰম্পৰাক আগবঢ়াই নিয়া সুৰ সম্ৰাজ্ঞী মল্লিকা গুৰমীতক মৰোণোত্তৰভাৱে পদ্মভূষণ সন্মান দিয়া হয়। তেওঁৰ জীয়ৰী গ্লোৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ দিয়ে।



জম্মু-কাশ্মীৰত সীমিত সম্পদৰে সমৰ শিক্ষাৰ প্ৰতিষ্ঠান চলোৱা ফাছিল আলী ডৰক পদ্মশ্ৰী সন্মান দিয়া হয়। বঁটা লাভ কৰি ফাছিলে কয় যে ইয়াৰ জৰিয়তে যুৱ প্ৰজন্মই প্ৰেৰণা লাভ কৰিব।

# শেষ হৈছে বাধা-নিষেধ

**দুটা বছৰৰ পূৰ্বে অহা শতিকাৰ অন্যতম মহামাৰী কোভিডৰ ফলত জনজীৱন স্তব্ধ হৈ পৰিছিল। এই মহামাৰীৰ কুপ্ৰভাৱত চৰকাৰে অনেক বাধা-নিষেধৰ নীতি-নিৰ্দেশনা দিবলৈ বাধ্য হৈ পৰিছিল। কেতিয়াবা কঠোৰ কেতিয়াবা সামান্য নৰম হ'লেও চৰকাৰী বাধা-নিষেধ, প্ৰতিবন্ধকতা অনেক আছিল। কিন্তু চৰকাৰী সময়োচিত সিদ্ধান্ত আৰু টিকাকৰণৰ ক্ষীপ্ৰতাৰ ফলত চৰকাৰে ৩১ মাৰ্চৰ পৰা সকলো বাধা-নিষেধৰ নিয়ম আঁতৰাই দিয়াৰ নিৰ্দেশনা জাৰি কৰিছে। অৱশ্যে মাস্ক আৰু সামাজিক দূৰত্বৰ উপদেশমূলক নিৰ্দেশনা বাহাল আছে...**

শতিকাৰ অন্যতম মহামাৰীৰ বিৰুদ্ধে চলি থকা যুঁজখন অন্তিম পৰ্যায়ত উপস্থিত হোৱাৰ উপক্ৰম ঘটিছে। কোভিডৰ দৈনিক সংক্ৰমণ হ্ৰাস পাবলৈ ধৰাৰ ফলত এতিয়া চৰকাৰে নীতি নিয়মবোৰত যথেষ্ট শিথিলতা আনিছে। ইয়াৰ লগতে ক্ৰমাগতভাৱে চলি থকা ভেকচিন কাৰ্যসূচীৰ ফলতো পৰিস্থিতি যথেষ্ট সলনি হৈছে। জ্যেষ্ঠজনৰ লগতে এতিয়া ১২-১৭ বছৰ বয়সীয়া চেমনীয়া/কৈশোৰৰ টিকাকৰণো চলি থকাৰ ফলত পূৰ্বৰ পৰিস্থিতি এতিয়া নাই। চৰকাৰে ৩১ মাৰ্চৰ পৰা সকলো কোভিড বাধা-নিষেধ আঁতৰ কৰাৰ সিদ্ধান্ত লৈছে। এতিয়া আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান চলাচলো নিয়মীয়াকৈ চলি আছে।



## কোভিডৰ সংক্ৰমণৰ ঘটনা হ্ৰাস পাইছে

| | |
|---|---|
| ● ২২ মাৰ্চ | ১,৫৮১ |
| ● ২৩ মাৰ্চ | ১,৭৭৮ |
| ● ২৪ মাৰ্চ | ১,৯৩৮ |
| ● ২৫ মাৰ্চ | ১,৬৮৫ |
| ● ২৬ মাৰ্চ | ১,৬৬০ |
| ● ২৭ মাৰ্চ | ১,৪২১ |
| ● ২৮ মাৰ্চ | ১,২৭০ |
| ● ২৯ মাৰ্চ | ১,২৫৯ |

- ৭০৭ দিনৰ পাছত ৩০ মাৰ্চত ১৫ হাজাৰৰো কম সক্ৰিয় সংক্ৰমণৰ ঘটনা পঞ্জীয়ন হৈছে।
- টিকাকৰণ আৰম্ভ হোৱাৰ ৪৩৯ দিনৰ পাছত দেশত ১৮৩.৮২ কোটিৰো অধিক টিকা দিয়া হৈছে।
- ভাৰতৰ পৰা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক বিমান যাত্ৰী সেৱা ২৭ মাৰ্চ, ২০২২ৰ পৰা পুনৰাই আৰম্ভ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ নীতি-নিৰ্দেশনা অনুসৰি বিমান পৰিবহন আৰম্ভ।

# ৰেল সেৱাত পুনৰাই বিতৰণ কৰা হৈছে কম্বল, চাদৰ

কোভিডৰ বাবে ৰেলত কাপোৰ, কম্বল তথা চাদৰ দিয়াৰ নিয়ম সলনি কৰা হৈছিল। কোভিড পৰিস্থিতিৰ উত্তৰণৰ বাবে ৰেল বিভাগে পুনৰাই ৰেল দবাত পৰ্দা লগোৱা, কাপোৰ যোগান ধৰা তথা টাৱেল-কম্বল আদি দিয়াৰ ব্যৱস্থা আৰম্ভ কৰিছে। কোভিডৰ পূৰ্বে যি ব্যৱস্থা আছিল সেয়া এতিয়া পুনৰ ঘূৰি আহিছে। অৱশ্যে একাংশ সংবাদ মাধ্যমত এই বাতৰি প্ৰকাশ পাইছে যে ৰেল বিভাগে নিৰ্দেশনা অনুসৰি সকলো ৰেলত কাপোৰৰ যোগান ধৰা নাই। এই সন্দৰ্ভত ৰেল বিভাগে স্পষ্ট কৰিছে যে নিৰ্দেশনা অনুসৰি পৰ্যায়ক্ৰমে ৰেলবোৰত কাপোৰ-কম্বল যোগান ধৰাৰ নিয়ম প্ৰৱৰ্তন হৈ আছে কিয়নো দুবছৰ কাল কাপোৰবোৰ ব্যৱহাৰ নোহোৱাৰ ফলত নষ্ট হৈ পৰিছে। সেয়েহে নতুন কাপোৰ ক্ৰয় কৰি সম্পূৰ্ণভাৱে পুনৰাই আগৰ অৱস্থালৈ যাবলৈ আৰু কেইটামান দিন লাগিব।



## কোভিড এতিয়াও সম্পূৰ্ণভাৱে নিৰ্মূল হোৱা নাই, গতিকে সাৱধান!

যদিওবা কেন্দ্ৰ চৰকাৰে ৩১ মাৰ্চৰ পৰা কোভিডৰ সৈতে জড়িত হৈ থকা সকলো বাধা-নিষেধ নাইকীয়া কৰাৰ সিদ্ধান্ত লৈছে তথাপি এয়া উপদেশমূলক যে এতিয়াও কোভিড যোৱা নাই, গতিকে সাৱধান হোৱা উচিত। কোভিডৰ বিভিন্ন উৎপৰিৱৰ্তকে বিভিন্ন ঠাইত অসুবিধাৰ সৃষ্টি কৰি আহিছে। ৰোগৰ উৎপৰিৱৰ্তকবোৰে ৰূপ সলাই ঠায়ে ঠায়ে সংক্ৰমণ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত আমি কোভিড বিধি মানি চলাটো প্ৰয়োজনীয় হৈ পৰিছে। হাত ধোৱা, সামাজিক দূৰত্ব মানি চলা, মাস্ক পৰিধান কৰা আদি কামবোৰ কৰি থকাটো উপদেশমূলক বুলি বিবেচনা কৰা হৈছে। উল্লেখ্য যে ২০২০ চনৰ ২৪ মাৰ্চ তাৰিখে কেন্দ্ৰ চৰকাৰে কোভিড সম্বন্ধীয় নীতি-নিৰ্দেশনা জাৰি কৰিছিল আৰু এয়া দুবছৰৰ অন্তত ২০২২ চনৰ ৩১ মাৰ্চ তাৰিখৰ পৰা সম্পূৰ্ণভাৱে শিথিল কৰা হৈছে। অৱশ্যে কেন্দ্ৰই এতিয়া ৰাজ্য চৰকাৰবোৰক নিৰ্দেশনা দিছে যে যদিহে ৰাজ্যৰ কোনো প্ৰান্তত কোভিড সংক্ৰমণ বৃদ্ধি হয় তেন্তে এই ক্ষেত্ৰত যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

## সমগ্ৰ দেশত টিকাকৰণৰ লক্ষ্যৰে তীব্ৰ গতিত চলিছে ভেকচিন অভিযান

দেশত ২৯ মাৰ্চ পৰ্যন্ত ১৮৩.৫৩ কোটিৰো অধিক টিকাকৰণ সম্পূৰ্ণ হৈছে। একেদৰে ১২-১৪ বছৰীয়াৰ মাজত ১.৩৬ কোটিৰো অধিক কৈশোৰৰ টিকাকৰণৰ প্ৰথম পালি দিয়া হৈছে। এই বৰ্গৰ কৈশোৰৰ বাবে টিকাকৰণ ১৬ মাৰ্চ, ২০২২ৰ পৰা আৰম্ভ হৈছিল। আনহাতে ভাৰতবৰ্ষত কোভিডৰ সক্ৰিয় সংক্ৰমণ হ্ৰাস পাইছে। এয়া এতিয়া হ্ৰাস হৈ ১৫,৩৭৮ পাইছে। ইয়াৰ সংক্ৰমণৰ হাৰ ০.০৪ শতাংশ পঞ্জীয়ন কৰা হোৱাৰ লগতে সুস্থ্যতাৰ হাৰ ৯৮.৭৫ শতাংশ আছিল। আনহাতে, ১৫-১৭ বছৰীয়া বয়সৰ ৫০ শতাংশতকৈ অধিক চেমনীয়াৰ সম্পূৰ্ণ টিকাকৰণ হৈ গৈছে। কোভিডৰ টিকা সকলোৰে বাবে ২০২১ চনৰ ২১ জুনৰ পৰা আৰম্ভ কৰা হৈছিল। টিকাকৰণ অভিযানৰ গতিক ক্ষীপ্ৰতা দিয়াৰ বাবে ভেকচিনৰ যোগান অধিক নিয়মীয়া কৰি ৰখা হৈছে। ইয়াৰ লগতে ভেকচিনৰ যোগান তথা উৎপাদনৰ ক্ষেত্ৰত ভাৰতে প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে আৰু ১৫০ৰো অধিক দেশক ভেকচিন যোগান ধৰি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ●




# খেল’ ইণ্ডিয়া

# প্ৰতিভাবোৰে লাভ কৰিছে উচিত মঞ্চ, সুবিধা

প্ৰতিগৰাকী ব্যক্তিৰ জীৱনত ক্ৰীড়াই বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। ক্ৰীড়াৰ মহত্ব এগৰাকী ব্যক্তিৰ চৰিত্ৰত প্ৰতিফলিত হয়। যিসকল ব্যক্তিয়ে নিয়মীয়াকৈ খেল খেলে তেওঁলোকৰ ব্যক্তিত্বৰ গঠন শক্তিশালী হয়, নেতৃত্ব লোৱাৰ ক্ষমতা বৃদ্ধি পায়, মানসিক দৃঢ়তা বৃদ্ধি পায়। ভাৰতৰ ক্ৰীড়া জগতত এক আমূল পৰিৱৰ্তন সাধন কৰিবৰ বাবে খেল’ ইণ্ডিয়াৰ দৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২০১৬ চনৰ ২২ এপ্ৰিল তাৰিখে আৰম্ভ হোৱা খেল’ ইণ্ডিয়া আঁচনিয়ে দেশৰ ক্ৰীড়া খণ্ডত বিশেষ ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে।

হাৰিয়ানাৰ ঝাঝৰ জিলাৰ নিবাসী মনু ভাকৰ অতি কম সময়ৰ ভিতৰত দেশৰ ক্ৰীড়া খণ্ডত এক পৰিচিত ব্যক্তি হৈ পৰিছে। খেল’ ইণ্ডিয়াৰ জৰিয়তে উজলি উঠা মনু ভাকৰে ২০১৭ চনত ত্ৰিবান্দ্ৰমত আয়োজিত ৬১ সংখ্যক ৰাষ্ট্ৰীয় শ্বুটিং চেম্পিয়নশ্বিপত মহিলাৰ ১০ মিটাৰ পিষ্টল শাখাত সফলতা লাভ কৰি চৰ্চালৈ আহিছিল। ২০১৮ চনটোত খেল’ ইণ্ডিয়াৰ অধীনত অনুষ্ঠিত স্কুল গেমত মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত উজলি উঠিছিল। একেদৰে ২০১৮ চনৰ এই প্ৰতিযোগিতাত ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত স্বৰ্ণ পদক জয় কৰি উত্তৰ প্ৰদেশৰ মিৰাটৰ সৌৰভ চৌধুৰী কম সময়তে উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হয়। একেদৰে দ্বিব্যাংশ সিং পাৱাৰ মূলত খেল’ ইণ্ডিয়াৰ জৰিয়তে আগবাঢ়ি আহিছে। আজিৰ তাৰিখত মনু ভাকৰ, সৌৰভ চৌধুৰী, দ্বিব্যাংশ সিং পাৱাৰে যদিহে ক্ৰীড়া জগতত নিজৰ নাম কৰি আছে তেন্তে সেয়া একমাত্ৰ খেল’ ইণ্ডিয়া আঁচনিৰ বাবে সম্ভৱ হৈ উঠিছে। এই খেল’ ইণ্ডিয়া আঁচনিৰ মুখ্য উদ্দেশ্য হৈছে খেলুৱৈৰ প্ৰতিভা স্কুলীয়া অৱস্থাতে চিনাক্ত কৰা আৰু তাৰ পাছত তেওঁলোকক উন্নত প্ৰশিক্ষণ-আধুনিক সুবিধা প্ৰদান কৰি আগবঢ়াই নিয়া। ক্ৰীড়া জগতৰ উন্নত আন্তঃগাঁথনিৰ বাবে কাম কৰাটোও এই খেল’ ইণ্ডিয়াৰ অংশস্বৰূপ। আজি দেশ খেলুৱৈসকলৰ ওচৰলৈ যোৱাৰ বাবে চেষ্টা কৰি আছে, তাৰ বাবে গ্ৰামাঞ্চলবোৰতো বিশেষ গুৰুত্ব দি আহিছে। প্ৰতিভা সকলোতে আছে, চৰকাৰে খেল’ ইণ্ডিয়াৰ জৰিয়তে এই প্ৰতিভাক চিনাক্ত কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বাবে সাজু কৰি আছে।



# খেল' ইণ্ডিয়া আৰু ৰাষ্ট্ৰীয় প্ৰতিভা সন্ধান

প্ৰকৃত সম্ভাৱনাবোৰৰ সন্ধান প্ৰক্ৰিয়া সহজ কৰি তোলাৰ বাবে কেন্দ্ৰ চৰকাৰে খেল' ইণ্ডিয়াৰ দৰে পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৬ চনত আৰম্ভ হোৱা এই খেল' ইণ্ডিয়া অভিযানে তৃণমূল পৰ্যায়ৰ পৰা খেলুৱৈ নিৰ্বাচিত কৰি অলিম্পিক প'ডিয়ামলৈ নিয়াৰ দিশত বিশেষ ভূমিকা পালন কৰি আহিছে। খেল' ইণ্ডিয়াক ১২টা ক্ষেত্ৰত বিভক্ত কৰা হৈছে।

## খেলপথাৰৰ বিকাশ

### দেশত ক্ৰীড়া আন্তঃগাঁথনি

| | | | |
|---|---|---|---|
| ২০০৮–২০১৪ | ৩৮ | ২০১৪–২০২০ | ২৬৭ |

## ৰাজ্যিক স্তৰত খেল' ইণ্ডিয়া কেন্দ্ৰ

এথলিট সকলক প্ৰশিক্ষণ দিয়াৰ পৰা আৰম্ভ কৰি অন্যান্য সুবিধা প্ৰদান কৰিব পৰা যায় তাৰ বাবে ৰাজ্যবোৰত খেল' ইণ্ডিয়া কেন্দ্ৰ স্থাপন কৰা হৈছে।

## স্বদেশী ক্ৰীড়াক উৎসাহ

মলখম্ভ, যোগাসনৰ দৰে পৰম্পৰাগত ভাৰতীয় খেলবোৰত প্ৰাধান্য দিয়া হৈছে। দেশৰ ১৯ টা স্থানত এক ভাৰত-শ্ৰেষ্ঠ ভাৰত প্ৰতিযোগিতা।

## বাৰ্ষিক খেল প্ৰতিযোগিতা

স্কুলীয়া পৰ্যায়ৰ পৰা কলেজ পৰ্যন্ত প্ৰতিভা সন্ধান হৈছে। খেল' ইণ্ডিয়া স্কুল গেমছ, খেল' ইণ্ডিয়া য়ুথ গেমছ, খেল' ইণ্ডিয়া ইউনিভাৰ্ছিটী গেমছ অনুষ্ঠিত হয়।

## প্ৰতিভাৰ সন্ধান-বিকাশ

খণ্ড হিচাপত প্ৰতিভা সন্ধানৰ কাম কৰা হৈছে যাতে জিলা আৰু ব্লক পৰ্যায়ত প্ৰতিভাৰ সন্ধান হওক। পৰ্টেলো আৰম্ভ কৰা হৈছে।

## ক্ৰীড়া একাডেমীক সহায়

খেল একাডেমীবোৰক উন্নত আন্তঃগাঁথনিৰ সৈতে সুবিধা প্ৰদান কৰা হৈছে। খেলৰ সুবিধাই নতুন প্ৰতিভা সৃষ্টি কৰিছে।

## ক্ৰীড়া আন্তঃগাঁথনিৰ ব্যৱহাৰ, উন্নয়ন

হকী ট্ৰেক, টাৰ্ফ, জিম, ফুটবল টাৰ্ফ, ইন্দোৰ হল, ক্ৰীড়া হোটেল আদি দৰে আন্তঃগাঁথনিৰ উন্নয়ন কৰা হৈছে।

## স্কুলীয়া শিক্ষাৰ্থীৰ ফিটনেছ

কম বয়সৰ শিক্ষাৰ্থীৰ শাৰীৰিক বিকাশ আৰু প্ৰতিভা বিকাশৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। খেল' ইণ্ডিয়া মোবাইল এপ্ আৰম্ভ কৰা হৈছে।

## মহিলাৰ বাবে খেল

ইয়াৰ জৰিয়তে ক্ৰীড়া খণ্ডত মহিলাৰ অংশগ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। বিভিন্ন স্থানত বিশেষত ছোৱালীৰ বাবে ক্ৰীড়া শিবিৰ।

## প্ৰশিক্ষণত সংস্কাৰ

**১৪,৫৯৫**

প্ৰশিক্ষকক প্ৰতিভা সন্ধানৰ বাবে প্ৰশিক্ষণ।

## দিব্যাংগসকলৰ বাবে ক্ৰীড়া

ভাৰতীয় পেৰা-এথলীটসকলে উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হৈছে। খেল' ইণ্ডিয়া কাৰ্যক্ৰমৰ অধীনত দিব্যাংগসকলৰ ক্ৰীড়া প্ৰতিভা উন্নত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## শান্তি-উন্নয়নৰ বাবে খেল

জম্মু-কাশ্মীৰত খেল' ইণ্ডিয়া শীতকালীন গেমচ আয়োজন কৰা হয়। কেন্দ্ৰ শাসিত প্ৰদেশ লাডাখত এই আয়োজন কৰা হৈছিল।

## এই বাজেটত ৪৮ শতাংশৰ বৃদ্ধি

- বাজেটত খেল' ইণ্ডিয়া আঁচনিৰ বাবে ৯৭৪ কোটি টকাৰ আবন্টন কৰা হৈছে। এয়া ২০২১-২২ৰ তুলনাত ৪৮.০৯ শতাংশৰ বৃদ্ধি। চৰকাৰে ৩১৬৫.৫০ কোটি ব্যয়ৰ হিচাপৰে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত খেল' ইণ্ডিয়া আঁচনিক আগবঢ়াই নিয়াৰ সিদ্ধান্ত লোৱা হৈছে।

## খেল' ইণ্ডিয়াই প্ৰতিভা সন্ধান কৰিছে

- ২০২১ চনলৈ খেল' ইণ্ডিয়া স্কুল গেমচৰ ৩টা সংস্কৰণ, খেল' ইণ্ডিয়া বিশ্ববিদ্যালয় গেমচৰ ১ টা সংস্কৰণ আৰু শীতকালীন গেমচৰ ২ টা সংস্কৰণ আয়োজিত হৈছে।
- ইয়াৰ জৰিয়তে প্ৰতিভাশালী খেলুৱৈসকলে জলপানি লাভ কৰাৰ লগতে উন্নত-আধুনিক আন্তঃগাঁথনিত প্ৰশিক্ষণ লাভ কৰাৰ সুবিধা পাইছে। খোৱা-লোৱাৰ পৰা আদি কৰি সকলো সুবিধাৰ লগতে মাহেকত ১০ হাজাৰ টকা ভাট্টা দিয়া হয়। ●

# গুৰুকুল পৰম্পৰাত নীহিত হৈ আছে "সৰ্বজন হিতায়, সৰ্বজন সুখায়"ৰ মহানুভাৱতা

প্ৰাচীন ভাৰতৰ গুৰুকুল পৰম্পৰাৰ কথা সৰ্বজনবিদিত। এই পৰম্পৰাত গুৰুৰ ওচৰলৈ প্ৰতিটো বৰ্গৰ শিষ্যৰ আগমন ঘটিছিল আৰু তেনেদৰে তেওঁলোকে শিক্ষাগ্ৰহণ কৰি জ্ঞান অৰ্জন কৰিছিল। মূলত "সৰ্বজন হিতায়, সৰ্বজন সুখায়"ৰ ভাৱাৰ্থ নীহিত হৈ থকা এই পৰম্পৰাই সমাজত ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক প্ৰেৰণা প্ৰদান কৰিছিল। এই পৰম্পৰাই দেশত আত্মনিৰ্ভৰশীলতা মনোভাৱ সৃষ্টি কৰাৰ লগতে উন্নয়নৰ দিশত আগবঢ়াই নিছিল...




ভাৰতৰ ইতিহাসত পূৰ্বৰে পৰা সন্ত-মহন্তসকলৰ লগতে ভক্তি আন্দোলনৰ গুৰুত্ব আছিল। এই ধৰ্মীয় গুৰুসকলে তথা তেওঁলোকৰ নেতৃত্বত অব্যাহত থকা ভক্তি আন্দোলনে স্বাধীনতা সংগ্ৰামৰ আধাৰশিলা স্থাপন কৰিছিল। বৰ্তমানৰ প্ৰেক্ষাপটতো এইবোৰৰ ভূমিকা আছে। ২০ মাৰ্চ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহমেদাবাদৰ স্বামীনাৰায়ণ গুৰুকুল বিশ্ববিদ্যা প্ৰতিষ্ঠানম্ (এছজিবিপি) গুৰুকুলৰ ভাৱ-বন্দনা কাৰ্যসূচীত অংশ লৈ এইদৰে কয়, "গুৰুকুল পৰিয়ালে স্বাধীনতাৰ অমৃত মহোৎসৱ আৰু অমৃত কালত অৱদান আগবঢ়াবলৈ আগবাঢ়ি আহিব পাৰে।" এই অনুষ্ঠানটোত শাস্ত্ৰী জী মহাৰাজৰ জীৱনৰ ওপৰত আধাৰিত 'শ্ৰী ধৰ্মজীৱন গাঁথা'ৰ ৬টা খণ্ড মুকলি কৰা হয়। কেৱল এয়াই নহয় প্ৰধানমন্ত্ৰীয়ে গুৰুকুল পৰিয়ালক ৰাসায়নিক সাৰৰ সলনি প্ৰাকৃতিক কৃষি পদ্ধতিৰে খেতি কৰিবলৈ সকলোকে উৎসাহিত কৰিবলৈ আহ্বান জনায়।

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণৰ কিছু অংশঃ**

- শাস্ত্ৰীজীৰ জীৱনত এক অবিৰত সাধনা, তপস্যা আছে। তাৰেই পৰিণাম স্বৰূপে ইমান সময়ৰ পাছতো শাস্ত্ৰীজী মহাৰাজ আমাৰ মাজত উপস্থিত। শৰীৰেৰে উপস্থিত আছে, আত্মিক স্বৰূপেৰে উপস্থিত আছে।
- আত্মনিৰ্ভৰতা, আমি আমাৰ ভৰিৰ ওপৰত, আমাৰ আৱশ্যকতাৰ বাবে আমাৰ শক্তিৰ ওপৰত থিয় হৈ থাকিব লাগিব, তেতিয়াহে দেশ থিয় হৈ থাকিব। আত্মনিৰ্ভৰ ভাৰত অভিযানক শাস্ত্ৰীজী মহাৰাজৰ পৰা প্ৰেৰণা লৈ আগুৱাই নিব পাৰো।

> ধৰিত্ৰী আইক সকলো ৰসায়নিক সাৰৰ বোজাৰ পৰা মুক্তি দিয়ক, আপোনালোকৰ ইয়াত গোশালাও আছে। প্ৰাকৃতিক খেতিৰ যি পদ্ধতি আছে সেয়া সকলো গুৰুকুলত শিকোৱা হয়। গুৰুকুলৰ পৰা সপ্তাহত গাঁৱলৈ যাওক, গাঁৱে গাঁৱে গৈ প্ৰত্যেক কৃষকক শিকাওক যে ফাৰ্টিলাইজাৰ, কেমিকেল, ঔষধৰ প্ৰয়োজন নাই। মই মানিছো যে গুজৰাট আৰু দেশৰ ডাঙৰ সেৱা হ'ব, আৰু শাস্ত্ৰীজী মহাৰাজৰ প্ৰতি সঠিক শ্ৰদ্ধাঞ্জলি হ'ব।
>
> **- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**




## খোংজোমৰ এংলো-মণিপুৰ যুদ্ধ আৰু কেওনঝাৰ বিদ্ৰোহ

# ভাৰতৰ স্বাধীনতাৰ বাবে যেতিয়া শতাধিকে বীৰে প্ৰাণ আহুতি দিছিল

ভাৰতৰ স্বাধীনতা কেৱল এটা দিন বা এজন ব্যক্তিৰ সংগ্ৰামৰ ফলাফল নাছিল। দেশৰ স্বাধীনতা আছিল অসংখ্যজনৰ ত্যাগ আৰু দীৰ্ঘদিনীয়া সংগ্ৰামৰ ফলাফল। প্ৰায় ২০০ বছৰৰ দাসত্বৰ সময়ছোৱাত অনেকবাৰ এনেকুৱা মুহূৰ্ত আহিছিল যেতিয়া ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ হৈছিল। ব্ৰিটিছে সেইবোৰ কঠোৰ হাতেৰে দমন কৰিবলৈ চেষ্টা কৰিছিল আৰু এই সংগ্ৰামবোৰত অসংখ্য সেনানীয়ে জীৱন ত্যাগ কৰিছিল। ভাৰতৰ স্বাধীনতাৰ ইতিহাসত মণিপুৰৰ খোংজোম আৰু উৰিষ্যাৰ কেওনঝাৰত এনে সংঘৰ্ষৰ সাক্ষী আছিল...

ৰাষ্ট্ৰৰ বাবে যিসকলে আত্মবলিদান দিয়ে সেই লোকসকলে অমৰত্ব লাভ কৰে। তেওঁলোক প্ৰেৰণা হৈ প্ৰতিটো প্ৰজন্মক উৎসাহিত কৰি আহিছে। ভাৰতীয় স্বাধীনতা আন্দোলনতো এনে অনেক বীৰৰ কথা আমি পাওঁ। ভাৰতীয় স্বাধীনতা মূলত তিনিটা ধাৰাৰ সংযুক্ত প্ৰয়াসৰ ফলত সম্ভৱ হৈছে। এই তিনিটা ধাৰা হৈছে অহিংসা তথা সত্যাগ্ৰহ আন্দোলন, বিপ্লৱৰ আন্দোলন আৰু জন-জাগৰণ আন্দোলন। এই তিনিটা ধাৰাই তিনিৰঙী পতাকাৰ তিনিওটা ৰং প্ৰতিফলিত কৰি আহিছে। ২৩ মাৰ্চৰ শ্বহীদ দিৱস উপলক্ষে ভিক্টোৰিয়া মেম'ৰিয়েল হলত বিপ্লৱী ইণ্ডিয়া গেলেৰী (বাকচ চাওক) উদ্বোধন কৰোঁতে প্ৰধানমন্ত্ৰীয়ে কয়, "আমাৰ

প্ৰধানমন্ত্ৰীৰ সম্বোধন শুনিবলৈ এই কিউআৰ কোড স্কেন কৰক






## মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মাতৃভূমিৰ জন্ম হৈছিল

মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ পালন কৰাৰ উদ্দেশ্যৰে মাতৃভূমি কাকতৰ জন্ম হৈছিল। ১৯২৩ চনৰ ১৮ মাৰ্চ তাৰিখে মাতৃভূমি আৰম্ভ হৈছিল। যদিহে আমি ইতিহাস চাওঁ তেন্তে দেখিম যে স্বাধীনতা সংগ্ৰামৰ মহান ব্যক্তি কোনো এক কাকতৰ সৈতে জড়িত হৈ আছে। লোকমান্য তিলকে 'কেশৰী' আৰু 'মহাৰট্টা', স্বামী বিবেকানন্দৰ সম্পৰ্ক 'প্ৰবুদ্ধ ভাৰত' আৰু মহাত্মা গান্ধী 'ইয়ং ইণ্ডিয়া', 'নৱজীৱন' আৰু তেওঁ 'হৰিজন'ৰ সৈতে জড়িত আছিল। কেৰালাৰ পৰা প্ৰকাশিত মালায়ালম দৈনিক মাতৃভূমি কেপি কেশৱ মেননে প্ৰতিষ্ঠা কৰিছিল।

## ভিক্টোৰিয়া মেম'ৰিয়েল হলত বিপ্লৱী ভাৰত গেলেৰী

বিপ্লৱী ইণ্ডিয়া গেলেৰীৰ জৰিয়তে চৰকাৰে পশ্চিম বংগৰ সমৃদ্ধশালী সাংস্কৃতিক আৰু ঐতিহাসিক ঐতিহ্যক সংৰক্ষণৰ প্ৰতিশ্ৰুতিৰ প্ৰমাণ। এই গেলেৰীত স্বাধীনতা সংগ্ৰামত অংশ লোৱা বিপ্লৱী আৰু ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে কৰা সশস্ত্ৰ প্ৰতিবাদ প্ৰদৰ্শন কৰা হৈছে। এই নতুন গেলেৰীৰ উদ্দেশ্য হৈছে ১৯৪৭চনলৈ স্বাধীনতা আন্দোলনৰ ঘটনাবোৰৰ এক সামগ্ৰিক দৃষ্টিভংগী প্ৰদান কৰাৰ লগতে বিপ্লৱীসকলৰ ভূমিকাৰ ওপৰত আলোকপাত কৰা। বিপ্লৱী ইণ্ডিয়া গেলেৰীত আন্দোলনক গতি প্ৰদান কৰা ৰাজনৈতিক আৰু বৌদ্ধিক পৃষ্ঠভূমিক প্ৰদৰ্শন কৰিছে।

পতাকাৰ গেৰুৱা ৰঙে বিপ্লৱৰ ধাৰা কথা কয়, বগা ৰঙ সত্যাগ্ৰহ আৰু অহিংসাৰ সোঁতৰ প্ৰতীক, সেউজীয়া ৰঙে সৃষ্টিশীল প্ৰৱণতাৰ সোঁতক প্ৰতিফলিত কৰে আৰু ৰাষ্ট্ৰীয় পতাকাৰ ভিতৰত থকা নীলা চক্ৰক মই ভাৰতৰ সাংস্কৃতিক চেতনাৰ প্ৰতীক হিচাপে গণ্য কৰোঁ। আজি আমি নতুন ভাৰতৰ ভৱিষ্যতো পতাকাৰ তিনিটা ৰঙত দেখিবলৈ পাইছোঁ। গেৰুৱা ৰঙে এতিয়া আমাক কৰ্তব্য আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ অনুপ্ৰেৰণা দিয়ে। শুকলাই 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' আৰু সেউজীয়া ৰঙে আজি পৰিৱেশ সুৰক্ষা, নবীকৰণযোগ্য শক্তিৰ বাবে ভাৰতৰ বৃহত্তৰ লক্ষ্যৰ প্ৰতীক হোৱাৰ লগতে নীলা চক্ৰটোৱে আজি নীলা অৰ্থনীতিৰ কথা ব্যক্ত কৰে।" ১৮ মাৰ্চত মালায়ালম দৈনিক কাকত মাথৰুভূমিৰ (মাতৃভূমি) শতবাৰ্ষিকী বৰ্ষ উদযাপন (বাকচ চাওক) উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ এবাৰ স্বাধীনতা আন্দোলনৰ ত্যাগৰ সংগ্ৰাম সন্দৰ্ভত কয়, "স্বৰাজৰ বাবে স্বাধীনতা সংগ্ৰামৰ সময়ত আমি আমাৰ জীৱন উৎসৰ্গা কৰাৰ সুযোগ পোৱা নাছিলোঁ। অৱশ্যে, এই অমৃত কালে আমাক শক্তিশালী, উন্নত আৰু সামগ্ৰিক ভাৰত গঢ়ি তোলাৰ দিশত কাম কৰাৰ সুযোগ প্ৰদান কৰিছে। যিকোনো দেশৰ বিকাশৰ বাবে ভাল নীতি সৃষ্টি কৰাটো এটা দিশ।" **স্বাধীনতাৰ অমৃত মহোৎসৱ শিতানত এইবাৰ পঢ়ক দুটা এনে সংঘৰ্ষৰ কাহিনী যি ইতিহাসৰ পৃষ্ঠাত পাবলগীয়া গুৰুত্ব নাপালে। কিন্তু এই দুই বিদ্ৰোহে ইংৰাজৰ ভেটি কঁপাই তুলিছিল। পঢ়ক মণিপুৰৰ খোংজোম আৰু উৰিষ্যাৰ কেওনঝাৰত হোৱা স্বাধীনতা সংগ্ৰামৰ কাহিনী...**

# স্বাধীনতাৰ বাবে মণিপুৰৰ খোংজোমত সেনানীয়ে সাহসেৰে ব্ৰিটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে যুঁজ দিছিল

মণিপুৰৰ খোংজোম হৈছে সেই ঠুকুৰা ঠাই যি ঠাইত বিপ্লৱীসকলৰ যুঁজে বৃটিছ সাম্ৰাজ্যৰ ভেটি থৰক বৰক কৰি তুলিছিল। ১৮৯১ চনত সংঘটিত হোৱা এংলো-মণিপুৰ যুদ্ধ দেশৰ ইতিহাসৰ অন্যতম গুৰুত্বপূৰ্ণ ঘটনা। ব্ৰিটিছ ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে হোৱা যুদ্ধত মণিপুৰৰ অনেক লোকে মাতৃভূমিৰ মৰ্যাদা, সন্মানৰ বাবে যুঁজ দিছিল আৰু সাৰ্বভৌমত্ব ৰক্ষা কৰিবলৈ নিজৰ জীৱন ত্যাগ কৰিছিল। সেই দিনবোৰত কোৱা হৈছিল যে ব্ৰিটিছ সাম্ৰাজ্যৰ 'সূৰ্য কেতিয়াও অস্ত নাযায়'। সেই সময়ত মণিপুৰৰ দৰে এখন সৰু ৰাজ্যই ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিয়াৰ অৰ্থ পৰাজয়ৰ বাহিৰে আন একো নাছিল। কিন্তু সাহসী মণিপুৰী যোদ্ধাসকলে হাৰ মানি লোৱা নাছিল। ব্ৰিটিছ চৰকাৰে আৰম্ভণিৰে পৰা মণিপুৰক নিজৰ নিয়ন্ত্ৰণত ৰাখিব বিচাৰিছিল, কিন্তু এয়া সম্ভৱ হৈ উঠা নাছিল। এনে পৰিস্থিতিত ব্ৰিটিছে ১৮৯০ চনৰ ২২ মাৰ্চত মণিপুৰলৈ ৪০০ গোৰ্খা সৈন্য প্ৰেৰণ কৰে আৰু ১৮৯১ চনৰ ২৪ মাৰ্চত মণিপুৰৰ কাংলা প্ৰাসাদ সৈন্যই আক্ৰমণ কৰে।

ব্ৰিটিছসকলৰ এই আক্ৰমণৰ ফলত বহু লোক নিহত হয় আৰু মণিপুৰী আৰু ব্ৰিটিছ সেনাৰ মাজত সশস্ত্ৰ সংগ্ৰাম আৰম্ভ হয়। ইংৰাজ সেনাৰ ওচৰত আধুনিক অস্ত্ৰ আৰু বোমা থকাৰ সময়ত মণিপুৰী সেনাৰ ওচৰত কেৱল পৰম্পৰাগত ঢাল আৰু তৰোৱাল আছিল। কিন্তু মণিপুৰী সেনাই সাহসৰে যুঁজ দি ব্ৰিটিছ সৈন্যক প্ৰথম পৰ্যায়ত আত্মসমৰ্পণৰ বাবে বাধ্য কৰিছিল। কিন্তু দ্বিতীয় পৰ্যায়ত ব্ৰিটিছে তিনিওফালৰ পৰা মণিপুৰ আক্ৰমণ কৰে। মণিপুৰী সেনাই যথেষ্ট বীৰত্বৰে যুঁজিছিল যদিও ১৮৯১ চনৰ ২৩ এপ্ৰিলত খোংজোমত অনেক বীৰ যোদ্ধাৰ শ্বহীদৰ পাছত মণিপুৰে হাৰ মানিছিল। স্বাধীনতা সংগ্ৰামৰ ইতিহাসত আটাইতকৈ ভয়ংকৰ যুদ্ধ হিচাপে বিবেচিত এই যুদ্ধ মণিপুৰৰ খোংজোমৰ খেবা পাহাৰত হৈছিল। এতিয়া সেই দিনটোক খোংজোম দিৱস হিচাপে পালন কৰা হয়। ১৮৯১ চনৰ ২৭ এপ্ৰিলত যুদ্ধ সমাপ্ত হোৱাৰ পাছত ব্ৰিটিছে মণিপুৰক নিজৰ নিয়ন্ত্ৰণলৈ আনিছিল। যুদ্ধৰ অন্তত ব্ৰিটিছ চৰকাৰে বিপ্লৱীসকলৰ বিৰুদ্ধে গোচৰ চলাইছিল আৰু তেওঁলোকক মৃত্যুদণ্ড দিছিল। ১৮৯১ চনৰ ১৩ আগষ্টত ৰাজকুমাৰ টিকেন্দ্ৰজিত আৰু আন চাৰিজনক ব্ৰিটিছে ফাঁচী দিছিল। কুলচন্দ্ৰক অন্য ২২জনৰ সৈতে আন্দামান দ্বীপলৈ প্ৰেৰণ কৰি শাস্তি বিহা হৈছিল। কোৱা হয় যে যুদ্ধত মণিপুৰী বিপ্লৱীৰ সাহস দেখি ব্ৰিটিছ স্তম্ভিত হৈ পৰিছিল। ভাৰতীয় ৰাজ্যসমূহক ব্ৰিটিছ সাম্ৰাজ্যত একত্ৰিত কৰাৰ কাম ১৭৫৭ চনৰ পলাশীৰ যুদ্ধৰ পৰা আৰম্ভ হৈছিল আৰু খোংজোমৰ যুদ্ধৰ জৰিয়তে সমাপ্ত হৈছিল। এই যুদ্ধৰ পিছত মণিপুৰ ভাৰতীয় উপমহাদেশত ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনলৈ অহা অন্তিম খন ৰাজ্য হৈ পৰিছিল। এই যুদ্ধক ১৮৯১ চনৰ এংলো-মণিপুৰ যুদ্ধ বুলি কোৱা হয়। তদানীন্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে ২০১৬ চনৰ ২৩ এপ্ৰিল তাৰিখে মণিপুৰৰ খোংজোমত এই খোংজং যুদ্ধ স্মাৰক উদ্বোধন কৰিছিল।



## খোংজোম যুদ্ধ স্মাৰক পৰিসৰ

*খোংজোম যুদ্ধ স্মাৰক মণিপুৰৰ থৌবাল জিলাৰ খোংজোমত আছে। ১৮৯১ চনৰ এংলো-মণিপুৰী যুদ্ধত ইংৰাজৰ বিৰুদ্ধে বীৰত্বৰে যুঁজ দিয়া বীৰ সৈনিকক শ্ৰদ্ধাঞ্জলি দিয়াৰ বাবে এই সৌধ নিৰ্মাণ কৰা হয়। ২৩ এপ্ৰিলত খোংজোম দিৱস পালন কৰা হয়। এইবাৰ এয়া ১৩১ সংখ্যক বাৰ্ষিকী।*

# কেওনঝাৰত ভূইয়া আৰু জুয়াং জনজাতীয় বিদ্ৰোহে ইংৰাজসকলৰ টোপনি হৰণ কৰিছিল

ওড়িশ্যাৰ কেওনঝাৰত হোৱা বিদ্ৰোহে ব্ৰিটিছ শাসকক কঠিন প্ৰত্যাহ্বান দিয়াৰ লগতে তেওঁলোকক ব্যতিব্যস্ত কৰি তুলিছিল। দৰাচলতে, ইংৰাজ চৰকাৰে কেওনঝাৰৰ ভূইয়া আৰু জুয়াং লোকসকলৰ ইচ্ছা আৰু ৰীতি-নীতিৰ বিৰুদ্ধে এজন নতুন ৰজাক সিংহাসনত প্ৰতিষ্ঠা কৰিছিল। ইংৰাজে সেই ৰজাৰ মাধ্যমত শাসন চলাব বিচাৰিছিল আৰু এই কথাটো প্ৰজাৰ পছন্দ নহ'ল। ১৮৬৮ চনৰ ২১ এপ্ৰিলত ৰত্ন আৰু নন্দা নাইকৰ নেতৃত্বত জুয়াং আৰু ভূইয়া লোকসকলে অস্ত্ৰ-ধাৰণ কৰি ইংৰাজ আৰু নতুন ৰজাৰ শোষণৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰি দিছিল। ৰত্ন নাইকে বৃটিছৰ বিৰুদ্ধে কেওনঝাৰত আন্দোলনৰ নেতৃত্ব দিছিল। ১৮২০  চনত কেওনঝাৰ জিলাৰ তাৰাপুৰ গাঁৱত ৰত্নাৰ জন্ম হৈছিল। ভূইয়া জনজাতীয় সমাজৰ পৰা ৰত্ন নায়ক আৰু ধৰণীধৰ নাইক আছিল আৰু এই আন্দোলনত নন্দ নাইক, নন্দ প্ৰধান, বাবু নাইক, দশৰথি কুঁৱৰ, পদু নাইকৰ দৰে লোকসকল সংগী আছিল। এই বিদ্ৰোহ ব্ৰিটিছ শাসন আৰু স্থানীয় ৰজাৰ অত্যাচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে আছিল।

১৮৬৮ চনৰ ২৮ এপ্ৰিলত বিদ্ৰোহীসকলে কেওনঝাৰ ৰজাৰ প্ৰাসাদত প্ৰৱেশ কৰে আৰু ৰজাৰ লগতে দীৱানকে ধৰি তেওঁৰ ১০০ জন সৈনিক আৰু সমৰ্থকক অপহৰণ কৰে। ইয়াৰ পাছতেই বৃটিছ চৰকাৰে আন্দোলনটো দমন কৰাৰ সিদ্ধান্ত লয় আৰু ১৮৬৮ চনৰ ৭ মে' তাৰিখে জনজাতীয় লোকসকলক আক্ৰমণৰ লক্ষ্য কৰি লয়। এইবাৰ আন্দোলন উত্তপ্ত হৈ পৰে। জনজাতীয় বিদ্ৰোহীয়ে ৰজাৰ দীৱানক হত্যা কৰে। এই ঘটনাৰ পাছত ইংৰাজে অভিযান তীব্ৰ কৰি জনজাতীয় এলেকাত থকা ঘৰবোৰত অগ্নি সংযোগ কৰি লুট-পাত কৰে। ইংৰাজ বিষয়া ডাব্লিউ হাইছৰ নেতৃত্বত চলা এই অভিযান ভয়াৱহ আছিল। হাইছে এই স্বাধীনতা আন্দোলনকাৰীসকলক এইবুলি আহ্বান জনায় যে তোমালোকে আত্মসমৰ্পন কৰা নতুবা সকলোকে হত্যা কৰা হ'ব। কিন্তু আন্দোলনকাৰীসকলে তেওঁৰ কথা নুশুনিলে আৰু চাইবাচা আৰু কেওনঝাৰৰ মাজৰ পথ সংযোগ বিচ্ছিন্ন কৰিলে। এনে পৰিস্থিতিত ব্ৰিটিছে চোটা নাগপুৰৰ পৰা কেওনঝাৰলৈ কমিছনাৰ কৰ্ণেল ই টি ডাল্টনক পঠিয়াইছিল, কিন্তু জুন মাহৰ গৰম আৰু পাহাৰীয়া অঞ্চলৰ বাবে তেওঁ আন্দোলন স্থলীত উপস্থিত হ'ব নোৱাৰিলে। এনে পৰিস্থিতিত ব্ৰিটিছে চুবুৰীয়া ৰাজ্যৰ ৰজা আৰু বৃহৎ সৈন্যবাহিনীৰ সহায়ত এই বিদ্ৰোহ দমন কৰিবলৈ আৰম্ভ কৰে। চুবুৰীয়া ৰাজ্য বানাই, ময়ূৰভঞ্জ, পল্লাহাৰা আৰু ঢেঙ্কানালৰ পৰা সৈন্য প্ৰেৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। কটক আয়ুক্ত টি ই ৰামহাঞ্চাক কেওনঝাৰলৈ প্ৰেৰণ কৰা হৈছিল যিয়ে আন্দোলনকাৰীসকলক আত্মসমৰ্পণ কৰিবলৈ কৈছিল, কিন্তু ৰত্ন নাইকে আত্মসমৰ্পণ নকৰাৰ আৰু শেষলৈকে যুঁজ দিয়াৰ সিদ্ধান্ত লৈছিল। পিছত, ৰত্ন নায়ক আৰু নন্দ নায়ক দুয়োজনে ভূইয়া সম্প্ৰদায়ক ৰক্ষা কৰিবলৈ আত্মসমৰ্পণৰ সিদ্ধান্ত লৈছিল। তেওঁলোকক বৃটিছে ফাঁচী দিছিল। আন্দোলনকাৰীক সমৰ্থন কৰা ৰাণী বিষ্ণুপ্ৰিয়া দেৱীকো ব্ৰিটিছে কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল।



## কেওনঝাৰ সংগ্ৰামৰ স্মৃতি


*ওড়িশ্যাৰ সেইসময়ৰ কেওনঝাৰ ৰাজ্যৰ ৰাজকীয় মহল। এই প্ৰাসাদৰ পৰাই বিদ্ৰোহ আৰম্ভ হৈছিল। যদিওবা এই আন্দোলনৰ ফলাফল ইংৰাজৰ পক্ষত গৈছিল কিন্তু সেই বিদ্ৰোহে সমগ্ৰ ভাৰতবৰ্ষত প্ৰভাৱ পেলাইছিল।*



**Narendra Modi** @nar...

India set an ambitious target of $400 Billion of goods exports & achieves this target for the first time ever. I congratulate our farmers, weavers, MSMEs, manufacturers, exporters for this success.

This is a key milestone in our Aatmanirbhar Bharat journey. #LocalGoesGlobal



**Rajnath Singh** @rajnathsin...

Under the Atmanirbhar Bharat Abhiyan, India is continuously growing in its capability to indigenously design, develop and manufacture advanced cutting edge technologies and systems in the Defence Sector.



**Amit Shah** @AmitShah

In a significant step, GoI under the decisive leadership of PM Shri @NarendraModi Ji has decided to reduce disturbed areas under Armed Forces Special Powers Act (AFSPA) in the states of Nagaland, Assam and Manipur after decades.



Nitin Gadkari Retweeted

**Office Of Nitin Gadkari** @Of...

India will soon become Green Hydrogen exporting country.

In line with PM Shri @narendramodi ji's vision of clean and cutting-edge mobility in India, our government, through 'National Hydrogen Mission' is committed to focus on green and clean energy.



Nirmala Sitharaman Retweeted

**NSitharamanOffice** @nsitha...

We believe govt & pvt sector are partners in ushering development in this economy...To set up pvt investments, govt has launched PLI schemes in 14 sectors expected to add additional productive capacity of over Rs 30 lakh cr over next 5 years.



**Narendra Singh Tom...**

देश के सुदूर क्षेत्रों में खाद्य सुरक्षा सुनिश्चित कर रही है मोदी सरकार।

देश भर में 77 करोड़ गरीबों को मिल रहा है 'एक राष्ट्र, एक राशन कार्ड' योजना का लाभ।

MANN KI BAAT

## PM: Demand for made in India goods growing globally

EXPRESS NEWS SERVICE
NEW DELHI, MARCH 27



PM Narendra Modi. PTI

IN HIS 87th episode of Mann Ki Baat, Prime Minister Narendra Modi today pointed towards India achieving its export target of $400 billion, and said this was only possible due to the hard work of farmers, artisans, weavers, engineers, small entrepreneurs and the MSME sector.

"India has achieved the export target of $400 billion, that is Rs 30 lakh crore... At one time, the figure of exports from India used to be $100 billion, at times $150 billion, sometimes even $200 billion.... today, India has reached $400 billion. In a way, this means the demand for items made in India is increasing all over the world. Another meaning is that the supply chain of India is getting stronger by the day," the PM said.

Leather products from Hailakandi in Assam, handloom products from Osmanabad, fruits and vegetables from Bijapur, black rice from Chandauli — the export of all of these is increasing, he said, adding that an array of new products were being sent to new countries.

"The first consignment of millets grown in Himachal and Uttarakhand was exported to Denmark. Bainganapalli and Subarnarekha mangoes from Krishna and Chittoor districts of Andhra Pradesh were exported to South Korea. Fresh jackfruits from Tripura were exported to London by air and for the first time King Chilli from Nagaland was dispatched to London. Similarly, the first consignment of Bhalia wheat was exported from Gujarat to Kenya and Sri Lanka," said Modi.

Referring to the government e-market (GeM portal), Modi said even small entrepreneurs were playing a major partnership role in procurement through the portal. He said during the past year, the government had purchased items worth more than Rs 1 lakh crore through the portal.

"Around 1.25 lakh small entrepreneurs and small shopkeepers from every corner of the country have sold their goods directly to the government. There was a time when only big companies could sell goods to the government... Now even the smallest of shopkeepers can sell one's goods to the government on the GeM portal," he said.

With World Health Day on April 7, Modi said he was astonished to see the agility of 126-year-old Padma awardee Baba Sivanand, a monk from Varanasi.

Modi said lifestyles that included yoga and Ayurveda were picking up globally and that the market of the Ayush industry had grown from Rs 22,000 crore six years ago to Rs 1,40,000 crore today. The PM also acknowledged the work of swachhagrahis (cleanliness warriors) — Chandrakishore Patil from Nashik, who cleans trash from the banks of Godavari, and Rahul Maharana of Puri, who collects plastic waste from pilgrimage sites in in the city. Mupattam Sri Narayanan of Kerala, who started a project, "Pots for water of life", distributing earthen pots so that animals and birds do not face water problems during summer, also found mention in Mann ki Baat today.

He emphasised the need for water conservation and recycling, adding that children could be drivers of this movement by becoming "water warriors".

## Supply chain strengthening: PM

Staff Writer
feedback@livemint.com
NEW DELHI

India's supply chain management is strengthening and goods produced in the country are garnering robust global demand, Prime Minister Narendra Modi said on Sunday.

Addressing the nation on his weekly *Mann Ki Baat* radio programme, Modi said exports of $400-billion in FY22, hints at growing global demand for Indian goods and its strengthening supply chain network.

Merchandise exports grew 42.7% to $400.9 billion till 21 March, from $280.9 billion in the year-ago period.

The previous record of $330 billion was witnessed in 2018-19.

"At one time, the figure of exports from India used to be $100 billion, at times $150 billion, and sometimes $200 billion...today, India has reached $400 billion. In a way, it means global demand for products made in India is increasing; the other meaning is that the supply chain is getting stronger by the day," he added.

Modi expressed satisfaction with the exports and said that the power of the Indian people is now reaching new markets in "every nook and corner of the world".

"When each and every Indian is vocal for local, it does not take long for the local to become global. Let's make the local global and increase the prestige of our products further."

Modi said the milestone was achieved due to the efforts of farmers, artisans, engineers, weavers, small entrepreneurs and the micro, small and medium enterprises.

The PM also highlighted the success of Government e-Marketplace, saying that the government bought items worth more than ₹1 trillion in 2021, through the public procurement platform. Nearly 125,000 small entrepreneurs, shopkeepers have sold their products directly to the government, he added. "There was a time when only big companies could sell goods to the government. But, India is changing; and so are the old systems. Now even the smallest shopkeepers can sell their goods to the government via Government e-Marketplace. This is the New India."



The Prime Minister said exports of $400-billion in FY22 hints at growing global demand for Indian goods. PTI

## Centre approves hike in DA for central govt staff

HT Correspondent
letters@hindustantimes.com

**NEW DELHI:** The Union Cabinet chaired by Prime Minister Narendra Modi on Wednesday raised the dearness allowance (DA) by three per cent to 34% for 4.77 million central government employees and a similar increase in the dearness relief (DR) was announced for 6.86 million pensioners to provide them respite from price rise.

"The combined impact on the exchequer on account of both Dearness Allowance and Dearness Relief would be ₹9,544.50 crore per annum," an official statement issued after the Cabinet meeting said.

Both employees and pensioners will get the raised amount retrospectively from January 1, 2022, it said. "This increase is in accordance with the accepted formula, which is based on the recommendations of 7th Central Pay Commission," it said.

Central Pay Commissions are periodically constituted to go into various issues of emolument structure, retirement benefits and other service conditions of central government employees and to make recommendations on the required changes.

According to the commission's report, DA is paid to central government employees to adjust the cost of living and to protect their basic pay from erosion in the real value on account of inflation. The allowance is currently based on the consumer price index-industrial workers (CPI-IW).

The announcement of the latest hike came in under five months after the government raised the DA and DR by three per cent points to 31% in October 2021. In July 2021, the Union government revoked a suspension on DA and DR that was imposed due to unprecedented economic disruption because of Covid-19, and raised the two allowances from 17% to 28%.

Experts said that while the decision will provide relief to over 11.6 million people, it may not have any significant impact on fiscal deficit.

Dr Devendra Pant, chief economist at India Ratings and Research, said: "Change in DA is a normal process and is based on movement in relevant price indices and formula recommended by the pay commission. Being formula based and a regular practice, government makes provision for this in the budget. This is unlikely to have any impact on fiscal deficit."

According to a government official, barring the pandemic time, the central government has been providing adequate relief to both its employees and pensioners. "In view of the unprecedented situation which arose due to the Covid-19, three additional instalments of DA to central government employees and DR to pensioners, which were due from 01.01.2020, 01.07.2020 and 01.01.2021, had been frozen," the official said, asking not to be named.

"However, when the situation improved, the government increased these allowances with effect from 01.07.2021 and raised it to 28% from 17% of the basic pay or pension," he said.

After Covid-19 hit in March 2020, the government in April 2020 held payments of DA to all central government employees for 18 months to save about ₹37,530 crore that could be used in its fight against the pandemic.



The DA is up to 34% for 4.77 mn central employees. MINT

## Make Bay of Bengal bridge of connectivity: PM

BIMSTEC inks agreements on security, tech transfer | Adopts charter to formalise grouping

Tribune News Service

**INDIA TO HEAD GROUP'S PILLAR ON SECURITY**

**GRANTS ANNOUNCED**



**NOD TO PROCURE 15 LIGHT COMBAT COPTERS**

**ENSURING BETTER COORDINATION**

## India to lead BIMSTEC security pillar

YESHI SELI @New Delhi

THE seven nation BIMSTEC on Wednesday adopted an important charter and a connectivity roadmap while entrusting India with the responsibility of helming its security pillar.

The charter was the biggest takeaway. "With the charter, BIMSTEC now has an international personality, it has an emblem, it has a flag, it has formally listed purpose and principles that it is going to adhere to and an architecture," said additional secretary BIMSTEC, Rudrendra Tandon.

The fifth summit of the Bay of Bengal Initiative for Multi Sectoral Technical and Economic Cooperation (BIMSTEC) also approved a proposal to revamp its activities.

"Henceforth, BIMSTEC cooperation activities will take place in seven pillars. Each pillar will be led by one of the member states. India will lead the security pillar," said Tandon.

The seven nations in BIMSTEC are India, Sri Lanka, Bangladesh, Bhutan, Myanmar, Nepal, Sri Lanka and Thailand. It brings together 1.5 billion people, which comprises 21% of the world population and a combined GDP of over $2.5 trillion.



India has been making conscious efforts to make BIMSTEC a vibrant regional forum. It feels security and counter terrorism are issues that must be addressed collectively.

"The recent developments in Europe has raised questions about the stability of the international order," Prime Minister Narendra Modi said during address. He announced a $1 million ad hoc grant for the operational budget for the BIMSTEC secretariat and another $3 million assistance to revive its centre for weather and climate.

The group finalised three documents to facilitate having a Mutual Legal Assistance Treaty, setting up a centre for technology transfer in Colombo and providing for cooperation among diplomatic academies of the member nations.

Modi spoke about the need to move forward the connectivity, disaster management, marine cooperation, economic integration and security agendas.

RNI No. :
DELASS/2020/78827
April: 16-30, 2022

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2020-22, WPP NO U (S)-95/2020-22, posting at BPC, Meghdoot Bhawan, New Delhi - 110 001 on 13-17 advance Fortnightly (Publishing Date April 4, 2022, Pages - 48)

प्रधानमंत्री जन आरोग्य योजना
आयुष्मान भारत
PM-JAY

## আয়ুস্মান ভাৰত দিৱস (৩০ এপ্ৰিল)

# নিৰ্মল আৰু স্বাস্থ্যবান হাঁহিৰ কাহিনীবোৰ




দৰিদ্ৰজনলৈ স্বাস্থ্য সুবিধা, স্বাস্থ্য কল্যাণৰ লগতে স্বাস্থ্য বীমা দিয়াৰ উদ্দেশ্যেৰে ২০১৮ চনত প্ৰধানমন্ত্ৰী জন-আৰোগ্য আয়ুস্মান ভাৰত আঁচনি আৰম্ভ কৰা হৈছিল। বিশ্বৰ সৰ্ববৃহৎ এই স্বাস্থ্য আঁচনিৰ এই দুটা লক্ষ্য পূৰ্ণ কৰাৰ উদ্দেশ্যেৰে প্ৰতিবছৰে আয়ুস্মান ভাৰত মিছন দিৱস পালন কৰা হৈ আহিছে। এই আঁচনিৰ অধীনত সামাজিক-অৰ্থনৈতিক জাতি গণনাৰ তথ্যৰ আধাৰত দেশৰ বিভিন্ন প্ৰান্তত সস্তীয়া চিকিৎসা সেৱা দিয়া হোৱাৰ লগতে ৫০ কোটিৰো অধিক লোকক ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া স্বাস্থ্য বীমা দিয়াৰ লক্ষ্যৰে চৰকাৰ আগবাঢ়িছে।

**১৭,৮৬,৯৭,২৩৫**
আয়ুস্মান কাৰ্ড দিয়া হৈছে আঁচনি আৰম্ভ হোৱাৰ পৰা ২১ মাৰ্চ, ২০২২লৈ।

**৩,১১,২৭,৭৫০**
লোকে চিকিৎসালত ভৰ্তি হৈ এই আঁচনিৰ সুবিধা লৈছে।

**১ লাখ**
আয়ুস্মান ভাৰত স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এইবোৰত টেলিফোন সেৱাৰ জৰিয়তে চিকিৎসা পৰামৰ্শ লাভ কৰিব পাৰে।

**হেল্পলাইন নম্বৰ**
১৪৫৫৫
অথবা
১৮০০-১১১-৫৬৫



“আমাৰ দেশৰ অৰ্ধেক সংখ্যক নাগৰিকে এই কথাটো চিন্তা কৰি তত পোৱা নাছিল যে যদিহে তেওঁলোক কোনো ৰোগত আক্ৰান্ত হৈ পৰে তেন্তে কি হ’ব? ৰোগীৰ শুশ্ৰূষা কৰিব নে পৰিয়ালৰ ভাত-দাইলৰ চিন্তা কৰিব? দেশৰ দৰিদ্ৰ তথা মধ্যবৰ্গীয় শ্ৰেণীক এই আঁচনিয়ে বিশেষভাৱে সহায় কৰিছে। এতিয়া আয়ুস্মান ভাৰত ডিজিটেল মিছনৰ অধীনত ডিজিটেল প্লেটফৰ্মতো ইয়াৰ বিস্তাৰ সাধন কৰা হৈছে।”

**নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী।**

Assamese

Editor
Jaideep Bhatnagar, Principal Director General, Press Information Bureau, New Delhi

Published & Printed by: Satyendra Prakash, Principal Director General, BOC on behalf of Bureau of Outreach and Communication

Published from Room No–278, Bureau of Outreach and Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003

Printed at Aravali Printers & Publishers Pvt. Ltd., Okhla Industrial Area Phase-II, New Delhi-110020